
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

*সামাজিক দায়বদ্ধতাত অবিচল*

**দিগ্‌দৰ্শন**

কোনো মানৱ সমাজ উৎকৃষ্ট আৰু কোনো ধৰ্মীয় বিশ্বাস নিকৃষ্ট হ'ব নোৱাৰে।



ইলি উইজেল
*ন'বেল জয়ী*

www.dainikagradoot.in

৭ প্ৰচণ্ড তাপ প্ৰবাহত জৰ্জৰিত বিশ্বৰ সাত দেশ
১৫ ভাৰতীয় দলৰ লগত প্ৰধানমন্ত্ৰী মোদীৰ বাৰ্তালাপ
৪ ইংলেণ্ডৰ ৰাজনৈতিক সংকট আৰু চৰকাৰৰ নেতৃত্বৰ পৰিৱৰ্তনৰ কুচ-কাৱাজ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮১তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৪ শাওণ ১৪২৯ ভাস্কৰাব্দ ২১ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 21 July 2022 মূল্য ঃ ৯.০০ টকা

■ ভূটানৰ ভূমিত ১০ কিলোমিটাৰ ভিতৰলৈ সোমাই আহি বসবাস আৰম্ভ ■ বেইজিঙৰ আগ্ৰাসী কাৰ্যকলাপত উদ্বিগ্ন ভাৰত চৰকাৰ ■ উত্তৰ-পূৰ্বসহ শিলিগুৰি কৰিড'ৰত শেনচকু দিয়াই মূল লক্ষ্য

# পুনৰ ডোকলামত গাঁও স্থাপন চীনৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২০ জুলাই ঃ** চীনৰ আন এক আগ্ৰাসী কাৰ্যকলাপে ভাৰতৰ বাবে মূৰৰ কামোৰণিৰ সৃষ্টি কৰিছে। চুবুৰীয়া ভূটানত নিৰ্মাণ কাৰ্য চলাই ভাৰতৰ ওপৰত তীক্ষ্ণ দৃষ্টি দিবলৈ চীনে অব্যাহত ৰখা কূট-কৌশল উন্মোচিত হোৱাত উদ্বিগ্ন হৈছে ভাৰত চৰকাৰ। ২০১৭ত ভূটানৰ ডোকলাম মালভূমিত ভাৰত আৰু চীনৰ মুখামুখি অৱস্থানক লৈ দীৰ্ঘদিন ধৰি অচলাৱস্থাৰ সৃষ্টি হৈছিল।



ভূটানৰ ভিতৰলৈ চীনৰ আগ্ৰাসী অৱস্থানক লৈয়ে তেনে পৰিস্থিতিৰ সৃষ্টি হৈছিল। বিশেষজ্ঞ মহলে উপগ্ৰহৰ পৰা প্ৰাপ্ত নতুন ছবি পৰীক্ষা-নিৰীক্ষা কৰি আশংকা প্ৰকাশ কৰিছে যে পুনৰ ডোকলামৰ ঝামপেৰী শৈলশিৰাত উপস্থিত হ'বলৈ চেষ্টা চলাইছে চীনে। চিত্ৰত দেখা গৈছে যে ডোকলাম মালভূমিৰ পৰা ন কিলোমিটাৰ নিলগৰ পূব দিশত এখন নতুন গাঁও নিৰ্মাণ কৰা হৈছে। ১০ পৃষ্ঠাত চাওক



■ ডিব্ৰুগড়ৰ ৰিজ'ৰ্টত পিচলি পৰি আহত ■ মুখ্যমন্ত্ৰীক ক'লে কাইলৈৰ পৰা কাম কৰিম ■ খোজ কাঢ়ি নিজে উঠিল এম্বুলেন্সত

## ভয় নাই! মূৰত আঘাতপ্ৰাপ্ত জুবিনক গুৱাহাটীলৈ স্থানান্তৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**গুৱাহাটী/ডিব্ৰুগড়, ২০ জুলাই ঃ** ধেমাজিত এক সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি ডিব্ৰুগড়ৰ মনোহাৰী ৰিজ'ৰ্টত অৱসৰ বিনোদনৰ বাবে উপস্থিত হৈ বাথৰুমত পিছলি পৰি মূৰত আঘাত পুৱা জুবিন গাৰ্গ আজি পুৱা হঠাৎ অসুস্থ হৈ পৰা খবৰে লাখ লাখ অনুৰাগীৰ মাজত উদ্বেগৰ সৃষ্টি কৰে। অসুস্থ হৈ পৰা জুবিনক ততাতৈয়াকৈ ডিব্ৰুগড়ৰ সঞ্জীৱনী হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তত্ত্বাৱধানত শিল্পীগৰাকীক উন্নত চিকিৎসাৰ বাবে এয়াৰ এম্বুলেন্সৰ জৰিয়তে গুৱাহাটীৰ আয়ুৰসুন্দ্ৰা হাস্পতাললৈ স্থানান্তৰ কৰা হয়। জুবিন চিকিৎসাধীন হোৱাৰ খবৰ লাভ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ডিব্ৰুগড়ৰ উপায়ুক্ত বিশ্বজিৎ পেগুক চিকিৎসাৰ ক্ষেত্ৰত কোনো ক্ৰুটি নাৰাখিবলৈ নিৰ্দেশ দিয়াৰ লগতে এয়াৰ এম্বুলেন্সৰ জৰিয়তে উন্নত চিকিৎসাৰ বাবে চিকিৎসকৰ পৰামৰ্শ অনুসৰি গুৱাহাটীলৈ প্ৰেৰণ কৰিবলৈ পৰামৰ্শ দিয়ে। উল্লেখ্য যে আজি পুৱা জুবিনে মূৰত আঘাত পাই সঞ্জীৱনী ১০ পৃষ্ঠাত চাওক

ক্ষুব্ধ কোচ ৰাজবংশী সন্মিলনীৰ সকীয়নি

## চলিত সংসদত উত্থাপন হ'বলগীয়া বিধেয়কৰ তালিকাত নাই জনজাতিকৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ জুলাই ঃ** চলিত সংসদৰ অধিবেশনত উত্থাপন হ'বলগীয়া বিধেয়কৰ তালিকাত নাই ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বিধেয়ক। ফলত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো ৰাজনৈতিক দল আৰু চৰকাৰৰ বাবে ক্ষমতা লাভৰহে যে এক অংক, এই কথা পুনৰ বিজেপি চৰকাৰে প্ৰমাণ কৰিলে বুলি ক্ষোভ ব্যক্ত কৰিছে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে। উল্লেখ্য যে ৰাজ্যসভাত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিধেয়ক উত্থাপন আৰু বিগত সৰ্বানন্দ সোণোৱাল চৰকাৰৰ কাৰ্যকালত কেবিনেট উপ-সমিতি গঠন আদি প্ৰকৃততে জনগোষ্ঠীকেইটাক আভুৱা ভাঁৱাৰহে একো ১০ পৃষ্ঠাত চাওক

## দুই ড্ৰাগছ ব্যৱসায়ীক আবদ্ধকৰণ, এজনৰ সম্পত্তি বাজেয়াপ্ত

অপৰাধীক দৃষ্টান্তমূলক শাস্তি বৰপেটা আৰক্ষীৰ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২০ জুলাই ঃ** আৰক্ষীৰ শিথিলতা আৰু নিষ্ক্ৰিয়তাৰ বাবে বহু অপৰাধীয়ে জামিন লাভ কৰা অথবা গোচৰমুক্ত হোৱাৰ অভিযোগ নতুন নহয়। গোচৰৰ ডায়েৰী অথবা তদন্তৰ প্ৰতিবেদন দুৰ্বল হোৱা বাবে বহু দাগী অপৰাধী সাৰি যায় বুলি অসম আৰক্ষীৰ বিৰুদ্ধে সততে অভিযোগ উত্থাপিত হৈ আহিছে। তদন্তকাৰী ১০ পৃষ্ঠাত চাওক

■ ২০২১ত ৰাজ্যত ৩,৯৬২টা ঘটনাৰ গোচৰ ■ বিভিন্ন কৌশলেৰে পেলোৱা জালত হেজাৰ হেজাৰ লোক ■ শতাংশৰ হাৰেৰে দেশৰ শীৰ্ষ তৃতীয় স্থানত ■ ভুক্তভোগী হৈছে সৰ্বস্বান্ত

## চাৰিগুণলৈ বৃদ্ধি বিত্তীয় চাইবাৰ অপৰাধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ জুলাই ঃ** ৰাজ্যত অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে বিত্তীয় চাইবাৰ অপৰাধৰ ঘটনা। ২০২০ত দেশৰ মুঠ চাইবাৰ অপৰাধৰ হাৰ ৩.৭ শতাংশৰ বিপৰীতে তিনিগুণ বৃদ্ধিৰে অৰ্থাৎ ১০.১ শতাংশ হাৰেৰে এই অপৰাধৰ ক্ষেত্ৰত দেশৰ ভিতৰতে তৃতীয় স্থানত উপবিষ্ট হৈছে অসম। বিগত বৰ্ষৰ লগতে চলিত বৰ্ষত চাইবাৰ অপৰাধীয়ে পেলোৱা লুণ্ঠনৰ জালত ৰাজ্যৰ হেজাৰ হেজাৰ লোক সৰ্বস্বান্ত হৈছে। উল্লেখ্য যে ক'ভিডৰ পাছত ৰাজ্যত পূৰ্বৰ বৰ্ষকেইটাৰ



তুলনাত চাৰিগুণৰো অধিক বৃদ্ধি পাইছে বিত্তীয় চাইবাৰ অপৰাধৰ ঘটনা। ২০১৫ত মাত্ৰ ৪৮৩টা চাইবাৰ অপৰাধৰ গোচৰ ৰুজু হোৱা ৰাজ্যখনত সকলো অভিলেখ ভংগ কৰি বিগত ২০২১ত ৩,৯৬২টা চাইবাৰ অপৰাধৰ ঘটনা সংঘটিত হৈছে বুলি অসম আৰক্ষীৰ অপৰাধ তদন্ত বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। ক'ভিডসৃষ্ট পৰিৱেশে সৰ্বসাধাৰণ জনতাক অৰ্থনৈতিকভাৱে কোঙা কৰি পেলোৱাৰ পাছতে অস্বাভাৱিক হাৰত চাইবাৰ অপৰাধীয়ে ৰাজ্যত পেলোৱা এই ভয়ংকৰ লুণ্ঠনৰ জাল ১০ পৃষ্ঠাত চাওক

দীৰ্ঘদিন পশ্চিমবংগত আত্মগোপন কৰিছিল

## ধুবুৰী আৰক্ষীৰ গুলিত নিহত গো-মাফিয়া আদম আলী



ঃ দীৰ্ঘদিন
বংগত
কুখ্যাত গো-
য়। এক
ধুবুৰী
১০ পৃষ্ঠাত চাওক

■ দলিত হোৱা বাবে একাষৰীয়া কৰি ৰখাৰ অভিযোগত পদত্যাগ খাতিকৰ ■ দিল্লীত বাহৰ পাতিছে আন এজন মন্ত্ৰী জিতিন প্ৰসাদে

## মুখ্যমন্ত্ৰী আদিত্যনাথৰ বিৰুদ্ধে মুকলি বিদ্ৰোহ দুই কেবিনেট মন্ত্ৰীৰ



■ নিউজ ব্যুৰ'
**লক্ষ্ণৌ, ২০ জুলাই ঃ** বিপুল ভোট লাভ কৰি দ্বিতীয়বাৰলৈ উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হোৱা যোগী আদিত্যনাথ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল কেবিনেট সতীৰ্থৰ দ্বাৰাই। আদিত্যনাথৰ কেবিনেটৰ এজন মন্ত্ৰীয়ে পদত্যাগ কৰাৰ উপৰি আন এজনে তেওঁৰ বিৰুদ্ধাচৰণ কৰি দিল্লীত বাহৰ পাতিছে। মন্ত্ৰী দিনেশ খাতিকে তেওঁ দলিত সম্প্ৰদায়ৰ লোক হোৱা বাবেই আদিত্যনাথে তেওঁক একাষৰীয়া কৰিছিল বুলি



কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহলৈ প্ৰেৰণ কৰা পদত্যাগপত্ৰৰ পাছতে হৈ-চৈৰ সৃষ্টি হয়। আনজন মন্ত্ৰী জিতিন প্ৰসাদে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰি দিল্লীত বিজেপি নেতৃত্বক সাক্ষাৎ ১০ পৃষ্ঠাত চাওক

■ ২০১৯ৰ ৩১ আগষ্টত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত অতিৰিক্ত তালিকা প্ৰকাশ পাইছিল ■ খালেকৰ প্ৰশ্নৰ উত্তৰত সংসদত গৃহমন্ত্ৰী

## আধাৰসদৃশ সুৰক্ষা ব্যৱস্থাৰ পাছতহে এনআৰচিৰ তথ্য প্ৰকাশ কৰা হ'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ জুলাই ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি)ৰ বাবে আধাৰৰ দৰে সুৰক্ষিত ব্যৱস্থাৱলী সৃষ্টি কৰা হ'ব। ইয়াৰ পাছতহে মুকলি কৰা হ'ব অসমৰ এনআৰচিৰ তথ্য। লোকসভাত অসমৰ কংগ্ৰেছ সাংসদ আব্দুল খালেকৰ এক প্ৰশ্নৰ উত্তৰত গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে উচ্চতম ন্যায়ালয়ৰ এক নিৰ্দেশলৈ আঙুলিয়াই তথ্য প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে কয় যে আধাৰৰ দৰে তথ্য সুৰক্ষাৰ ব্যৱস্থাৱলী প্ৰস্তুত কৰাৰ পাছতে এনআৰচিৰ তথ্য আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে এই ক্ষেত্ৰত দেশৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ আছে। সেয়েহে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ পালনৰ পাছত কেন্দ্ৰ আৰু ৰাজ্য আৰু দেশৰ মহাপঞ্জীয়কলৈ তথ্য মুকলি কৰা হ'ব। ২০১৯ত অসমৰ এনআৰচিৰ তথ্য প্ৰকাশ কৰা হয় যদিও আজিলৈকে ভাৰতৰ মহাপঞ্জীয়কে চৰকাৰীভাৱে জাননী জাৰি কৰা নাই। ২০১৯ৰ ১৩ আগষ্টত এনআৰচিৰ ১০ পৃষ্ঠাত চাওক

ৰহস্যময়ী মহিলাৰ কাণ্ড

## ৰঙিয়াত নতুন কাপোৰ দিয়াৰ প্ৰলোভনৰে শিশু অপহৰণ

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ২০ জুলাই ঃ** ৰঙিয়াত পেহীয়েক আৰু ভতিজা ছোৱালীক নতুন কাপোৰ কিনি দিয়াৰ প্ৰলোভন দি পেহীয়েকৰ হাতৰ পৰা এটি কণমানি শিশুক অপহৰণৰ ঘটনা সংঘটিত হোৱাত ৰঙিয়াত আতংকৰ সৃষ্টি ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩১° | ২৬° |
| ডিব্ৰুগড় | ২৮° | ২৬° |
| দিল্লী | ২৯° | ২৭° |
| কলকাতা | ৩২° | ২৮° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ৩০° | ২০° |
| শ্বিলং | ২৫° | ১৭° |

২০ জুলাই, ২০২২

## মৃতদেহ সৎকাৰৰ পাছতেই উদ্ধাৰ জীৱিত মহিলা

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২০ জুলাই ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী থানাৰ অন্তৰ্গত চাৰি নম্বৰ ভাণ্ডাৰাত ১০ পৃষ্ঠাত চাওক



*নিয়মীয়াকৰণৰ দাবীত মধ্যাহ্নভোজন কৰ্মচাৰীৰ ধৰ্মঘট, বুধবাৰে।*

## পাঁচ বছৰীয়া বনকৰা শিশুৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২০ জুলাই ঃ** শিৱসাগৰ অসামৰিক চিকিৎসালয়ত আজি নিশা এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এগৰাকী নাবালিকাৰ মৃত্যুক কেন্দ্ৰ কৰি এই পৰিস্থিতিৰ সৃষ্টি হয়। ভানু নামৰ পাঁচ বছৰীয়া এটি কন্যা শিশুক হত্যাৰ অভিযোগত এই পৰিস্থিতিৰ সৃষ্টি হয়। তিতাবৰৰ নিবাসী পাঁচ বছৰীয়া কন্যা শিশুটিক বিদ্যালয়ত ১০ পৃষ্ঠাত চাওক

■ ৰাজ্যৰ লক্ষাধিক মৎস্য পালক সৰ্বস্বান্ত ■ স্ব-নিৰ্ভৰ হোৱাৰ লক্ষ্যৰে বহু আশা-সপোন লৈ মেলিছিল পোনা ■ বানে উটুৱাই নিলে সকলো

## শেহতীয়া বানপানীত মৎস্য পালকৰ কমেও এশ কোটি টকাৰ ক্ষতিসাধন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ জুলাই ঃ** স্ব-নিয়োজনৰ বাট প্ৰশস্ত কৰি শ শ নিবনুৱাই ৰাজ্যত মীন পালনৰ নতুন পৰিৱেশ সূচনা কৰিবলৈ সক্ষম হৈছিল যদিও শেহতীয়া বানে এইসকল মৎস্য পালকক সৰ্বস্বান্ত কৰি পেলালে। মীন বিভাগে সদৰী কৰা অনুসৰি, চলিত বৰ্ষৰ শেহতীয়া দুটাকৈ বানত ৰাজ্যৰ প্ৰায় এক লাখ মৎস্য উৎপাদক আক্ৰান্ত হৈছে; য'ত



এশ কোটিৰো অধিক টকা মৎস্য পালকসকলৰ ক্ষতি হৈছে। শেহতীয়া বানত ৰাজ্যৰ মৎস্য পালকসকলৰ প্ৰায় ৭০ কোটি টকাৰ ক্ষতি হৈছে আৰু ইতিমধ্যে দুৰ্যোগ ব্যৱস্থাপনা বিভাগক ইয়াৰ তথ্য দাখিল কৰা হৈছে বুলি সূত্ৰত প্ৰকাশ। উল্লেখ্য যে চলিত বানে ৰাজ্যখনৰ হেজাৰ হেজাৰ মৎস্য পালকৰ অৱস্থা অতি দুৰ্বিষহ কৰি পেলালে। ১০ পৃষ্ঠাত চাওক

## চেঙা তেল



*আমি বানত ডুবি থাকিলো কি হ'ল! আমাক লৈ দিল্লী-দিছপুৰত আলোচনাতো চলি আছে!*

■ গোটাবায়া ৰাজাপক্ষৰ পলায়ন-পদত্যাগৰ পাছত অস্থায়ী ৰাষ্ট্ৰপতিৰ দায়িত্বত আছিল

## ৰণিলেই পুনৰ শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি পদত

■ নিউজ ব্যুৰ'
**কলম্বো, ২০ জুলাই ঃ** বিগত কে'বামাহ ধৰি অগ্নিগৰ্ভা হৈ থকা শ্ৰীলংকাৰ নতুন ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল প্ৰধানমন্ত্ৰী ৰণিল বিক্ৰমসিংঘে। পলাতক প্ৰাক্তন ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষই বিক্ৰমসিংঘেক দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব দিছিল। সম্প্ৰতি ৰাজাপক্ষই পদত্যাগ কৰাৰ পাছত বিক্ৰমসিংঘেই অস্থায়ী ৰাষ্ট্ৰপতিৰূপে দায়িত্ব গ্ৰহণ কৰে। এই অৱস্থাত এতিয়া তেওঁকে ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত কৰা হয়। শ্ৰীলংকাৰ সংবিধান অনুসৰি এই পৰিস্থিতিত বিক্ৰমসিংঘেই ৰাষ্ট্ৰপতি হোৱাৰ কথাও যদিও তেওঁ ভাৰপ্ৰাপ্তৰ দায়িত্ব দিয়াক লৈও ক্ষুব্ধ প্ৰতিবাদকাৰীয়ে সকীয়নি দিছিল। অৱশ্যে ইয়াৰ মাজতে অনুষ্ঠিত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত আজি বিক্ৰমসিংঘেই হ'ল ৰাষ্ট্ৰপতি। ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত নতুন নিয়ম জাৰি কৰা হয়। ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী তথা সেই সময়ত প্ৰধানমন্ত্ৰীৰ দায়িত্বত থকা বিক্ৰমসিংঘেৰ চৰকাৰে কয় যে পূৰ্বৰ দৰে সাধাৰণ নাগৰিকৰ সমৰ্থনত নহয়, দেশৰ সংসদৰ সদস্যসকলৰ ভোটদান মৰ্মে ২০ জুলাইত পৰৱৰ্তী ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰা হ'ব। সেই নিয়ম পালন কৰিয়ে ১০ পৃষ্ঠাত চাওক



■ ভাৰত-বাংলাদেশ সীমান্তৰ শ্লুইছগেট কাৰ্যক্ষম কৰাৰ নিৰ্দেশ

## বৰাক উপত্যকাৰ বান নিয়ন্ত্ৰণ ব্যৱস্থাৱলীৰ পৰিদৰ্শন মন্ত্ৰী পীযুষৰ

**বিশেষ সংবাদদাতা**
**শিলচৰ, ২০ জুলাই ঃ** তিনিদিনীয়া কাৰ্যসূচীৰে বৰাক উপত্যকালৈ অহা জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি কাছাৰ জিলাৰ কে'বাটাও স্থান ভ্ৰমণ কৰি জিলাখনত বান নিয়ন্ত্ৰণৰ বাবে ল'বলগা ব্যৱস্থাসমূহৰ বুজ লয়। প্ৰথমতে মন্ত্ৰীজনে জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী পীৰ নগৰ অঞ্চলত থকা বলেশ্বৰ আৰু ফুচকাইন শ্লুইচ গেট পৰিদৰ্শন কৰে। কাৰ্যক্ষম হৈ নথকা এই শ্লুইচ গেট ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, ২১ জুলাই, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

# নগাঁৱত জাপানী এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ৩৫ জনলৈ বৃদ্ধি

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ জুলাই ঃ** নগাঁও জিলাত জাপানী এনকেফেলাইটিছ ৰোগে ভয়াবহ ৰূপ ধাৰণ কৰিছে। ইতিমধ্যে জিলাখনত এই ৰোগত আক্ৰান্তৰ সংখ্যা ৩৫ গৰাকীলৈ বৃদ্ধি পাইছে। জাপানী এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে বুলিও আশংকা কৰা হৈছে। ফলত জাপানী এনকেফেলাইটিছক লৈ জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগ উদ্বিগ্ন হৈ পৰিছে। জিলাখনত ৩৫ গৰাকী লোক জাপানী এনকেফেলাইটিছত ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ বিশেষ আদালতৰ ৰায়দান

# শিশু ধৰ্ষণকাৰীক পস্ক' আইনৰ অধীনত পাঁচ বছৰ সশ্ৰম কাৰাদণ্ড

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ জুলাই ঃ** আজি নগাঁৱৰ বিশেষ ন্যায়ধীশ ইঙ্গিতা বৰঠাকুৰৰ আদালতে এক ৰায়দানযোগে নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত মাগুৰমাৰীৰ জমিৰ আলী নামৰ লোক ছয় পৃষ্ঠাত চাওক

# বৰহোলাৰ শিলডুবিত অ' এন জি চিৰ বিৰুদ্ধে অনিৰ্দিষ্টকালীন পথ অৱৰোধ ৰাইজৰ

### গড়াজানৰ পৰা ন-পাম সংযোগী বিধ্বস্ত পথ মেৰামতিৰ দাবী



**বিশেষ সংবাদদাতা**

**নগাবাট, ২০ জুলাইঃ** অ' এন জি চিৰ চূড়ান্ত প্ৰৱঞ্চনাত ক্ষুব্ধ হৈ আজি বৰহোলাৰ শিলডুবিত স্থানীয় ৰাইজে অনিৰ্দিষ্টকালীন পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। বৰহোলাৰ গড়াজানৰ পৰা ন-পাম সংযোগী বিধ্বস্ত পথটো অ' এন জি চিক মেৰামতিৰ দাবী জনাই আজি পুৱাৰে পৰা ৰাইজে অনিৰ্দিষ্টকালীন পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদী ৰাইজে পথৰ মাজত বাঁহ বান্ধি অ' এন জি চিৰ সকলো যান-বাহনৰ চলাচল বন্ধ কৰি দিয়ে। ফলত বহু সংখ্যক টেংকাৰ আৰু কামলৈ অহা অ' এন জি চিৰ বিষয়াসকল পথৰ কাষতে ঘণ্টাৰ পাছত ঘণ্টা অপেক্ষা কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে বৰহোলাৰ শিলডুবিত আছে অ' এন জি চিৰ জি জি এছ, জি চি পিকে ধৰি কে'বাটাও তৈল খাদ। সেয়ে গড়াজান - ন, পাম পথেৰে সঘনে অহা-যোৱা হয় অ' এন জি চিৰ ছয় পৃষ্ঠাত চাওক

## মৰিগাঁৱৰ কুশতলীৰ দুৰ্ভগীয়া পৰিয়ালৰ গৃহত কংগ্ৰেছৰ সঁজাতী দল

# মৃতকৰ পৰিয়ালক সমবেদনা জনাব লাগিছিল মুখ্যমন্ত্ৰীয়ে

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও/লাহৰীঘাট, ২০ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলীত আজি বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াৰ নেতৃত্বত এটি চাৰি-পাঁচজনীয়া কংগ্ৰেছৰ বিধায়কৰ দল উপস্থিত হৈ মণিপুৰৰ ভূমিস্খলনত নিহত কুশতলী খোৱাগোসাঁইবড়ী গাঁৱৰ যুৱকসকলৰ শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ বৰ্তমান পৰিস্থিতিৰ বুজ লয়। দলটোৱে খোৱাগোসাঁইবড়ী গাঁৱত উপস্থিত হোৱাত লাহৰীঘাট ব্লক কংগ্ৰেছে আদৰণি জনায়। তাৰ পাছতে দলটোৱে অঞ্চলটোৰ প্ৰতিজন মৃতকৰ ঘৰত উপস্থিত হৈ পৰিয়ালৰ সদস্যসকলক সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে মণিপুৰৰ ভূমিস্খলন কাণ্ডত নিহত কুশতলী খোৱাগোসাঁইবড়ী গাঁৱৰ দুৰ্ভগীয়া যুৱকসকলৰ পৰিয়ালৰ ভগা জুপুৰিত এতিয়াও বুকু ভঙা বেদনাৰ উচুপনিয়ে অঞ্চলটো শোকস্তব্ধ কৰি ৰাখিছে। বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, কংগ্ৰছ বিধায়ক ক্ৰমে দিগন্ত বৰ্মন, প্ৰদীপ সৰকাৰ, যাদৱ স্বৰ্গীয়াৰী আৰু স্থানীয় বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰে উপস্থিত হৈ ভূমিস্খলনত নিহত শ্ৰমিকসকলৰ পৰিস্থিতি সম্পৰ্কে স্থানীয় লোকৰ স'তে মত বিনিময় কৰে। তাৰ পাছত মৃতকৰ পৰিয়ালৰ ঘৰে ঘৰে গৈ কি পৰিস্থিতিত পৰি লোকসকল এনেদৰে গাঁও এৰি মণিপুৰলৈ যাব লগা হ'ল সেই সম্পৰ্কে পৰিয়ালৰ সদস্যৰ পৰা বুজ লৈ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিৰোধী দলপতি শইকীয়াই কয় যে পঞ্চায়ত ব্যৱস্থাৰ উপৰি এই লোকসকলে তিৰা স্বায়ত্ত পৰিষদৰ পৰাও উপকৃত হোৱা নাছিল। যাৰ বাবে পেটৰ ভাতমুঠিৰ সন্ধানত তেওঁলোক মণিপুৰৰ বিপদ সংকুল স্থানত জীৱিকাৰ সন্ধানত গৈছিল। ভূমিস্খলনত দুৰ্ঘটনাটোত নিহত দুখীয়া শ্ৰমিকসকলক মণিপুৰ চৰকাৰে ক্ষতিপূৰণ ঘোষণা কৰিছে যদিও অসম চৰকাৰেও নিজাকৈ ক্ষতিপূৰণ দিয়াটোৰ প্ৰয়োজন আছিল। তদুপৰি তেওঁলোক ৰেল বিভাগৰ দৰে ৰাষ্ট্ৰীয় প্ৰকল্পত যিহেতু কাম কৰিবলৈ গৈছিল, এই ক্ষেত্ৰত ৰেল বিভাগেও তেওঁলোকক ক্ষতিপূৰণ দিয়াটো যুক্তিসংগত আছিল আৰু কেন্দ্ৰীয় চৰকাৰৰ ছয় পৃষ্ঠাত চাওক



চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাক কমৰীৰ চন্দ্ৰনাথ শৰ্মা স্মাৰক বঁটা প্ৰদান, বুধবাৰে।



# গড়কাপ্টানী পথ বিধ্বস্ত কৰি পাইপ লাইনৰ কাম কৰিছে ঠিকাদাৰে

### বলদমাৰী চৰত জল জীৱনৰ কামত আইৰণযুক্ত বল্ডাৰ-নিম্নমানৰ ইটা ব্যৱহাৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২০ জুলাই ঃ** মুখ্যমন্ত্ৰীৰ দুৰ্নীতি বিৰোধী স্থিতিক অংগুষ্ঠ প্ৰদৰ্শন কৰি সম্প্ৰতি গোৱালপাৰা জিলাত জল জীৱন মিছনৰ কামত একাংশ ঠিকাদাৰে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। শেহতীয়াভাৱে গোৱালপাৰা চহৰৰ নিকটৱৰ্তী তিনি নম্বৰ বলদমাৰী চৰৰ ৰামহৰি পাৰাত নতুনকৈ নিৰ্মাণ কৰি থকা পাইপ পানী যোগান আঁচনিৰ কামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। অঞ্চলটোৰ প্ৰতিঘৰ ৰাইজক বিশুদ্ধ খোৱা পানী যোগানৰ লক্ষ্যৰে চৰকাৰে জল জীৱন মিছনৰ অধীনত এটা নতুন পানী যোগান আঁচনি নিৰ্মাণৰ বাবে এক কোটি ৫৯ হেজাৰ টকা আবন্টন দিছে। কিন্তু নিৰ্মাণ কাৰ্যৰ নামত দায়িত্বৰত ঠিকাদাৰ মেছাৰ্ছ এম পি আগৰৱালাই প্ৰককলনক অংগুষ্ঠ প্ৰদৰ্শন কৰি অতি নিম্নমানৰ আইৰণযুক্ত ছয় পৃষ্ঠাত চাওক

# বানপীড়িতক সাহায্য বিতৰণৰ নামত স্বজন-তোষণ, দুৰ্নীতি-অনিয়ম

### দুৰ্নীতিৰ অভিযোগ তুলি কচুৱাত পঞ্চায়ত কাৰ্যালয় ঘেৰাও কৰিলে গাঁৱৰ বানপীড়িতই

**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ২০ জুলাই ঃ** নগাঁও জিলাৰ কচুৱাৰ লংজাপ পঞ্চায়তত আজি তীব্ৰ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। চৰকাৰে দিয়া ৩৮০০ টকা প্ৰকৃত হিতাধিকাৰীয়ে নোপোৱাত লংজাপ গাঁও পঞ্চায়ত ঘেৰাও কৰে উত্তেজিত বানাক্ৰান্ত ৰাইজে। লংজাপ পঞ্চায়তৰ পশ্চিম লংকা গাঁও, সৰু শালনি আৰু মাজ লংকা গাঁও বানৰ কৱলত থকাৰ পাছতো চৰকাৰী ৩৮০০ টকাৰ সাহায্য নোপোৱাত ক্ষোভিত হৈ পৰে উত্তেজিত ৰাইজ। পঞ্চায়তখনৰ সভাপতি, সম্পাদকৰ লগতে সকলো কৰ্মচাৰীকে আবদ্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে ক্ষোভিত জনতাই। পঞ্চায়তখনত তলা ওলমাই দিয়ে উত্তেজিত লোকসকলে। উল্লেখ্য যে পঞ্চায়তখনৰ সভানেত্ৰী ৰেখামণি বৰাৰ পৰিয়ালৰ লোকসকলে পানী নোসোমোৱাকৈ টকা পোৱাত ক্ষোভিত হৈ পৰে



উত্তেজিত লোকসকল। পঞ্চায়ত সভানেত্ৰীগৰাকীক দীৰ্ঘ সময় ধৰি আবদ্ধ কৰি ৰাখে ছয় পৃষ্ঠাত চাওক

# প্ৰবীণ নাট্যশিল্পী নাজিম আহমেদলৈ 'বাণ থিয়েটাৰ বঁটা'



**ষ্টাফ ৰিপ'ৰ্টাৰ**


**তেজপুৰ, ২০ জুলাই ঃ** ৰাজ্যৰ অপেছাদাৰী নাট্যক্ষেত্ৰখনৰে সুদীৰ্ঘকাল জড়িত তথা প্ৰবীণ শিল্পী নাজিম আহমেদলৈ আগবঢ়োৱা হ'ব 'বাণ থিয়েটাৰ বঁটা'। আজি এক সংবাদমেলত এই কথা ঘোষণা কৰিছে ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰ কৰ্তৃপক্ষই। উল্লেখ্য যে ১১৬ বছৰীয়া ঐতিহ্যৰে গৰিমামণ্ডিত তেজপুৰৰ বাণ থিয়েটাৰ কৰ্তৃপক্ষই ২০২২ - ২৩ৰ 'বাণ থিয়েটাৰ বঁটা' অহা ৩১ জুলাইৰ সন্ধিয়া প্ৰদান কৰিব ৰাজ্যৰ অপেছাদাৰী নাট্য আন্দোলনৰ উত্তৰ পাৰৰ অন্যতম যোদ্ধা, লখিমপুৰ নিবাসী চৈয়দ নাজিম আহমেদক। উল্লেখ্য যে বিগত বছৰৰ দৰে এইবাৰো ৩১ জুলাইৰ নটসূৰ্য ফণী শৰ্মাৰ স্মৃতি দিৱসৰ লগত সংগতি ৰাখি পাঁচদিনীয়াকৈ বাণ থিয়েটাৰত আয়োজন কৰিবলৈ লোৱা 'নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী নাট সমাৰোহ' বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। আজি বাণ থিয়েটাৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰীয়ে 'বাণ থিয়েটাৰ বঁটা' নাজিম আহমেদৰ দৰে নিষ্ঠাবান প্ৰবীণ ছয় পৃষ্ঠাত চাওক


# ভূৰাগাঁৱত ৩০টা গৰুসহ ট্ৰাক জব্দ নগাঁও গোশালালৈ প্ৰেৰণ গো ধন

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ২০ জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষীয়ে যোৱা নিশা এক বিশেষ সূত্ৰৰ পম খেদি ভূৰাগাঁও থানাৰ অন্তৰ্গত পাত্ৰবড়ীত এখন গৰুভৰ্তি ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। ভূৰাগাঁও থানাৰ সহকাৰী উপ-পৰিদৰ্শক পংকজ বৰাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে ভূৰাগাঁৱৰ পৰা মৰিগাঁও অভিমুখে গৈ থকা এ এছ-০১ পি চি- ০১১৪ নম্বৰৰ ট্ৰাকখন পাত্ৰবড়ীত জব্দ কৰিবলৈ সক্ষম হয়। ট্ৰাকখনত ছয় পৃষ্ঠাত চাওক

# বোকাজানৰ বৰপথাৰত কোটি টকা মূল্যৰ হেৰ'ইনসহ এজনক আটক





**অগ্ৰদূত বাৰ্তা**


**বোকাজান, ২০ জুলাই ঃ** বোকাজান মহকুমাৰ অন্তৰ্গত বৰপথাৰ থানাৰ অধীনস্থ খাকৰাজানত আজি আৰক্ষী আৰু চিআৰপিএফ বাহিনীৰ যৌথ অভিযানত বৃহৎ পৰিমাণৰ হেৰ'ইনসহ জালত পৰে এজন সৰবৰাহকাৰী। আৰক্ষীৰ সূত্ৰ অনুসৰি এক বিশেষ খবৰৰ ভিত্তিত মহকুমা আৰক্ষী বিষয়াজন দাসৰ নেতৃত্বত বৰপথাৰ আৰক্ষী আৰু ২০ নম্বৰ চিআৰপিএফৰ বাহিনীয়ে খাকৰাজানত বিশেষ তালাচী চলায়। তালাচীৰ সময়ত এনএল-০৭ ই বি-০৫৫৬ নম্বৰৰ এখন স্কুটী তালাচী চলাই ডিকিত এটা বেগত সোমোৱাই অনা ৩০ টা চাবোনৰ বাকচৰ পৰা ৩২৩ গ্ৰাম নিষিদ্ধ হেৰ'ইন উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে সদৰী কৰা মতে ছয় পৃষ্ঠাত চাওক

# শ্ৰীশ্ৰীকালশিলা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ তথা সত্ৰীয়া সংস্কৃতিৰ সাধক মদন চন্দ্ৰ মহন্তৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২০ জুলাই ঃ** মৰিগাঁও চহৰৰ সমীপৰ নাওকটাস্থিত শ্ৰীশ্ৰীকালশিলা সত্ৰৰ সত্ৰাধিকাৰ, ধৰ্মপ্ৰাণা ব্যক্তি, বিশিষ্ট সত্ৰীয়া সাধক মদন চন্দ্ৰ মহন্তৰ আজি পুৱা ৮-৩০ বজাত নাওকটাৰ নিজ বাসভৱনত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত আক্ৰান্ত হৈ মৃত্যু হোৱা সত্ৰাধিকাৰজনৰ বয়স হৈছিল ৯৭ বছৰ। সৰুৰে পৰা সত্ৰীয়া সংস্কৃতিৰ চৰ্চাৰ লগত জড়িত হৈ অহা মহন্ত এজন অমায়িক আৰু সৰবৰহী স্বভাৱৰ ধৰ্মপ্ৰাণ ব্যক্তি আছিল দীৰ্ঘদিন ধৰি নাওকটাৰ ঐতিহাসিক শ্ৰীশ্ৰীকালশিলা সত্ৰৰ সত্ৰাধিকাৰ হিচাপে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ব্ৰতী হৈ অহা বুঢ়া সত্ৰাধিকাৰজনৰ মৃত্যুত অঞ্চলটোৰ লগতে সত্ৰৰ ভকত বৈষ্ণৱৰ মাজত শোকৰ ছাঁ পৰিছে। আজি দুপৰীয়া ভকত-বৈষ্ণৱৰ লগতে আত্মীয়-স্বজন, অনুৰাগীৰ উপস্থিতিত সত্ৰীয়া সংস্কৃতিৰ পৰম্পৰাৰে সত্ৰাধিকাৰজনৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। মৃত্যুৰ সময়ত সত্ৰাধিকাৰজনে পত্নীসহ এজন পুত্ৰ-বোৱাৰী, পাঁচজন জী-জোঁৱাই নাতি-নাতিনীসহ বহু আত্মীয়- স্বজন আৰু গুণমুগ্ধক এৰি গৈছে।

# বাদুলিপাৰৰ উজনি বহুপথাৰত খাৰুৱা তেলৰ পাইপ ফুটাই তেল চুৰি দুষ্টচক্ৰৰ



**খুমটাই, ২০ জুলাই ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বাদুলিপাৰত দেশৰ বৃহৎ তৈল প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ দুলীয়াজানৰ পৰা বাৰাউনীলৈ যোৱা খাৰুৱা তেল পৰিৱাহী পাইপ ফুটাই সংগোপনে দুটাকৈ ভালভ স্থাপন কৰি দীৰ্ঘদিন ধৰি ছয় পৃষ্ঠাত চাওক

## উন্নয়নৰ নামত লুণ্ঠন একাংশ পঞ্চায়ত প্ৰতিনিধিৰ

# হোজাইত এম জি এনৰেগা আঁচনি ৰূপায়ণৰ নামত চৰম দুৰ্নীতি



**অগ্ৰদূত বাৰ্তা**

**কাকী, ২০ জুলাই ঃ** গ্ৰামাঞ্চলৰ দৰিদ্ৰ লোকসকলৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত প্ৰৱৰ্তিত পঞ্চায়তীৰাজ ব্যৱস্থাত প্ৰকৃততে গাঁৱৰ লোকসকল উপকৃত হৈছেনে সেয়া এক বৃহৎ প্ৰশ্ন হিচাপে দেখা দিছে। হোজাই জিলাৰ লামডিং সমষ্টিৰ উদালী উন্নয়ন খণ্ডত সম্প্ৰতি তেনে এক ছবিয়েই দেখিবলৈ পোৱা গৈছে। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তসমূহত ৰূপায়িত এম জি এনৰেগাৰ কামত চৰম দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত এক নম্বৰ কাকী গাঁও পঞ্চায়তৰ দুই নম্বৰ ৱাৰ্ডৰ এটি পথৰ উন্নয়নৰ নামত এম জি এনৰেগা আঁচনিৰ জৰিয়তে গাঁও পঞ্চায়তৰ অধীনত ২০২১-২২ত সাত লাখ ছয় হেজাৰ ৬০ টকা অনুমোদিত হয়। কিন্তু অতি পৰিতাপৰ কথা যে পথটিৰ ৰূপ দেখিলেই সহজেই অনুমান কৰিব পাৰি যে পথটিৰ নিৰ্মাণৰ নামত ব্যয় কৰা ধনৰ পৰিমাণ। দৰাচলতে নিৰ্মাণ কৰা পথটি এটা পথ নহয়, যেন এটা ছয় পৃষ্ঠাত চাওক

# ৰংজুলি আৰক্ষীয়ে খেদি খেদি জব্দ কৰিলে চোৰাং কাঠসহ বাহন

### আৰক্ষীৰ জালত পৰিল চাৰিজনকৈ চোৰাং কাঠৰ বেপাৰী



**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২০ জুলাই ঃ** চোৰাং কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে এইবাৰ বন বিভাগ নহয়, ৰংজুলি আৰক্ষীয়ে চলালে তীব্ৰ অভিযান। নিশা ৰংজুলি আৰক্ষীয়ে খেদি খেদি জব্দ কৰে চোৰাং কাঠ সৰবৰাহ কৰা বাহনসহ চোৰাং চেগুন কাঠ। যোৱা নিশা ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথত টহল দি থকা ৰংজুলি আৰক্ষীয়ে এখন 'টাটা যোদ্ধা' বাহন সন্দেহবশতঃ ৰখাবলৈ নিৰ্দেশ দিয়ে যদিও আৰক্ষীৰ নিৰ্দেশক অমান্য কৰি তীব্ৰ গতিত পলাই যাবলৈ চেষ্টা কৰে। আৰক্ষীয়েও লগে লগে খেদি যায়। অৱশেষত খেদি ছয় পৃষ্ঠাত চাওক

# গাড়ী চুৰি চক্ৰৰ মাষ্টাৰ মাইণ্ড কামাখ্যা মৰাণ টিংৰাই আৰক্ষীৰ জিম্মাত

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ২০ জুলাই ঃ** উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত গাড়ী- মটৰ চাইকেল চুৰি কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি অহা আন্তঃৰাজ্যিক গাড়ী চুৰি চক্ৰৰ মাষ্টাৰ মাইণ্ড কামাখ্যা মৰাণ (২৩) সম্প্ৰতি টিংৰাই আৰক্ষীৰ জিম্মাত। উল্লেখ্য যে যোৱা তিনি জুলাইত টিংৰাই আৰক্ষী চকীৰ অন্তৰ্গত জোন গগৈ নামৰ এজন ব্যৱসায়ীৰ কমাৰ্চিয়েল কমপ্লেক্স পৰা এএছ-০৬ ডব্লিউ-১২১১ নম্বৰৰ এখন স্কৰপিঅ' চুৰি হৈছিল। গাড়ী চুৰিৰ সন্দৰ্ভত জোন গগৈয়ে টিংৰাই আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল। ভুক্তভোগীৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৩৭৯ ধাৰাত (গোচৰ নম্বৰ-১৪০/২২) এটা গোচৰ পঞ্জীয়ন কৰিছিল। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। টিংৰাই আৰক্ষীৰ তথ্যৰ ভিত্তিত পেঙেৰী আৰক্ষীয়ে অভিযান চলাই যোৱা ১৪ জুলাইত পেঙেৰীৰ ছয় পৃষ্ঠাত চাওক

# গোৱালপাৰাৰ ডুবাপাৰা লুপ্তচৰত স্বামীয়ে ঘপিয়াই হত্যা কৰিলে পত্নীক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২০ জুলাই ঃ** গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ডুবাপাৰা লুপ্তচৰ গাঁৱৰ ময়নুদ্দিনৰ পুত্ৰ জহিৰুল ইছলামে আজি পত্নীক ডিঙি কাটি হত্যা কৰাৰ ঘটনাই অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, জহিৰুলে আজি পুৱা আঠ বজাত নিজৰ ৰান্ধনি ঘৰতে পত্নী আঞ্জেৰা খাতুনক খুকুৰিৰে ডিঙিত ঘপিয়াই হত্যা কৰে। ঘটনাৰ বিষয়ে অৱগত হৈ মৰনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কৃষ্ণকাম বৰদলৈয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰি সোধ-পোছৰ বাবে জহিৰুলৰ পিতৃ-মাতৃক থানালৈ নিয়ে। ইপিনে, ঘাতক স্বামী জহিৰুলে হত্যাকাণ্ড সংঘটিত কৰিয়ে পলায়ন কৰা সময়ত ঘৰৰ ওচৰতে জংঘলৰ মাজত পেলাই থৈ যোৱা খুকুৰিখন উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ নি মৰণোত্তৰ পৰীক্ষা কৰি অন্তিম সৎকাৰৰ বাবে পৰিয়ালক চমজাই দিয়ে। নিশা পৰ্যন্ত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে যদিও জহিৰুলক ছয় পৃষ্ঠাত চাওক

# নগাঁৱত মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি উন্মোচন



### ■ নিজৰ মাতৃভাষাত অধ্যয়ন কৰিলে ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিমত্তা প্ৰকাশ পাব ঃ কুলধৰ শইকীয়া

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ জুলাই ঃ** 'বহু সময়ত আমি ভাবো অসমীয়া ভাষাক, অসমীয়া সাহিত্যক, ভাল পাব লাগিলে খাচ অসমীয়া মানুহ হ'ব লাগিব। এই কথাষাৰ শুদ্ধ নহয়। যি মানুহৰ অন্তৰত অসমে বাসস্থান লৈছে, সেইজন মানুহৰ কাৰণেহে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি। সেই মানুহজন আমেৰিকা, লণ্ডন ক'ৰ পৰা আহিছে সেইটো আমাৰ বোধগম্য নহয়। মূল কথা হ'ল তেওঁৰ অন্তৰত অসমীয়া ভাষাই স্থান পাইছে নে নাই।' এই মন্তব্য অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ। আজি নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সাংসদ পুঁজিৰে নগাঁও মিছন চৌহদত নিৰ্মাণ কৰা অসমীয়া ভাষা সাহিত্যৰ উত্তৰণৰ কাণ্ডাৰী ড° মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি উন্মোচন কৰি দিয়া ভাষণত ড° শইকীয়াই এই মন্তব্য কৰি লগতে আৰু কয় যে মাইলছ ব্ৰনছন অসম এৰি যাব নোখোজা মানুহ আছিল। অসম এৰি যোৱাৰ সময়ত মাইলছ ব্ৰনছনে লিখি থৈ গৈছিল, 'মই অসম এৰি গ'লেও মোৰ হিয়া অসমতে থাকি যাব।' তেওঁ কয় বাহিৰৰ মানুহ এজন অসমীয়া ভাষাটোৰ প্ৰতি কিমান ছয় পৃষ্ঠাত চাওক

# চিৰাঙত দিন দুপৰতে আৰপিএফৰ নিৰাপত্তাৰ মাজতে ৰেলৰ পৰা তেল চুৰি



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২০ জুলাই ঃ** আৰপিএফৰ নিৰাপত্তাৰ মাজতে চিৰাঙৰ বৰতালোৱাত দিন দুপৰতে ৰেলৰ পৰা তেলচুৰি কাণ্ড সংঘটিত হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ মতে, নিতৌ এইদৰে ৰেলৰ স'তে আৰপিএফৰ নিৰাপত্তা থকাৰ পাছতো সংঘটিত হৈ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
২১ জুলাই বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫

**সেইদিনা মোৰ লেখাটো ‘দৈনিক অগ্ৰদূত’ত প্ৰকাশ হোৱা খবৰটো প্ৰথমে পৰেশ বৰুৱাৰ জৰিয়তেই জানিব পাৰিছিলো, কাৰণ তেতিয়ালৈকে মহানগৰীৰ হকাৰে পুৱাৰ বাতৰি কাকতখন বিলোৱা নাছিল...**

# চৰকাৰ-আলফা (স্বাধীন)ৰ শান্তি আলোচনাৰ পথ প্ৰশস্ত হৈ আছেনে?

## আৰু এজনো অসমীয়া তেজাল যুৱকৰ তেজৰ চেকুৰা চাব বিচৰা নাই অসমীয়া ৰাইজে



**মিহিৰ কুমাৰ বৰুৱা**

**দুই** জুন, ২০১৮ৰ এই কাকতৰ প্ৰাসংগিক/অপ্ৰাসংগিক শীৰ্ষক এই লেখকৰ নিয়মীয়া স্তম্ভত ‘আলফাৰ শান্তি চুক্তিৰ প্ৰাক্ মুহূৰ্তৰ চিন্তা’ শিৰোনামাৰে এটি তথ্য সমৃদ্ধ লেখা প্ৰকাশ পাইছিল। এই লেখাটো পঢ়ি সেইদিনাই পুৱা ৬-১৫ত আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই মোলৈ ফোন কৰিছিল। তেওঁ সেই সময়ত কোন ঠাইৰ পৰা ফোন কৰিছিল তাক জনাৰ উপায় নাছিল আৰু ময়ো জানিব বিচৰা নাছিলো। মাথোঁ জানিছিলো তেওঁ ফোন কৰা নম্বৰটো এটা চেটেলাইট ফোনৰ। সেইদিনা মোৰ লেখাটো ‘দৈনিক অগ্ৰদূত’ত প্ৰকাশ হোৱা খবৰটো প্ৰথমে পৰেশ বৰুৱাৰ জৰিয়তেই জানিব পাৰিছিলো, কাৰণ তেতিয়ালৈকে মহানগৰীৰ হকাৰে পুৱাৰ বাতৰি কাকতখন বিলোৱা নাছিল।

যি কি নহওক, ম'বাইলত পৰেশ বৰুৱা বুলি চিনাকি দিয়াৰ পাছত প্ৰথমেই তেওঁক সুধিছিলো— মোৰ লেখাটো আপুনি ক'ত পঢ়িলে? পৰেশ বৰুৱাৰ উত্তৰ— ‘দৈনিক অগ্ৰদূত’ত। কেনেকৈ পঢ়িলে ইমান পুৱাই ? তেওঁৰ উত্তৰ ইণ্টাৰনেটত। তেওঁ আৰু ক'লে— ইতিমধ্যে আটাইবোৰ অসমীয়া বাতৰি কাকত পঢ়ি মই শেষ কৰিলো। অতি উৎসুকতাৰে পুনৰ মই তেওঁক সুধিছিলো, আপুনি হঠাৎ আজি মোলৈ ফোন কৰাৰ উদ্দেশ্য কি? তেওঁৰ উত্তৰ—মই নিতৌ একোজন সাংবাদিকক বা লেখকক ফোন কৰি ৰাজ্যখনৰ বিভিন্ন বিষয়ক লৈ মুকলিকৈ কিছু কথা পাতো। সেয়েহে আজি আপোনাৰ স'তে কিছু কথা পাতো বুলি ভাবিলো। মোৰ সঁহাৰি পাই পৰেশ বৰুৱাই আলোচনা আৰম্ভ কৰিলে। ‘দৈনিক অগ্ৰদূত’ত প্ৰকাশিত লেখাটোৰ ওপৰত সামান্য বাক-বিতণ্ডা হ'ল যদিও লেখাটোৰ কিছু আলোচনা তেওঁ এৰাই চলা দেখা গ'ল। কথা প্ৰসংগত মই তেওঁক সুধিছিলো— মোৰ তথ্য সমৃদ্ধ লেখাটোৰ কোনটো বিষয়ে আপোনাক মোলৈ ফোন কৰিবলৈ বাধ্য কৰালে? তেওঁৰ উত্তৰ— প্ৰতিটো বাক্যই। উক্ত লেখাটোত মই উল্লেখ কৰিছিলো পৰেশ বৰুৱাক একাষৰীয়াকৈ ৰাখি ভাৰত চৰকাৰৰ লগত এচামে কৰিব ওলোৱা শান্তি আলোচনা জানো ফলপ্ৰসূ হ'ব? আলোচনাপন্থী আলফা নেতাসকলে পাঁচ আগষ্ট (২০১১)ত অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ উপস্থিতিত তদানীন্তন কেন্দ্ৰীয় মন্ত্ৰী পি চিদাম্বৰমৰ হাতত ৩২৫ পৃষ্ঠাৰ ১২ দফীয়া দাবী চনদ এখন উপস্থাপনৰ তথ্য সদৰী কৰিছিলো। সবিস্তাৰে প্ৰকাশ হোৱা দাবীসমূহৰ বিষয়ে আলোচনা কৰি আমি প্ৰশ্ন উত্থাপন কৰিছিলো— ইতিমধ্যে এই দাবীসমূহক লৈ অসমৰ বিভিন্ন জাতীয়তাবাদী সংগঠন আৰু আঞ্চলিক ৰাজনৈতিক দলবোৰে বিভিন্ন সময়ত আন্দোলন-আলাপ আলোচনা আদি কৰিয়েই আছে। তেনেস্থলত এই দাবীসমূহ পূৰণৰ স্বাৰ্থত এটা সশস্ত্ৰ সংগ্ৰামৰ নামত দুকুৰি বছৰ (এতিয়া ৪৩ বছৰ চলি আছে) অপব্যয় আৰু অসমৰ জনসাধাৰণ তথা তেজাল-যুৱক-যুৱতীসকলক লৈ তেজৰ ফাকু খেলা হ'ল কিয়? অৱশ্যে আজিৰ পৰা ১১ বছৰ পূৰ্বে অৰ্থাৎ ছয় আগষ্ট ২০১১ত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা আলোচনাৰ বিষয়ত সন্নিবিষ্ট পত্ৰখনতো সাৰ্বভৌমত্বৰ বিষয়ৰ উল্লেখ নাছিল বুলি বাতৰি কাকতত পঢ়িবলৈ পাইছিলো। তাৰ পৰিৱৰ্তে আলোচনীপন্থী আলফা নেতাসকলে দোহাৰে যে, অসম আৰু ভাৰতৰ মাজৰ সংঘাত সন্মানজনক অৰ্থপূৰ্ণ আলোচনাৰ জৰিয়তে শান্তিপূৰ্ণভাৱে সমাধান কৰা সম্ভৱ হ'ব, যদিহে সাৰ্বভৌমত্বৰ প্ৰশ্নটোক নতুনকৈ বিবেচনা কৰি অসমৰ মানুহৰ মৌলিক অধিকাৰসমূহ সুৰক্ষিত কৰা হয় আৰু নিজৰ আৰ্থ-সামাজিক বিকাশ, স্বকীয় আশা-আকাংক্ষা আৰু প্ৰয়োজনৰ ভিত্তিত ফলৱতী হয় যাতে নিজৰ অস্তিত্ব সুৰক্ষিত কৰাৰ উপৰি স্বকীয় প্ৰতিভাৰে নিজক বিকাশ কৰাৰ অৱকাশ থাকে। এই উদ্দেশ্য আগত ৰাখিয়েই ‘সংযুক্ত মুক্তি বাহিনী অসমে’ অসম আৰু ভাৰত চৰকাৰৰ মাজত আলোচনাৰ জৰিয়তে বহলভিত্তিত আৰু সুদূৰ প্ৰসাৰী সাংবিধানিক সংশোধনৰ প্ৰস্তাৱ আগবঢ়াইছে, যাতে এক সুনিৰ্দিষ্ট যুক্তিসন্মত সময় সীমাৰ ভিতৰত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক উত্তৰণৰ ব্যৱস্থা সম্ভৱ হ'ব পাৰে। এয়া অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰৰ স'তে ২০১১ৰ ছয় আগষ্টত হোৱা বৈঠকত আলোচনা পন্থী আলফা নেতৃত্বই আগবঢ়োৱা প্ৰস্তাৱৰ অংশ বিশেষ।

২০১৮ৰ দুই আগষ্টত প্ৰকাশিত মোৰ লেখাটোত ২০০৪ত ভাৰতৰ ৬৭ সংখ্যক স্বাধীনতা দিৱসত অংশগ্ৰহণ কৰিবলৈ যোৱা ধেমাজিৰ কণ, কণ ছাত্ৰ-ছাত্ৰীসকলক বোমা উৰুৱাই হত্যা কৰা খবৰ আদিয়ে স্থান পাইছিল— মৃত শিশুসকলৰ ফটোসহ। এনে ধৰণৰ বিভিন্ন তথ্য সম্বলিত খবৰ পঢ়ি পৰেশ বৰুৱাই মোলৈ ফোন কৰিছিল—মই যথাযথ উত্তৰ দি গৈছিলো। কৈছিলো— ধেমাজিৰ গণ হত্যাই হয়তো আলফাৰ ইতিহাসত জঘন্যতম-নিকৃষ্টতম আৰু কলংকিত অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ব। সেইদিনাৰ ডেৰঘণ্টীয়া টেলিফোনিক বাৰ্তাত মই এটা এটাকৈ উল্লেখ কৰি গৈছিলো— আলফা, ছালফা, গুপ্তহত্যা আদিৰ বিভীষিকাময় হত্যাযজ্ঞ কেতবোৰৰ শিহৰণকাৰী বৰ্ণনা।

আলফা-চৰকাৰৰ এসময়ৰ আলোচনাৰ বাবে গঠন কৰি দিয়া পিচিজি সদস্যসকলৰ মাজৰ ৰেৱতী ফুকন নিখোজ হৈ আছে বিগত ২২-৪-২০১৮ পৰা। এই বিষয়ত আলফা, আলোচনাপন্থী আলফা কিম্বা চৰকাৰ সকলো নিমাত। পৰেশ বৰুৱাই অসম-ভাৰত তথা বিশ্বৰ বুৰঞ্জীৰ বিভিন্ন উদাহৰণসহ আমাৰ বহু প্ৰশ্নৰ উত্তৰ সামগ্ৰিকভাৱেহে দিলে। সেইদিনাও কিন্তু স্বাধীন অসমৰ দাবী অবান্তৰ বুলি আমি যুক্তিসহ দাঙি ধৰাৰ পাছতো তেওঁ সাৰ্বভৌমত্বৰ কথা বাৰে বাৰে দোহাৰে আৰু ১৮২৬ৰ ইয়াণ্ডাবু সন্ধিৰ প্ৰসংগ টানি আনি ২০২৬ পৰ্যন্ত আমাক অপেক্ষা কৰিবলৈ অনুৰোধ কৰে। উক্ত সন্ধিমতে ইংৰাজে মানৰ হাতৰ পৰা আৰক্কান, মাৰ্টাবান, টেনাচোৰিম আৰু অসম দেশ দুশ বছৰৰ বাবে নিজৰ দখললৈ নিয়ে। এই সন্ধিপত্ৰত তেতিয়া আমাৰ অসম দেশ সম্পৰ্কে লিখা এটা দফা আছিল এনে ধৰণৰ— 'Article 2- His majesty the king of Ava renounces all claims upon, and will abstain from all future interference with; the Principality of Assam, and its dependencies, and also with the contiguous petty states of Cacher and Jayantia..'

এতিয়া কথা হ'ল যিগৰাকী পৰেশ বৰুৱাই আজি চাৰি বছৰ পূৰ্বে এই স্তম্ভ লেখকক স্পষ্টভাৱেই কৈছিল— আলোচনা সিদ্ধান্ত আদিৰ বাবে ২০২৬লৈ অপেক্ষা কৰিব লাগিব বুলি। সেই একেজন পৰেশ বৰুৱাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আন্তৰিকতাৰে আগবঢ়াই অহা শান্তি আলোচনাৰ প্ৰতি সঁচাকৈয়ে সঁহাৰি জনাবনে? অতীতৰ কথা বাদ দি পৰেশ বৰুৱাই এনে আন্তৰিকতা ভৰা আহ্বানৰ প্ৰতি সঁহাৰি জনোৱাটো উচিত বুলি আমি আজিও কওঁ।

সংযুক্ত মুক্তি বাহিনী, অসম গঠন হোৱাৰ পাছত ৰাজ্যখনত মুখ্যমন্ত্ৰী আহিল পাঁচগৰাকী। তেওঁলোক ক্ৰমে হিতেশ্বৰ শইকীয়া, প্ৰফুল্ল কুমাৰ মহন্ত, তৰুণ গগৈ, সৰ্বানন্দ সোণোৱাল আৰু ড° হিমন্ত বিশ্ব শৰ্মা। ড° হিমন্ত বিশ্ব শৰ্মাই ১০ মে' ২০১১ত মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰাৰ পাছৰে পৰাই ৰাজ্যখনত এক স্থায়ী শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ যি এক প্ৰয়াস আৰম্ভ কৰিছে ইয়াৰ আগতে কোনো এখন ৰাজ্য চৰকাৰে কিন্তু আলফা নেতৃত্বলৈ ইমান আন্তৰিকতাৰে আলোচনাৰ প্ৰস্তাৱ আগবঢ়োৱা কথা আমাৰ মনত নপৰে। অসমৰ নৱ-নিযুক্ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অকল অসম নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সমস্যা আৰু উগ্ৰবাদৰ কাৰক সম্পৰ্কে অধ্যয়ন কৰি তাক নিৰাময়ৰ উপায়ৰ কথা চিন্তা কৰা ব্যক্তি হিচাপে আজিৰ তাৰিখত চিহ্নিত হোৱা বুলি ক'ব পাৰি। কাৰণ, আমি আগৰ মুখ্যমন্ত্ৰীসকলক দেখিছো- তেওঁলোকে অসমৰ আলফাৰ সমস্যাটো সমাধানৰ বাবে গভীৰভাৱে চিন্তা কৰা দেখা নগ'ল। কিন্তু ইয়াৰ ব্যতিক্ৰম ড° হিমন্ত বিশ্ব শৰ্মা। তেওঁ শাসনলৈ আহিয়েই দুকুৰি তিনি বছৰীয়া এক সশস্ত্ৰ সংগ্ৰামৰ অন্ত পেলাবলৈ আন্তৰিকতাৰে আৰু মুকলিকৈ এক শান্তি আৰু ফলপ্ৰসূ আলোচনাৰ প্ৰস্তাৱ আগবঢ়ালে আলফা (স্বাধীন)ৰ সেনাধ্যক্ষ পৰেশ বৰুৱালৈ। সম্প্ৰতি অসমৰ জনসাধাৰণৰ ওচৰত এইটো এটা বৃহৎ প্ৰশ্ন—মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি পৰেশ বৰুৱাই সঁচাকৈয়ে সঁহাৰি জনাবনে? বিগত বছৰৰ জুনত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল যে পৰেশ বৰুৱাৰে শান্তি আলোচনা কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা হ'ব কেতবোৰ সৰু সৰু পদক্ষেপ। লগতে তেওঁ সদৰী কৰিছিল যে এই পদক্ষেপসমূহ সংবাদ মাধ্যমক আঁতৰত ৰাখি গ্ৰহণ কৰা হ'ব। ইয়াৰ যুক্তি দাঙি ধৰি তেওঁ কৈছিল যে, পৰেশ বৰুৱা যিহেতু দূৰত থাকে তেনেস্থলত আলোচনা প্ৰসংগত মুখ্যমন্ত্ৰীৰূপে তেওঁ কিবা এটা মন্তব্য কৰিলেই কেতবোৰ সংবাদ মাধ্যমে তেনে মন্তব্যক ভুল উপস্থাপন বা অপব্যাখ্যা কৰিব পাৰে আৰু কিছু ভুল বুজা-বুজিৰো সৃষ্টি হ'ব পাৰে। উল্লেখ্য যে ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰিত্বৰ প্ৰথম মাহতেই ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালৰ স'তে আলফাৰে আলোচনা প্ৰসংগত এক বৈঠকত মিলিত হোৱাৰ খবৰ আমি লাভ কৰো। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰস্তাৱিত শান্তি আলোচনা প্ৰসংগত তেতিয়াই এক গুৰুত্বপূৰ্ণ মন্তব্য কৰিছিল যে মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণৰ দিনাই যিহেতু দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ নামত শপত লৈছে। সেয়ে সাৰ্বভৌমত্বৰ নামত আপোচ কৰা নহ'ব, দেশৰ ভৌগোলিক অখণ্ডতা ৰক্ষা কৰি চলিব। ইয়াৰ বাবেই আলফা-চৰকাৰৰ শান্তি আলোচনাৰ প্ৰক্ৰিয়াটো হয়তো আগবাঢ়িব পৰা নাই। তথাপি মুখ্যমন্ত্ৰীয়ে এই ঋণাত্মক দিশটো বাদ দিও কিছু ধনাত্মক দিশৰ ওপৰতো আলোচনা হ'ব পাৰে বুলি আশাব্যঞ্জক মত পোষণ কৰিছে। আচলতে, মূল ধনাত্মক



দিশটো হ'ল আলফা-চৰকাৰ উভয়েই শান্তিৰ পক্ষত অৱস্থান কৰাটো। আনহাতে অসমৰ জনসাধাৰণেও যিকোনো মূল্যৰ বিনিময়ত এক স্থায়ী শান্তি বিচাৰিছে। এইবোৰ ঋণাত্মক-ধনাত্মক দিশ পৰ্যালোচনা কৰি যিকোনো প্ৰকাৰে এক অনুকূল বাতাবৰণ সৃষ্টিৰ জৰিয়তে দুয়োপক্ষৰ মাজত নিশ্চয় গোপনে প্ৰচেষ্টা অব্যাহত আছে।

প্ৰথম অৱস্থাত আলফাই অপহৰণ কৰা অএনজিচিৰ কৰ্মচাৰী ৰিতুল শইকীয়াৰ মুক্তিক লৈ মুখ্যমন্ত্ৰীজন কিছু চিন্তিত হৈছিল যদিও ৰিতুল শইকীয়াৰ মাজুলীৰ গৃহত উপস্থিত হৈ পৰিয়ালৰ লোকক সাক্ষাৎ কৰি তেওঁলোকৰ চোতালৰ পৰাই ৰিতুল শইকীয়াক মুক্তি দিবলৈ আহ্বান জনোৱাৰ পাছত ২২-৫-২০২১ তাৰিখে আলফাই ৰিতুল শইকীয়াক মুকলি কৰি দিয়ে। ৰিতুল শইকীয়াৰ মুক্তিক হৃদয়েৰে আদৰণি জনাইছিল মুখ্যমন্ত্ৰী ড° শৰ্মাই।

যোৱা কিছুদিন ধৰি আলফা (স্বাধীন) একপক্ষীয় যুদ্ধ বিৰতিত আছিল যদিও পুনৰ যুদ্ধ বিৰতি প্ৰত্যাহাৰ নকৰাকৈয়ে উজনি অসমত আলফা-আৰক্ষীৰ মাজত গুলীয়া-গুলি চলা খবৰবোৰ শুনি আহিছো। ৰিতুল শইকীয়াৰ মুক্তিৰ পাছতেই সকলোৰে আশা কৰিছিল যে বহু প্ৰত্যাশিত আলোচনাৰ দুৱাৰ এইবাৰ মুকলি হ'ব। বিগত দশকবোৰতো আলফাৰ স'তে আলোচনা প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে উদ্যোগ লৈছিল যদিও ফলাফল আছিল শূন্য। ১৯৯১ত হিতেশ্বৰ শইকীয়া আৰু তাৰ পৰৱৰ্তী সময়ত তৰুণ গগৈ চৰকাৰে আলফাৰ স'তে আলোচনাৰ প্ৰক্ৰিয়া চলোৱা মনত পৰে। মাজতে অসম গণ পৰিষদৰ ১০ বছৰীয়া শাসন কালত এই আলোচনাৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। ইয়াৰ বিপৰীতে গুপ্তহত্যাকে ধৰি আলফাৰ বিৰুদ্ধে কঠোৰ স্থিতিহে গ্ৰহণ কৰি সংগঠনটোক নিঃশেষ কৰাৰ পদক্ষেপহে গ্ৰহণ কৰা দেখিছিলো। ইয়াৰ বিপৰীতে তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰখনে জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক মামণি ৰয়ছম গোস্বামীক মধ্যস্থতাকাৰী হিচাপে লৈ আলফাৰ স'তে নতুনকৈ আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। আনহাতে এই প্ৰক্ৰিয়াৰ অংশ হিচাপে ২০০৫ত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া ন সদস্যযুক্ত পিচিজিয়ে বিশেষ ভূমিকা লৈছিল যদিও আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ ক'ৰবাত সন্দেহ ঘনীভূত হোৱাত সেই আলোচনা প্ৰক্ৰিয়াও কলিতে যতি পৰিল।

২০২১ৰ স্বাধীনতা দিৱসৰ দিনা আলফাই কোনো ধৰণৰ বন্ধ আদি ঘোষণা নকৰি এক যোগাত্মক দৃষ্টিভংগীৰ ইংগিত দিয়াৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বা শৰ্মাই আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাক মূল সুঁতিলৈ উভতি আহিবলৈ আহ্বান জনাইছিল। ১৫-৮-২০২১ৰ এখন কাকতৰ মতে আলফা-চৰকাৰৰ প্ৰত্যাহ্বানমূলক পৰিৱেশৰ মাজতে এক উমৈহতীয়া পথ মুকলি কৰি যাতে শান্তি আলোচনা আগবঢ়াব পাৰি তাৰ বাবে ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে কে'বাগৰাকীমান বিশেষ ব্যক্তিক অতি সংগোপনে আলোচনা প্ৰক্ৰিয়া আগবঢ়োৱাৰ দায়িত্ব দিছে। কিন্তু ইয়াৰ শেহতীয়া কোনো ধৰণৰ তথ্য আমাৰ হাতত নাই। সেই একে সময়তে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ অন্য সন্ত্ৰাসবাদী সংগঠনসমূহৰ লগতো যোগাযোগ কৰি অৱশেষত ২০২১ৰ ছেপ্টেম্বৰত সন্ত্ৰাসজৰ্জৰ কাৰ্বি আংলঙত কাৰ্বি চুক্তি সম্পাদন কৰে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ প্ৰচেষ্টাত।

নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙৰ উপস্থিতিত কাৰ্বি আংলং বিকাশৰ বাবে ১০০০ কোটি টকাৰ পেকেজ লৈ কেজিএলটিৰ তিনিটা গোট, ইউজিএলএ, কেএলএনএফ আৰু পিডিচিকে নামৰ বিদ্ৰোহী সংগঠনকেইটাই এক ঐতিহাসিক শান্তি চুক্তিত স্বাক্ষৰ কৰে। লগে লগে এই বিদ্ৰোহী সংগঠনকেইটাই অস্ত্ৰ সম্বৰণৰো সিদ্ধান্ত গ্ৰহণ কৰি জিলাখনলৈ স্থায়ী শান্তি ঘূৰাই অনাত বিশেষ অৰিহণা যোগায়।

শান্তিপূৰ্ণভাৱেই আৰ্থ-সামাজিক বিকাশৰ সূত্ৰ প্ৰয়োগৰ মাধ্যমেৰে উগ্ৰপন্থী দমনৰ ক্ষেত্ৰত এইদৰেই এখোজ আগবাঢ়ি গ'ল কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ। এইবাৰ লক্ষ্য ৪৩ বছৰীয়া আলফাৰ বৈচিত্ৰ্যময় সংগ্ৰামখনৰ শান্তিপ্ৰিয় সমাধানৰ ওপৰত। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰি থকা নেৰা-নেপেৰা চেষ্টাৰ মাজতে কিছু কেণা লাগিল দুয়োপক্ষৰ মাজত। আলফাৰ শিবিৰলৈ অসম আৰক্ষীৰ চোৰাংচোৱা হিচাপে যোৱা বুলি ধৰি লৈ বাইহাটা চাৰিআলিৰ যুৱক সঞ্জীৱ শৰ্মা আৰু বৰপেটাৰ যুৱক ধনজিৎ দাসক মৃত্যুদণ্ড দি চৰম শাস্তি দিয়াৰ পাছতে বিভিন্ন মহলত গুণ-গুণনি শুনা গ'ল— এই ঘটনাৰ বাবে আলফা (স্বাধীন) আৰু চৰকাৰৰ বহু প্ৰত্যাশিত শান্তি আলোচনা প্ৰক্ৰিয়া বিঘ্নিত হ'ব নেকি? আনহাতে, সদস্য দুজনক চৰম শাস্তি দিয়াৰ পাছতে সেনাধ্যক্ষ পৰেশ বৰুৱাই স্পষ্ট ভাষাৰে কৈছিল— ‘আমি কেতিয়াও আলোচনাত নবহো বুলি কোৱা নাই। ১৯৯১ৰ পৰাই মৰ্যাদাপূৰ্ণ আলোচনাৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰি আহিছো। কিন্তু আমাৰ যি বুৰঞ্জীপ্ৰসিদ্ধ মূল বিষয়, আমাৰ যি সাৰ্বভৌম স্বাধীন অসমৰ ন্যায্য অধিকাৰ, সেই বিষয়ক লৈ চৰকাৰে কথা পাতিলে আলোচনা হ'ব আৰু আৰু স্বাধীন সাৰ্বভৌম অসমক লৈ কথা নাপাতিলে আলোচনা নহয়...। আমি ন্যায্য অধিকাৰক লৈ আয়োজন কৰা মৰ্যাদাপূৰ্ণ আলোচনাক ধনাত্মক দৃষ্টিৰে চাওঁ....।’ পৰেশ বৰুৱাৰ এই বিবৃতিৰ সমান্তৰালকৈ অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰি দিয়ে যে অসম আৰক্ষীয়ে কোনো স্থানলৈ চোৰাংচোৱা নপঠিয়ায়। এক বিবৃতিত মুখ্যমন্ত্ৰীয়ে কয়— অসম আৰক্ষীয়ে কোনো স্থানলৈ চোৰাংচোৱা নপঠিয়াই আৰু অসম আৰক্ষীৰ সংবিধান আৰু আমাৰ নিয়মমতে শদিয়াৰ পৰা ধুবুৰীৰ বাহিৰলৈ আমি যাব নোৱাৰো। বিদেশী ৰাষ্ট্ৰলৈ যোৱাৰতো কোনো চিন্তাই কৰিব নোৱাৰে অসম আৰক্ষীয়ে। তেনেকুৱা কোনো ব্যৱস্থা অসম আৰক্ষীত নাথাকে।

শান্তি আলোচনাৰ বাট মোকলাই থকাৰ মাজতে সংঘটিত এই হৃদয় বিদাৰক ঘটনাই আলোচনা আগবাঢ়িব বুলি আশা পালি থকা ৰাইজক কিছু চিন্তিত কৰি তোলাৰ পাছত চৰকাৰৰ বাবে আন এক সমস্যা হ'ল— ৰাজ্যখনৰ বহু যুৱক-যুৱতীৰ পুনৰ আলফা গমন। আগতেও বহু যুৱক-যুৱতী আলফালৈ গৈছে কিন্তু এইবাৰ যেন কিছু ব্যতিক্ৰমী চিন্তাধাৰাৰ লোক গৈছে আলফাৰ সদস্য হ'বলৈ। সন্তানৰ মোহ এৰি পতি-পত্নী গৈছে, গায়ক গৈছে, ৰাষ্ট্ৰীয় খেলুৱৈ গৈছে, কম বয়সৰ ল'ৰা-ছোৱালী গৈছে। এই বাতৰিবোৰে চৰকাৰৰ গৃহ বিভাগকো উদ্বিগ্ন কৰি নোতোলা নহয়। আনকি আলফালৈ গুচি যোৱাৰ সম্ভাৱনীয়তাৰ বাবে উজনি অসমৰ কলেজীয়া ছাত্ৰী এগৰাকীক যোৱা দুমাহ ধৰি জেলত ভৰাই ৰাখিছে অসম চৰকাৰ তথা অসম আৰক্ষীয়ে।


আলফালৈ যোৱাতকৈ জেলতে থাক বুলি স্বয়ং অসম আৰক্ষীৰ মুৰব্বী ভাস্কৰজ্যোতি মহন্তই ৰাজহুৱা বক্তব্য ৰাখিছে। ভাস্কৰজ্যোতি মহন্তক অৱশ্যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো সমৰ্থন কৰি বক্তব্য ৰাখিছে আৰু ছাত্ৰীগৰাকীৰ মনৰ ভাৱ বুজিবলৈ আনকি চৰকাৰী বিষয়াই প্ৰেৰণ কৰা বুলিও ৰাজহুৱা মন্তব্য আগবঢ়াইছে। আনহাতে আলফা শিবিৰলৈ নতুন সদস্যৰ আগমনত তেওঁলোক যেনেকৈ উৎফুল্লিত অন্যহাতে চৰকাৰৰ গৃহ বিভাগক এই ক্ষেত্ৰত অধিক তৎপৰ হোৱা যেন অনুমান হয়। সেয়া যি কি নহওক— অসমৰ ৰাইজে আজি আলফাৰ এই দুকুৰি তিনি বছৰীয়া সশস্ত্ৰ সংগ্ৰামখনৰ এক মধুৰ পৰিসমাপ্তি বিচাৰিছে। আৰু এজনো অসমীয়া তেজাল যুৱকৰ তেজৰ চেকুৰা চাব বিচৰা নাই অসমীয়া ৰাইজে। সি লাগিলে সংগঠনৰেই সদস্য হওক কিম্বা সাধাৰণ নাগৰিকেই হওক। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো শাসনৰ ভাৰ লোৱাৰ দিনাৰ পৰাই আলফা (স্বাধীন)লৈ অহৰহ আহ্বান জনাই আহিছে আলোচনাৰ প্ৰতি সঁহাৰি জনাবৰ বাবে। আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱায়ো নিশ্চয় স্বীকাৰ কৰিব যে— এনেকৈ ইমান অন্তঃকৰণেৰে ইমান গভীৰভাৱে সমস্যাটোৰ ভিতৰত সোমাই পৰা মুখ্যমন্ত্ৰী হয়তো তেওঁৰ দীঘলীয়া সংগ্ৰামী জীৱনত পোৱা নাই। সেয়ে এক ফলপ্ৰসূ সমাধান সূত্ৰ উদ্ভাৱনৰ অৰ্থে এৰা-ধৰাৰ মাজেৰে আলোচনাত বহি এক নতুন অধ্যায়ৰ সূচনা কৰিবলৈ আহ্বান জনালো সংশ্লিষ্ট সকলো পক্ষলৈ।

ফোন ঃ ৬০০২৪০০৪৮৫

---

মানুহৰ মুখৰ শব্দৰ মহিমা

# টমাছ আলভা এডিছন



**এই** পৃথিৱীত শব্দৰ বৰ মহিমা আছে, কিছুমান শব্দই মানুহক গঢ়িব পাৰে, কিছুমান শব্দই মানুহক ধ্বংস কৰিব পাৰে। অৰ্থাৎ কিছুমান কথাই মানুহক যোগাত্মকৰূপে জীৱন গঢ় দিয়াত সহায় কৰে। কিছুমান শব্দই মানুহক হতাশ কৰে। বিয়োগাত্মক মনোভাৱৰ জন্ম দিয়ে। ক'বলৈ গ'লে কিছুমান শব্দই মানুহক মানুহ কৰি তোলে, পংগু হ'ব খোজা এজনকো মাউণ্ট এভাৰেষ্ট বগোৱাত সহায় কৰি দিয়ে আৰু কিছুমানৰ কথা বা শব্দই বহুত প্ৰতিভাৱান উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনাক নষ্ট কৰি ধ্বংসৰ গৰাহলৈ ঠেলি দিয়ে। সেয়ে মানুহক কথা কওঁতে শব্দ ব্যৱহাৰ কৰোতে সাৱধান হ'ব লাগে। যাতে মানুহৰ মুখৰ পৰা ওলোৱা শব্দই কাকো আঘাত নিদিয়ে, হতাশ নকৰে। মানুহৰ কথাই কেতিয়াবা হৃদয় ভাঙি দিয়াৰ উপক্ৰম হয়। এইবিলাক কথা মানৱীয় আৱেগ-অনুভূতিসম্পন্ন মানুহক বৰকৈ বুজাব লগা নহয়। বিশেষকৈ অভিভাৱক, পিতৃ-মাতৃ আৰু শিক্ষকসকলে সৰুসকলক কেনেকৈ কথা ক'ব লাগে বুজা উচিত।

আজি আমি কথাৰে গঢ় দিয়া এজন সফল মানুহৰ বিষয়ে ক'ম। যিজন মানুহ একমাত্ৰ তেওঁৰ মাকৰ যোগাত্মক আৰু মৰমৰ কথাকেইষাৰৰ বাবে আজি পৃথিৱী বিখ্যাত ব্যক্তি হৈ আজিও তেওঁৰ নাম আৰু কাম অমৰ হৈ আছে। টমাছ আলভা এডিছন এজন সমস্যাযুক্ত সন্তান আছিল। তেওঁৰ বৌদ্ধিক বিকাশ হোৱা নাছিল। পঢ়া-শুনা একেবাৰে আগবঢ়া নাছিল, শ্ৰেণীৰ বাকী



**ৰাজলক্ষ্মী শৰ্মা গোস্বামী**

ছাত্ৰৰ লগত তেওঁ পঢ়িব পৰা নাছিল, পৰীক্ষাতো সফল হ'ব পৰা নাছিল। এবাৰ বিদ্যালয়ৰ পৰা মাকলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল, পত্ৰখন টমাছৰ হাততে দিছিল— তেওঁ আহি মাকক পত্ৰখন দিলেহি— মাকে পঢ়ি কিছু সময় মৌন হৈ ৰ'ল, চকুলো ওলাল, টমাছে সুধিলে— চিঠিত কি লিখিছে, মাকে ক'লে— ‘চিঠিত লিখিছে যে আপোনাৰ ল'ৰা এজন অসাধাৰণ আৰু বুদ্ধিসম্পন্ন ল'ৰা। তেওঁৰ বাবে এই বিদ্যালয় উপযুক্ত নহয়, তেওঁক পঢ়াবলৈ উপযুক্ত লোকৰ অভাৱ, (এনে ধৰণৰ কথা) গতিকে আপুনি তেওঁক আপোনাৰ লগত ৰাখি ঘৰতে শিক্ষা দিয়াৰ ব্যৱস্থা কৰক।’ টমাছৰ মনত আনন্দ লাগিল তেওঁৰ মাক এগৰাকী উপযুক্ত ব্যক্তি যি স্কুলৰ শিক্ষকতকৈও বেছি ভাল, তেওঁৰ লগত থাকি শিক্ষা ল'ব, বৰ আনন্দৰ কথা, টমাছৰ মাকৰ লগত থাকি ঘৰতে শিক্ষা লোৱাৰ ব্যৱস্থা হ'ল, মাকে তেওঁক বুজাই থাকিল তেওঁ এজন উপযুক্ত প্ৰতিভাৱান ব্যক্তি। এটা সময়ত টমাছ শিক্ষা-দীক্ষাৰে উপযুক্ত হ'ল। তেওঁৰ নাম আৰু কাম সকলোতে বিয়পি গ'ল। একমাত্ৰ মাকৰ প্ৰচেষ্টাতে সেই কথা সম্ভৱ হ'ল। মাকৰ যোগাত্মক চিন্তা-ধাৰা তেওঁৰ প্ৰতি যত্ন আৰু উৎসাহতে তেওঁ এজন সফল ব্যক্তি হ'ল।

এটা সময়ত তেওঁৰ মাকৰ মৃত্যু হ'ল— মাকৰ মৃত্যুৰ পাছত মাকৰ আলমিৰাৰ এচুকত তেওঁ সেই পুৰণা চিঠিখন পালে। য'ত লিখা আছিল— ‘আপোনাৰ ল'ৰা টমাছক আমাৰ স্কুলত আৰু ৰাখিব নোৱাৰো, তেওঁক স্কুলৰ পৰা উলিয়াই দিয়া হৈছে, কাৰণ তেওঁ সমস্যাজনিত সন্তান, তেওঁৰ মানসিক বিকাশ নোহোৱা এজন ছাত্ৰ, যাক আমি সাধাৰণ ছাত্ৰৰ লগত শিক্ষা দিব নোৱাৰো। গতিকে আপোনাৰ ল'ৰাক আৰু ৰাখিব নোৱাৰিম।’ চিঠিখন পঢ়ি টমাছ আলভা এডিছনৰ শিশুকালৰ বিদ্যালয়খনলৈ মনত পৰিল— য'ত আছিল বহুকেইজন শিক্ষক; কিন্তু কোনো এজন শিক্ষকেই তেওঁৰ বাবে উপযুক্ত নাছিল। একমাত্ৰ তেওঁৰ মাকগৰাকীহে আচলতে শিক্ষকৰ সকলো গুণ থকা শিক্ষক আছিল। যিজনে জানিছিল এজন শিশুৰ জীৱন কেনেকৈ গঢ়িব পাৰি।

যোগাত্মক চিন্তা, যোগাত্মক ব্যৱহাৰ আৰু মৰম, ভালপোৱাৰ আচৰণে ভাগি পৰা জীৱন গঢ়ি তুলিব পাৰে। টমাছ আলভা এডিছন তাৰ এক জ্বলন্ত উদাহৰণ। সন্তানৰ গুণৰ বিকাশ যিমান হ'ব, সিমান হ'বই যদি উপযুক্ত পৰিৱেশ পায়। আৰু সকলো ছাত্ৰ বা সকলো সন্তান ইজনৰ লগত সিজন সমান নহয়, প্ৰত্যেকৰে যোগ্যতা বেলেগ, যোগ্যতাখিনি শিক্ষক আৰু অভিভাৱকে বিচাৰি উলিয়াব জনাটো সফলতাৰ পৰিচায়ক, আনৰ লগত তুলনা কৰিলে নহ'ব। তুলনা কৰি থাকিলে নকাৰাত্মক ভাবৰ জন্ম হয়। এই ভাবে কেতিয়াবা হিংসাৰো ৰূপ লয়।

ফোন ঃ ৯৯৫৭৫৬৬৮০৬

---

**ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই**


# ডিব্ৰুগড়! ডিব্ৰুগড়!



**বিশ্বজিৎ বৰুৱা**

**১৮৭৩ত** ডিব্ৰুগড়ৰ নাগৰিকৰ সমস্যাৰ চোৱা-চিতাৰ বাবে গঠন কৰা নাগৰিক সমিতিখনেই ১৮৭৬ত গৃহীত হোৱা বেংগল মিউনিচিপাল এক্টৰ অধীনত ১৮৭৭ত চৰকাৰী ছীল-মোহেৰেৰে স্থায়িত্ব প্ৰদান কৰিলে। যি ক্ষেত্ৰত মাদ্ৰাজৰ নিচিনা দেশৰ উল্লেখযোগ্য নগৰত ১৮৮৮তহে পৌৰসভা চৰকাৰী অনুমোদনেৰে গৃহীত হৈছিল, সেই সময়ত বহুতৰ বৰে অসূৰ্য স্পৰ্শ— এই অঞ্চলৰ ডিব্ৰুগড়ৰ নিচিনা নগৰত ১৮৭৭তে পৌৰসভা গঠনৰ বাবে চৰকাৰী অনুমোদন লাভ কৰাতো কম গৌৰৱৰ কথা নহয়; কিন্তু হ'লে কি হ'ব, আমাৰ গৌৰৱৰ উপাদানসমূহৰ ক্ষেত্ৰত আমি নিজেই ‘নুগুণো নলওঁ গম।’ ১৮৭৭ত ডিব্ৰুগড়ক ভাৰত চৰকাৰে বেংগল গৱৰ্ণমেণ্ট গেজেটযোগে জাননী জাৰি কৰি দেশখনৰ দ্বিতীয় শ্ৰেণীৰ নগৰ হিচাপে স্বীকৃতি দিয়ে। লগে লগে পুনৰ গঠন হ'ল নাগৰিক সমিতি, এইবাৰ সমিতিৰ চৰকাৰী ছীল-মোহৰ লাগিল ডিব্ৰুগড় পৌৰসভা হিচাপে। ড° শৰৎ ফুকনে লাভ কৰা তথ্য অনুযায়ী এই পৌৰসভাৰ প্ৰথমজন পৌৰপতি হিচাপে স্থলাভিষিক্ত হয় এফ চি হেনাৰ চাহাব। তাৰ পাছত ক্ৰমে ডব্লিউ এন ডানকান, ডব্লিউ জে ৰিড্‌, জে এফ গানিং, এইছ ডব্লিউ জে ক'ল, এলবাৰ্ট ই উডছ, জে জে বাৰ্মি ৱালে, এ এইছ ডব্লিউ বেণ্টিংক, এইছ হেৰাট, এন ই পাৰি আৰু ১৯১২ত প্ৰথমজন অসমীয়া পৌৰপতি হয় অধিবক্তা পৰশুৰাম খাউণ্ড। সকলো দিশৰ পৰাই গৌৰৱমণ্ডিত এখন পৌৰসভাৰ বিৰুদ্ধে যোৱা কিছু বছৰ ধৰি নিৰৱচ্ছিন্নভাৱে দুৰ্নীতি-স্বজন-তোষণ আদিৰ অভিযোগ উত্থাপন হৈ অহাটোৱে কেৱল যে এক গৌৰৱমণ্ডিত ইতিহাসতে কালিমা সানিছে তেনে নহয়, বৰঞ্চ নাগৰিকৰ সপোনো ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰিছে। যি কি নহওক, সম্প্ৰতি জনপ্ৰিয় চিকিৎসক ডাঃ টেকৎ পাত্ৰ আৰু চহৰখনৰ উন্নয়নৰ হকে ছাত্ৰনেতা হিচাপে তাহানিৰে পৰা লাগি থকা উজ্জ্বল ফুকনে ক্ৰমান্বয়ে সভাপতি আৰু উপ-সভাপতিৰ দায়িত্ব লৈ পৌৰসভাখন নৱ ৰূপত গঠন কৰি আগবঢ়া কথাটোৱে আশাৰ সঞ্চাৰ কৰিছে। আজি কিছুদিনৰ পৰা এই ঐতিহ্যমণ্ডিত পৌৰসভাখনি নিগমৰ পৰ্যায়লৈ উন্নীত কৰাৰ চিন্তা-চৰ্চা আৰম্ভ কৰা হৈছিল যদিও পূৰ্বতে উল্লেখ কৰাৰ দৰে সভাৰ পৰা নিগমলৈ উন্নীত কৰাৰ ক্ষেত্ৰত যথেষ্টখিনি কাৰিকৰী আৰু আইনগত বাধা আহি পৰা দেখিবলৈ পোৱা গ'ল। ১৫.৪০ বৰ্গকিলোমিটাৰৰ বৰ্তমানৰ সভাৰ পৰিসৰো কম নহয়। সেয়েহে কাষৰীয়া গাঁওবাসীৰ ওপৰত অধিক কৰৰ বোজা জাপি নিদিয়াকৈ বৰ্তমানৰ পৰিসৰতে সভাখনি অধিক কাৰ্যক্ষম আৰু শক্তিশালী কৰি তোলাটোহে প্ৰয়োজনীয় আৰু যুগুত হ'ব বুলি আমি ভাবো।

নাগৰিকৰ দ্বাৰা গঠিত পৌৰসভাৰ পাছতে নগৰখনৰ নাগৰিকৰ উপৰি পাৰিপাৰ্শ্বিকতা উন্নয়নৰ ক্ষেত্ৰত কাম কৰি অহা কিছুসংখ্যক দাতব্য অনুষ্ঠানৰো নাম উল্লেখ কৰিব লাগিব। এই ক্ষেত্ৰত প্ৰথমেই ল'ব লাগিব আমেৰিকান খ্ৰীষ্টান পাদুৰীসকলে গঢ়ি তোলা কিছুসংখ্যক অনুষ্ঠান। দেশখনৰ এই প্ৰান্তত খ্ৰীষ্টীয় ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যৰে ঔপনিৱেশিক চৰকাৰে অনা খ্ৰীষ্টীয় মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ দিশটোতকৈও অসমীয়া ভাষা-সাহিত্যৰ উন্নয়নৰ হকেহে মনপুতি লগ কথাটোৱে আজিও বহুতৰ মনৰ ৰহস্যৰ সৃষ্টি কৰে। ধৰ্মপ্ৰচাৰতকৈও তেওঁলোকে অসমীয়া ভাষা-সাহিত্যৰ উন্নয়নৰ হকেহে দেহে-কেহে লাগি একপ্ৰকাৰ আগ্ৰাসী চৰকাৰৰ বিৰুদ্ধে যুদ্ধক্ষেত্ৰত জঁপিয়াই পৰিবলৈ কি কাৰকে বাৰু অনুপ্ৰাণিত কৰিছিল? এক প্ৰয়োজনীয় গৱেষণাৰ বিষয় হ'ব পাৰে এইটো। ভীমকান্ত কোঁৱৰৰ লেখাৰ পৰা জানিব পৰা যায় ঃ ডিব্ৰুগড় আৰু অসমৰ বিভিন্ন ঠাইত




আমেৰিকান খ্ৰীষ্টীয় পাদুৰীসকলে অসমীয়া ভাষাৰ মাধ্যমেৰে পশ্চিমীয়া শিক্ষা দিয়াৰ বাবে লোৱা ব্যৱস্থাৰ কথা বিশেষভাৱে উল্লেখনীয়। আমেৰিকাৰ খ্ৰীষ্টীয় মিছন— ফৰিন ছ'চাইটিয়ে ১৮৩৬ৰ মাৰ্চত ৰেভাৰেণ্ড ড° নাথান ব্ৰাউন আৰু অলিভাৰ টি কট্টাৰৰ নেতৃত্বত এটি ছপাশাল লগতে দি এটি সৰু মিছন শদিয়ালৈ পঠিয়াইছিল। তেতিয়া ডিব্ৰুগড়কে সামৰি ব্ৰহ্মপুত্ৰৰ দুইপাৰৰ বৃহৎ অঞ্চল ব্ৰিটিছ প্ৰশাসকে একে প্ৰশাসনীয় বেল্টৰ অধীনলৈ আনিছিল আৰু লখিমপুৰ জিলা হিচাপে ক্ৰমে পৰিচিত হৈ পৰিছিল। এই মিছন শদিয়াত উপস্থিত হোৱাৰ পাছত অঞ্চলটোত কে'বাখনো স্কুল স্থাপন কৰে। ড° ব্ৰাউনৰ পত্নী এলিজা ব্ৰাউন আৰু কন্যা ছফিয়া ব্ৰাউন এই স্কুলসমূহৰ স্থাপন আৰু পৰিচালনাৰ স'তে জড়িত হৈ পৰিছিল; কিন্তু বেদনাদায়ক কথা যে ড° ব্ৰাউনৰ গাভৰু কন্যা ছফিয়াই জয়পুৰৰ কোনো এক স্থানত ঘোঁৰাৰ পৰা পৰি অকাল মৃত্যু সাবটি ল'বলগীয়া হৈছিল। খ্ৰীষ্টীয় ধৰ্ম গ্ৰহণ কৰা এজন অসমীয়া ডেকাৰ স'তে ছফিয়াৰ প্ৰণয়ৰ সম্পৰ্ক স্থাপন হৈছিল বুলিও তথ্য পোৱা গৈছে। সেই বিষয়ে আমি পাছৰ অধ্যায়লৈ থ'লো। আমাৰ কাকতৰ পাততে পাঠকে সেই অধ্যায়ৰ বিষয়ে পঢ়িবলৈ পাব।

এই অনুষ্ঠান ফৰিন ছ'চাইটীয়ে অশেষ কষ্ট কৰি কে'বাখনো স্কুল স্থাপন কৰি জ্ঞানৰ পোহাৰ মেলি দিছিল যদিও ১৮৩৯ৰ ১৯ জানুৱাৰীত শদিয়াৰ পূৰ্বৰ বিশাল পাৰ্বত্য অঞ্চল সামৰি গঠন কৰা নৰ্থ ইষ্ট ফ্ৰন্টিয়াৰ এজেন্সি (চমুকৈ নেফা)ৰ দায়িত্বত থকা পলিটিকেল এজেণ্ট কেপ্টেইন আডাম হোৱাইটকে ধৰি সমগ্ৰ ব্ৰিটিছ চিপাহী আৰু কৰ্মচাৰীৰ দলটোক খামটিসকলে বধ কৰাত সমগ্ৰ মিছনটোকে শদিয়াৰ পৰা জয়পুৰলৈ স্থানান্তৰিত কৰা হয়। ব্ৰিটিছ চৰকাৰে এই ছ'চাইটিৰ দলটোক পাৰ্বত্য অঞ্চল বা ভিতৰুৱা অঞ্চলসমূহত প্ৰৱেশ নকৰিবলৈ উপদেশ দিছিল যদিও মানৱতাৰ সেৱাৰ বাবেই জীৱন উৎসৰ্গা কৰা ড° ব্ৰাউন বা কট্টাৰৰ লেখীয়া লোকক চৰকাৰী নিৰ্দেশনা বা উপদেশেৰে বাধা দি ৰাখিব কেনেকৈ? নাহৰকটীয়াৰ কাষৰ জয়পুৰত থিতাপি লৈয়ে দলটোৱে ১৮৪০ত নামচাঙত নক্টে-নগাসকলৰ মাজত এখন স্কুল পাতিছিল। এই স্কুলৰ কামত ব্যস্ত থকা সময়তে ড° ব্ৰনছনৰ কন্যা ছফিয়া বা ৰোডাৰ মৃত্যু হৈছিল। কন্যাৰ মৃত্যুৰ পাছতে তেওঁলোকে ফৰিন ছ'চাইটিৰ কাম-কাজ দুৰ্গম জয়পুৰৰ পৰিৱৰ্তে শিৱসাগৰলৈ স্থানান্তৰিত কৰিবলৈ সিদ্ধান্ত লয়। জয়পুৰত থকা সময়তে মাত্ৰ দুবছৰৰ ভিতৰতে এই মিছনে দুখন অতি প্ৰয়োজনীয় পুথি— ‘A Spelling Book and Vocabulary in English, Assamese, Singpho and Naga’ আৰু ‘Vocabulary in English, Assamese, Singpho and Naga’ প্ৰকাশ কৰিছিল। শিৱসাগৰলৈ স্থানান্তৰিত হোৱাৰ পাছত অৰুণোদয় প্ৰকাশেৰে এই অনুষ্ঠানে যি ইতিহাস সৃষ্টি কৰিছিল সেয়া অসমীয়া সাহিত্য আৰু সাংবাদিকতাৰ সোণালী ইতিহাস। (আগলৈ)

ফোন ঃ ৯৪৩৫০২৮০০৮

## অৱশেষত সকলো গোচৰত জামিন লাভ মহম্মদ জুবেইৰৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জুলাই ঃ** কাৰাগাৰৰ পৰা অৱশেষত মুক্তি লাভ কৰিলে অল্ট নিউজৰ প্ৰতিষ্ঠাপক মহম্মদ জুবেইৰে। আজি জুবেইৰৰ জামিন আবেদন মঞ্জুৰ কৰিলে উচ্চতম ন্যায়ালয়ে। অল্ট নিউজৰ প্ৰতিষ্ঠাপকৰ বিৰুদ্ধে মুঠ সাতটা গোচৰ ৰুজু হৈছিল আৰু ইয়াৰে ছটা গোচৰত জুবেইৰক অন্তৰ্বৰ্তীকালীন জামিন মঞ্জুৰ কৰিলে উচ্চতম ন্যায়ালয়ে। লগতে ন্যায়ালয়ে সকলো গোচৰ একত্ৰিতভাৱে তদন্ত কৰাৰো নিৰ্দেশ দিলে। ধৰ্মীয় বিদ্বেষ বিয়পোৱাৰ গোচৰত জুবেইৰক আদালতে পূৰ্বে জামিন মঞ্জুৰ কৰিছিল। উল্লেখ্য যে ধৰ্মীয় ভাবাবেগত আঘাত হনাৰ অভিযোগত যোৱা ২৭ জুনত জুবেইৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

## চতুৰ্থ পৰ্যায়তো শীৰ্ষত ঋষি, ১১৮ ভোটৰে দৌৰত অগ্ৰগতি অব্যাহত



নিউজ ব্যুৰ', লণ্ডন, ২০ জুলাই ঃ ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী পদৰ দৌৰত চতুৰ্থবাৰৰ বাবে শীৰ্ষস্থান লাভ কৰিলে ভাৰতীয় মূলৰ কনজাৰভেটিভ দলৰ নেতা ঋষি ছুনকে। প্ৰধানমন্ত্ৰী পদৰ পৰা মাত্ৰ এখোজ দূৰৈত থকা ঋষিয়ে চতুৰ্থ পৰ্যায়ৰ ভোটত সৰ্বাধিক ১১৮টা ভোট লাভ কৰিলে। প্ৰধানমন্ত্ৰী পদৰ যুঁজৰ পৰা বিদায় ল'লে বিদ্ৰোহী সাংসদ কেমী বাডেন'ছে। প্ৰধানমন্ত্ৰী পদৰ দৌৰত ঋষিৰ লগতে প্ৰতিদ্বন্দ্বিতাত বাহাল আছে পেনী মৰড'ৰাণ্ট আৰু লিজ ট্ৰাছ। প্ৰধানমন্ত্ৰী পদৰ চূড়ান্ত প্ৰাৰ্থী হ'বলৈ হ'লে ঋষিয়ে নিজৰ দলৰ ১২০ জন আইন সভাৰ সদস্যৰ সমৰ্থন লাভ কৰিব লাগিব। অৰ্থাৎ সংসদত কনজাৰভেটিভ পাৰ্টিৰ যিমান সাংসদ আছে, তাৰ এক-তৃতীয়াংশৰ সমৰ্থন তেওঁ অৰ্জন কৰিব লাগিব। যোৱা সোমবাৰৰ ভোটত ১১৫ সদস্যই ঋষিক ভোট দিছিল। কালি অনুষ্ঠিত হোৱা চতুৰ্থ পৰ্যায়ৰ ভোটত ঋষিৰ ভোটৰ সংখ্যা ১১৮ লৈ বৃদ্ধি পালে।




## দেশত ৭৮ ইউটিউব চেনেল নিষিদ্ধ কৰিলে চৰকাৰে

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জুলাই ঃ** কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে কালি ৭৮ টা ইউটিউব নিউজ চেনেল আৰু ইয়াৰ স'তে জড়িত সামাজিক মাধ্যমৰ একাউণ্ট 'ব্লক' কৰাৰ নিৰ্দেশ দিলে। তথ্য প্ৰযুক্তি আইন ২০০০ৰ ৬৯ (এ) ধাৰা উলংঘনৰ অভিযোগত ৭৮ ইউটিউব নিউজ চেনেলৰ বিৰুদ্ধে এই পদক্ষেপ গ্ৰহণ কৰিলে মন্ত্ৰণালয়ে। উল্লেখ্য যে মন্ত্ৰণালয়ে ইয়াৰ পূৰ্বেও কে'বাটাও ইউটিউব চেনেল দেশত 'ব্লক' কৰিছিল। যোৱা এপ্ৰিলত ১৬টা ইউটিউব নিউজ চেনেল 'ব্লক' কৰা হৈছিল। ইয়াৰে ১০টা ভাৰতীয় আৰু ছটা পাকিস্তানী চেনেল আছিল।

## কেৰালাত পুনৰ এজন মংকীপক্স আক্ৰান্তক চিনাক্ত, এছঅ'পি জাৰি চৰকাৰৰ



**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ২০ জুলাই ঃ** কেৰালাত মংকীপক্সত আক্ৰান্ত দুজন লোকক চিনাক্ত কৰাৰ পাছত ৰাজ্য চৰকাৰে কালি এই ৰোগৰ সন্দৰ্ভত চৰকাৰী নিৰ্দেশনা পত্ৰ (এছঅ'পি) জাৰি কৰিলে। ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী বীনা জৰ্জে এক প্ৰেছ বিজ্ঞপ্তিত এছঅ'পিৰ কথা উল্লেখ কৰি সকলো ব্যক্তিগত আৰু চৰকাৰী চিকিৎসালয়ক মংকীপক্সৰ সংক্ৰমণ চিনাক্ত আৰু প্ৰতিৰোধৰ বাবে নিৰ্দিষ্ট নিয়ম-নীতি পালনৰ নিৰ্দেশ দিলে। উল্লেখ্য যে ভাৰতত মংকীপক্স সংক্ৰমণৰ দ্বিতীয়টো ঘটনা কেৰালাৰ কন্নুড় জিলাত সোমবাৰে ধৰা পৰিছিল। ইয়াৰ পূৰ্বে কেৰালাৰে কুল্লম জিলাত যোৱা ১৪ জুলাইত মংকীপক্সত আক্ৰান্ত প্ৰথমজন ৰোগীক চিনাক্ত কৰা হৈছিল।

## পাকিস্তানত মাৰ্কিন যুৱতীক দলবদ্ধ ধৰ্ষণ



**নিউজ ব্যুৰ', লাহোৰ, ২০ জুলাই ঃ** পাকিস্তানৰ পঞ্জাৱ প্ৰদেশত এগৰাকী ২১ বছৰীয়া যুৱতীক দলবদ্ধ ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি আমেৰিকা নিবাসী যুৱতীগৰাকীয়ে পৰ্যটক হিচাপে পাকিস্তানলৈ আহিছিল। যোৱা ১৭ জুলাইত দুজন যুৱকে হোটেলত মাৰ্কিন পৰ্যটক যুৱতীক দলবদ্ধ ধৰ্ষণ কৰিছিল। সাতমাহ পূৰ্বে যুৱতীগৰাকীয়ে পাকিস্তানলৈ আহিছিল আৰু তেওঁ এগৰাকী ভ্লগাৰ। ঘটনা সন্দৰ্ভত ইতিমধ্যে আৰক্ষীয়ে এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে।

### এসপ্তাহতে পৰ্তুগাল-ব্ৰিটেইনত ১৭০০ লোকৰ মৃত্যু, উত্তাপত গলিছে ৰাজপথ-ৰানৱে

# প্ৰচণ্ড তাপ প্ৰবাহত জৰ্জৰিত বিশ্বৰ সাত দেশ



**নিউজ ব্যুৰ' লণ্ডন, ২০ জুলাই ঃ** ইউৰোপসহ বিশ্বৰ সাতখন দেশ সম্প্ৰতি প্ৰচণ্ড উত্তাপ বৃদ্ধিত জুৰুলা হৈছে। ব্ৰিটেইনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে জুলাইত পাৰাস্তম্ভই ৪০ ডিগ্ৰী চেলছিয়াছ স্পৰ্শ কৰিলে। ইয়াৰ পূৰ্বে ব্ৰিটেইনত অন্তিমবাৰ ২০১৯ত সৰ্বাধিক তাপমাত্ৰা ৩৯.১ ডিগ্ৰী চেলছিয়াছলৈকে বৃদ্ধি পাইছিল। প্ৰতিবেদনৰ তথ্য অনুসৰি, ফ্ৰান্স, ইটালী, পৰ্তুগাল, স্পেইন আৰু গ্ৰীচত এইবাৰৰ গ্ৰীষ্মত সৰ্বাধিক উত্তাপ বৃদ্ধি পাইছে। অৰণ্যত সংঘটিত হোৱা বনজুই নিয়ন্ত্ৰণ কৰাও অসম্ভৱ হৈছে। বনজুইৰ ফলত একাধিক দেশত উত্তাপ যথেষ্ট বৃদ্ধি পাইছে। এসপ্তাহতে স্পেইন আৰু পৰ্তুগালত উত্তাপ বৃদ্ধিৰ ফলত ১৭০০ ৰো অধিক লোকৰ মৃত্যু হ'ল। ব্ৰিটেইনত উত্তাপ বৃদ্ধিৰ পৰিণতিত ৰাজপথ গলি যানবাহন চলাচলৰ অনুপযোগী হৈছে। ইতিমধ্যে অত্যধিক তাপমাত্ৰা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰিটেইনৰ প্ৰায়বোৰ অঞ্চলতে বিদ্যালয় বন্ধ ৰখা হৈছে। ব্ৰিটেইনত বিমানকোঠৰ ৰানৱে উত্তাপ বৃদ্ধিত ক্ষতিগ্ৰস্ত হোৱাত বিমান চলাচলো বাধাগ্ৰস্ত হৈছে। লণ্ডনসহ মধ্য, উত্তৰ আৰু দক্ষিণ-পূব ইংলণ্ডত তাপ প্ৰৱাহৰ শংকা প্ৰকাশ কৰি ইতিমধ্যে বতৰ বিজ্ঞান বিভাগে 'ৰেড এলাৰ্ট' জাৰি কৰিছে। লণ্ডনৰ একাধিক অঞ্চলত ৰেলসেৱাও প্ৰভাৱিত হৈছে। বিগত দুদিনত এইখন চহৰত তাপ প্ৰৱাহৰ ঘটনাত ১০ জন লোকৰ মৃত্যু হ'ল।

স্পেইনত ৩৬ অঞ্চলত বনজুইৰ ঘটনা সংঘটিত হোৱাৰ লগতে বৰ্তমানলৈকে ৭০ হেজাৰ হেক্টৰ অৰণ্য বনজুইত ধ্বংস হ'ল। দক্ষিণ-পশ্চিম স্পেইনত তাপমাত্ৰা ৪৪ ডিগ্ৰী চেলছিয়াছলৈকে বৃদ্ধি পাইছে। পৰ্তুগালত ২০১৭ৰ পাছত সৰ্বাধিক উত্তাপ অনুভূত হৈছে আৰু বনজুইৰ ঘটনাত ১৬০ জনৰো অধিক লোক আহত হৈছে। ফ্ৰান্সত ২২ হেজাৰ একৰ অৰণ্যত অগ্নিকাণ্ডৰ ঘটনাত ১২ হেজাৰ লোক প্ৰভাৱিত হৈছে।

## দেশত বৃদ্ধি হিংসা-অৰ্থনৈতিক মন্দাৱস্থা, শ্ৰীলংকাৰ পথত অগ্ৰসৰ হৈছে ম্যানমাৰ



**নিউজ ব্যুৰ', য়াংগুন, ২০ জুলাই ঃ** চৰম ৰাজনৈতিক আৰু অৰ্থনৈতিক সংকটত বিপৰ্যস্ত হৈছে শ্ৰীলংকা। একে সময়তে জুণ্টাশাসিত ম্যানমাৰতো বৃদ্ধি পাইছে হিংসা আৰু অব্যাহত আছে অৰ্থনৈতিক মন্দাৱস্থা। দেশৰ স্বাধীনতাৰ নায়িকা তথা ক্ষমতাচ্যুত নেত্ৰী আং ছান ছ্যু কীৰ পিতৃৰ হত্যাৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে ম্যানমাৰত বিক্ষিপ্ত গণতন্ত্ৰপন্থী বিক্ষোভ অব্যাহত আছে। একে সময়তে দেশৰ মুদ্ৰাৰ মূল্য অৱনমিত হৈ প্ৰতি ডলাৰত ২৪০০ দৰত বিক্ৰী হৈছে ম্যানমাৰৰ মুদ্ৰা। ম্যানমাৰত খাদ্য আৰু ইন্ধনৰ মূল্যও আকাশলংঘী হৈছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিশেষজ্ঞ মহলে অচিৰে শ্ৰীলংকা সদৃশ পৰিস্থিতি ম্যানমাৰত উদ্ভৱ হ'ব পাৰে বুলি শংকা প্ৰকাশ কৰিছে।

## দেশৰ দৈনিক সংক্ৰমণ পুনৰ ২০ হেজাৰলৈ বৃদ্ধি, মৃত্যু ৪০ জনৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ২০ জুলাই ঃ** একেৰাহে দুদিন ধৰি দেশৰ ক'ভিডৰ দৈনিক সংক্ৰমণ নিম্নমুখী হ'লেও যোৱা ২৪ ঘণ্টাত পুনৰ ঊৰ্ধ্বমুখী হ'ল সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, বিগত ২৪ ঘণ্টাত দেশত ২০,৫৫৭ জন লোক ক'ভিড সংক্ৰমিত হ'ল। মঙলবাৰে এই সংখ্যা আছিল ১৫,৫২৮ জন লোক। দেশত দৈনিক সংক্ৰমণৰ তালিকাত পশ্চিমবংগ আৰু তামিলনাডুক অতিক্ৰম কৰি শীৰ্ষস্থান দখল কৰিলে মহাৰাষ্ট্ৰই। যোৱা ২৪ ঘণ্টাত মহাৰাষ্ট্ৰত ২২৭৯, পশ্চিমবংগত ২২৪৩, তামিলনাডুত ২১৪২ আৰু পঞ্জাৱত ১৯৪১ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ক'ভিডত মৃত্যু হ'ল ৪০ জন লোকৰ। কেৰালাত ১১ জন, পশ্চিমবংগ আৰু মহাৰাষ্ট্ৰত ছজন, পঞ্জাৱত চাৰিজন, অসম আৰু ছিকিমত তিনিজন, দিল্লীত দুজন, ওড়িছা, ৰাজস্থান, হাৰিয়ানা, মণিপুৰ আৰু জম্মু-কাশ্মীৰত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## খাদ্য সামগ্ৰীত জিএছটি আৰোপৰে ৰাইজক মাধমাৰ দিলে চৰকাৰে ঃ কংগ্ৰেছৰ অভিযোগ



**নিউজ ব্যুৰ' নতুন দিল্লী, ২০ জুলাই ঃ** দৈ, আটাৰ দৰে দৈনন্দিন ব্যৱহাৰ্য খাদ্য সামগ্ৰীত কেন্দ্ৰীয় চৰকাৰে পাঁচ শতাংশ সামগ্ৰী আৰু সেৱাকৰ (জিএছটি) আৰোপ কৰাৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে কংগ্ৰেছে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কয়, 'যি সময়ত দেশৰ ৰাইজে মূল্যবৃদ্ধি আৰু কৰ্মসংস্থাপনৰ অভাৱত সমস্যাগ্ৰস্ত হৈছে, সেই সময়ত নিত্য ব্যৱহাৰ্য সামগ্ৰীত জিএছটি আৰোপৰে চৰকাৰে দেশবাসীক মাধমাৰ শোধালে। চৰকাৰৰ এই পদক্ষেপৰ ফলত মূল্যবৃদ্ধি অধিক ভয়াৱহ হ'ব।' কংগ্ৰেছ নেতাজনে লগতে অভিযোগ কৰি কয় যে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীত চৰকাৰে পাঁচ শতাংশ জিএছটি আৰোপ কৰাৰ ফলত দৰিদ্ৰ লোকসকল যথেষ্ট ক্ষতিগ্ৰস্ত হ'ব। বজাৰত মূল্যবৃদ্ধিয়ে সৰ্বকালৰ সৰ্বাধিক শীৰ্ষত আৰোহণ কৰাৰ সময়ত কেন্দ্ৰীয় চৰকাৰে এইদৰে খাদ্য সামগ্ৰীত জিএছটি আৰোপ কৰাৰ ফলত এতিয়াৰে পৰা ভাৰতৰ দৰিদ্ৰ নাগৰিকে গাখীৰ, আটা, দৈ আদিৰ দৰে নিত্য প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ বাবে হাহাকাৰ কৰিব লাগিব বুলিও ৰমেশে কেন্দ্ৰৰ চৰকাৰক সমালোচনা কৰিছে।

## এইবাৰ ঝাৰখণ্ডত কৰ্তব্যৰত মহিলা আৰক্ষীক পিকআপ গাড়ীৰে মহটিয়াই হত্যা




**নিউজ ব্যুৰ', ৰাঁচী, ২০ জুলাই ঃ** কয়লা মাফিয়াক বাধা দিবলৈ গৈ মঙলবাৰে ডাম্পাৰৰ খুন্দাত মৃত্যু হৈছিল হাৰিয়ানাৰ এজন উপ-আৰক্ষী অধীক্ষকৰ। এইবাৰ কৰ্মৰত অৱস্থাত প্ৰাণ হেৰুৱালে ঝাৰখণ্ডৰ এগৰাকী মহিলা আৰক্ষীয়ে। প্ৰকাশিত বাতৰি অনুসৰি, সন্ধ্যা তপনো নামৰ উপ-পৰিদৰ্শকগৰাকীয়ে টুপুদানাত যোৱা নিশা গাড়ীৰ তালাচী চলোৱাৰ সময়তে এখন পিকআপ ভেনে তেওঁক মহটিয়াই নিয়ে। ফলত ঘটনাস্থলীতে প্ৰাণ হেৰুৱালে সন্ধ্যাই। চিচিটিভিৰ ফুটেজ পৰীক্ষা কৰি ইতিমধ্যে আৰক্ষীয়ে ভানখনৰ অভিযুক্ত চালকক গ্ৰেপ্তাৰ কৰিছে। উক্ত পথেদি অবৈধ পশু সৰবৰাহ কৰাৰ খবৰ লাভৰ পাছত আৰক্ষীয়ে সন্ধ্যাৰ নেতৃত্বত তালাচী চলাইছিল আৰু সেই সময়তে এখন পিকআপ ভানে মহিলা আৰক্ষী বিষয়াগৰাকীক খুন্দা মাৰি হত্যা কৰিছিল।

## ১৫ ছেপ্টেম্বৰলৈকে কাৰাগাৰতে থাকিব লাগিব সংগীত শিল্পী দলেৰ মেহেন্দী



**নিউজ ব্যুৰ', মুম্বাই, ২০ জুলাই ঃ** মানৱ সৰবৰাহৰ গোচৰত কাৰাদণ্ডৰ ৰায়প্ৰাপ্ত জনপ্ৰিয় পঞ্জাবী সংগীত শিল্পী দলেৰ মেহেন্দীক সকাহ নিদিলে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে। কিছুদিন পূৰ্বে পাটিয়ালাৰ এখন আদালতে এক গোচৰত দোষী সাব্যস্ত কৰি মেহেন্দীক দুবছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল। আদালতৰ এই ৰায়ৰ বিৰুদ্ধে মেহেন্দীয়ে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। আজি ন্যায়ালয়ে মেহেন্দীৰ আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন অহা ১৫ ছেপ্টেম্বৰত নিৰ্ধাৰণ কৰে। আদালতৰ এই সিদ্ধান্তৰ ফলত সংগীত শিল্পীজনে অহা ১৫ ছেপ্টেম্বৰলৈকে কাৰাগাৰত থকাটো নিশ্চিত হ'ল। পাটিয়ালাৰ আদালতে যোৱা সপ্তাহত ২০০৩ৰ মানৱ সৰবৰাহৰ এক গোচৰত মেহেন্দীৰ দুবছৰৰ কাৰাদণ্ডৰ ৰায় বাহাল ৰাখি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। বিগত ছদিন ধৰি ছেপ্তিৱালা কেন্দ্ৰীয় কাৰাগাৰত মেহেন্দী বন্দী হৈ আছে।

## চৰকাৰ বিৰোধী প্ৰতিবাদলৈ সমৰ্থন দিয়া ইৰানৰ চলচ্চিত্ৰ পৰিচালক জাফৰ পানাহিক ছবছৰৰ কাৰাদণ্ড



**নিউজ ব্যুৰ' তেহৰান, ২০ জুলাই ঃ** চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰ্মসূচীলৈ সমৰ্থন দিয়াৰ অভিযোগত ছবছৰ কাৰাদণ্ড বিহা হ'ল ইৰানৰ চলচ্চিত্ৰ পৰিচালক জাফৰ পানাহিক। চলিত মাহৰ আৰম্ভণিতে জাফৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। সম্প্ৰতি পৰিচালকজনক তেহৰানৰ এভিন কাৰাগাৰত ৰখা হৈছে। যোৱা ১১ জুলাইত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছিল। প্ৰতিবাদীক সমৰ্থন প্ৰদানৰ বাবে ২০১০ বৰ্ষত ছবছৰৰ কাৰাদণ্ডৰ ৰায় দিয়া হৈছিল যদিও পাছত চৰ্তহীন জামিন লাভ কৰি জাফৰ কাৰাগাৰৰ বাহিৰলৈ আহিছিল। কিন্তু শেহতীয়াভাৱে পুনৰ গ্ৰেপ্তাৰ কৰা হ'ল পৰিচালকজনক। প্ৰসংগত উল্লেখ্য যে যোৱা মে'ত ইৰানৰ দক্ষিণ-পশ্চিমৰ চহৰ আবাদানত এটা ঘৰ খহি পৰাত ৪৩ জন লোকৰ মৃত্যু হৈছিল আৰু এই ঘটনাৰ সন্দৰ্ভত সাধাৰণ ৰাইজে বিক্ষোভ প্ৰদৰ্শন কৰিছিল। উক্ত বিক্ষোভৰ প্ৰতি জাফৰেও সমৰ্থন দিছিল।

## মুছেৱালা হত্যাত অভিযুক্ত দুজন গেংষ্টাৰৰ আৰক্ষীৰে সংঘৰ্ষত মৃত্যু



**নিউজ ব্যুৰ', অমৃতসৰ, ২০ জুলাই ঃ** পঞ্জাৱৰ জনপ্ৰিয় সংগীত শিল্পী সিদ্ধু মুছেৱালাৰ হত্যাত অভিযুক্ত দুই গেংষ্টাৰ ৰূপা আৰু মুন্না কুছাই অমৃতসৰৰ আটাৰীৰ ছিছা ভাকনা গাঁৱত আত্মগোপন কৰাৰ বাতৰি লাভৰ পাছতে পঞ্জাৱ আৰক্ষীয়ে আজি পুৱাতে উক্ত গাঁৱত উপস্থিত হৈছিল। সমগ্ৰ গাঁৱত দুই গেংষ্টাৰৰ সন্ধানত আৰক্ষীয়ে তালাচী চলোৱাৰ সময়তে আত্মগোপনকাৰী ৰূপা আৰু মুন্নাই আৰক্ষীলৈ গুলিবৰ্ষণ কৰে। লগে লগে আৰক্ষীয়েও গুলিৰে প্ৰত্যুত্তৰ দিয়াত উভয়পক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটে। পঞ্জাৱ আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই সংঘৰ্ষত দুজন গেংষ্টাৰৰ মৃত্যু হ'ল। আৰক্ষীয়ে দাবী কৰা অনুসৰি মুন্নাই এ কে-৪৭ ৰাইফলৰে মুছেৱালাক গুলিবৰ্ষণ কৰিছিল। মুছেৱালাৰ হত্যাৰ পাছৰে পৰা মুন্না আৰু ৰূপাই আত্মগোপন কৰি আহিছিল। এই হত্যাকাণ্ডত জড়িত আন এজন গেংষ্টাৰ দীপক মাণ্ডি এতিয়াও পলাতক হৈ আছে। উল্লেখ্য যে যোৱা ২৯ মে'ত মানসা অভিমুখে যাত্ৰাৰ কৰাৰ সময়ত মুছেৱালাক দুষ্কৃতিকাৰীয়ে গুলীয়াই হত্যা কৰিছিল।

## সংসদত ৰাহুলৰ উপস্থিতি মাত্ৰ ৪০ শতাংশহে ঃ কটাক্ষ স্মৃতিৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ২০ জুলাই ঃ** মূল্যবৃদ্ধিৰ প্ৰসংগত বিৰোধীয়ে সংসদত সৰৱ ভূমিকা গ্ৰহণ কৰাৰ সময়ত বিজেপিয়ে আজি কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীক আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে। বিজেপিয়ে অভিযোগ কৰি কয় যে কংগ্ৰেছৰ প্ৰাক্তন সভাপতিজন ৰাজনৈতিকভাৱে অনুপযোগী হ'লেও বিধানমণ্ডলৰ কাম-কাজত তেওঁ বাধাদানৰ অপচেষ্টা চলোৱা অনুচিত। যোৱা সোমবাৰৰ পৰা সংসদৰ বৰ্ষাকালীন অধিবেশন আৰম্ভ হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে একাংশ খাদ্য সামগ্ৰীত সামগ্ৰী আৰু সেৱাকৰ (জিএছটি) আৰোপ কৰাৰ প্ৰসংগত কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলসমূহে সদনত ব্যাপক প্ৰতিবাদ অব্যাহত ৰখাৰ ফলত বাৰে বাৰে সংসদৰ স্বাভাৱিক কাম-কাজ বাধাগ্ৰস্ত হৈছে। বুধবাৰেও কংগ্ৰেছ আৰু অন্যান্য বিৰোধীয়ে মূল্যবৃদ্ধিৰ প্ৰসংগত সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। চৰকাৰ আৰু বিৰোধী উভয়ে পৰস্পৰৰ বিৰুদ্ধে দেশৰ স'তে জড়িত গুৰুত্বপূৰ্ণ প্ৰসংগৰ কথা সংসদত আলোচনাৰ ক্ষেত্ৰত বাধা দিয়াৰ অভিযোগ উত্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেত্ৰী স্মৃতি ইৰানীয়ে ৰাহুল গান্ধীক লক্ষ্য হিচাপে লৈ কয় যে নিজৰ ৰাজনৈতিক জীৱনত গান্ধীয়ে পূৰ্বেও সংসদৰ কাম-কাজ আৰু পৰম্পৰাৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰিছিল আৰু এতিয়াও তেওঁ লোকসভাৰ কাম-কাজ বাধাগ্ৰস্ত কৰাৰ অপচেষ্টা অব্যাহত ৰাখিছে। স্মৃতিয়ে কয়, '২০০৪ৰ পৰা ২০১৯ বৰ্ষলৈকে আমেথিৰ সাংসদ হৈ থকাৰ সময়ত ৰাহুল গান্ধীয়ে সংসদত এটাও প্ৰশ্ন উত্থাপন কৰা নাছিল আৰু যেতিয়া তেওঁ সমষ্টি ত্যাগ কৰি ৱাইনাড়ৰ সাংসদ হ'ল তেতিয়া লোকসভাত ২০১৯ৰ শীতকালীন অধিবেশনত তেওঁৰ উপস্থিতি ৪০ শতাংশতকৈও কম আছিল।' ২০১৯ বৰ্ষত লোকসভাৰ নিৰ্বাচনত আমেথিত ৰাহুলক পৰাজিত কৰা স্মৃতিয়ে লগতে অভিযোগ কৰি কয় যে কংগ্ৰেছৰ এইজন সাংসদে সদনত কোনো নিজা বিধেয়ক আজিলৈকে উত্থাপন কৰা নাই। ৰাহুলৰ সঘন বিদেশ যাত্ৰাক কটাক্ষ কৰি স্মৃতিয়ে কয় যে গান্ধী এতিয়া নিজৰ দলৰে চিন্তাৰ কাৰণত পৰিণত হৈছে।

## পেৰ'লত মুক্তি লভা ৰাম ৰহিম পুনৰ উভতিল কাৰাগাৰলৈ



**নিউজ ব্যুৰ', ৰোহটক, ২০ জুলাই ঃ** ডেৰা সচ্চা সৌডাৰ মুৰব্বী গুৰপ্ৰীত ৰাম ৰহিমে পেৰ'লত কাৰাগাৰৰ পৰা মুক্তি লাভ কৰাৰ পাছত পূৰ্বৰ দৰে ডেৰাত তেওঁৰ অনুৰাগীক সাক্ষাৎ দিলে। অৱশ্যে পেৰ'লৰ ম্যাদ অন্ত পৰাত ৰাম ৰহিমে ৰোহটকৰ ছুনাৰিয়া কাৰাগাৰলৈ পুনৰ উভতি গ'ল। পেৰ'লত কাৰাগাৰৰ পৰা বাহিৰত থকাৰ দিনকেইটাত ৰাম ৰহিমে ডেৰাত প্ৰতিদিনে বৈঠক অনুষ্ঠিত কৰি তেওঁৰ ভক্তসকলক নানা দিহা-পৰামৰ্শ দিয়াৰ লগতে আশীৰ্বাদো দিছিল। ৰাম ৰহিমে তেওঁৰ তোলনীয়া কন্যা হনিপ্ৰীতৰ স'তে ডেৰাত ভক্তৰে সাক্ষাৎ অনুষ্ঠানত পূৰ্বৰ দৰে হাঁহি-মাতি অংশ লৈছিল। ইনষ্টাগ্ৰামতো হনিপ্ৰীতৰ স'তে লাইভ ছ'চিয়েলত ৰাম ৰহিমে ডেৰাভক্তৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিছিল। উল্লেখ্য যে দুগৰাকী সাধ্বীক ধৰ্ষণৰ গোচৰত ২০১৭ৰ আগষ্টত ৰাম ৰহিমক আদালতে দোষী সাব্যস্ত কৰি কাৰাদণ্ড বিহিছিল আৰু তেতিয়াৰে পৰা ডেৰাৰ মুৰব্বীজন ছুনাৰিয়া কাৰাগাৰত বন্দী হৈ আছে।

## কংগনাৰ 'ইমাৰজেন্সি'ক লৈ বিতৰ্ক, অভিনেত্ৰীক বিজেপিৰ এজেণ্ট আখ্যা কংগ্ৰেছৰ



**নিউজ ব্যুৰ', মুম্বাই, ২০ জুলাই ঃ** অভিনেত্ৰী কংগনা ৰণৌটৰ মুক্তিৰ অপেক্ষাত থকা চলচ্চিত্ৰ 'ইমাৰজেন্সি'ক লৈ সূত্ৰপাত ঘটিল বিতৰ্ক। কংগ্ৰেছে ছবিখনৰ সন্দৰ্ভত আপত্তি প্ৰদৰ্শন কৰি কয় যে 'ইমাৰজেন্সি'ত প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ ভাবমূৰ্তি নষ্ট কৰাৰ অপচেষ্টা চলোৱা হৈছে। কংগ্ৰেছে ছবিখনৰ মুক্তিৰ পূৰ্বে দলৰ নেতৃত্বক 'ইমাৰজেন্সি' চাবলৈ দিয়াৰ দাবীও উত্থাপন কৰিছে। উল্লেখ্য যে ১৯৭৫ৰ পৰা ১৯৭৭ লৈকে দেশত জাৰি কৰা জৰুৰীকালীন অৱস্থাৰ আধাৰত নিৰ্মাণ কৰা 'ইমাৰজেন্সি' ছবিখনৰ দৃশ্যগ্ৰহণ বৰ্তমানে অব্যাহত আছে। মধ্য প্ৰদেশ কংগ্ৰেছৰ প্ৰেছ বিভাগৰ উপ-সভাপতি সংগীতা শৰ্মাই কংগনাক বিজেপিৰ এজেণ্ট বুলিও অভিহিত কৰে। শৰ্মাই অভিযোগ কৰি কয় যে কংগনাই বিজেপিৰ নিৰ্দেশনাত প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ ভাবমূৰ্তি বিনষ্ট কৰিবলৈ 'ইমাৰজেন্সি'ত অপচেষ্টা চলাইছে। ছবিখনৰ মুক্তিদানৰ পূৰ্বে কংগনাই কংগ্ৰেছক 'ইমাৰজেন্সি' প্ৰদৰ্শন কৰিব লাগিব বুলিও শৰ্মাই দাবী জনায়। উল্লেখ্য যে 'ইমাৰজেন্সি'ত কংগনাই ইন্দিৰা গান্ধীৰ চৰিত্ৰত অভিনয় কৰিছে। যোৱা ১৪ জুলাইত ছবিখনৰ প্ৰথম টিজাৰ মুক্তি দিয়া হৈছিল।

## সেৱাকৰ দিব নিবিচাৰিলে ৰেস্তোৰাঁলৈ নাযাব ঃ দিল্লী উচ্চ ন্যায়ালয়



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ জুলাই ঃ** হোটেল-ৰেস্তোৰাঁত সেৱাকৰ আদায় কৰাৰ বিৰুদ্ধে কেন্দ্ৰীয় উপভোক্তা সুৰক্ষা প্ৰাধিকৰণ (চিচিপিএ)-এ জাৰি কৰা নিৰ্দেশনাত স্থগিতাদেশ আৰোপ কৰিলে দিল্লী উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে যোৱা চাৰি জুলাইত চিচিপিএয়ে এক নিৰ্দেশনা জাৰি কৰি কৈছিল যে হোটেল আৰু ৰেস্তোৰাঁত সেৱাকৰ আদায় কৰাটো অন্যায়জনক কাৰ্য। চিচিপিএৰ এই নিৰ্দেশনাৰ বিৰুদ্ধে ভাৰতীয় ৰাষ্ট্ৰীয় ৰেস্তোৰাঁ সংঘ (এনআৰএআৰ) আৰু ভাৰতীয় হোটেল-ৰেস্তোৰাঁ সংঘই দিল্লী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। আজি ন্যায়ালয়ে বিষয়টোৰ সন্দৰ্ভত স্থগিতাদেশ জাৰি কৰি চৰকাৰক যাৱতীয় তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে কয় যে কোনো ব্যক্তিয়ে যদি সেৱাকৰ আদায় দিব নিবিচাৰে, তেন্তে এই ব্যক্তিয়ে ৰেস্তোৰাঁত প্ৰৱেশ কৰা অনুচিত। এই বিষয়ত ন্যায়ালয়ে ২৪ নৱেম্বৰত পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব।

## গড়মূৰ বাগিচা গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাৰ্ষিক সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২০ জুলাইঃ** নগৰৰ উপকণ্ঠ গড়মূৰ বাগিচা গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ বাৰ্ষিক সভাখন অহা সাত আগষ্টৰ দিনৰ ১১ বজাৰ পৰা ১৫৫ নম্বৰ চিনামৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। সমবায় সমিতি লিমিটেডৰ সভাপতি মুকুল তাঁতী আৰু সম্পাদক শান্তনু শইকীয়াই এই কথা জনোৱাৰ লগতে কয় যে সঞ্চালক মণ্ডলী গঠনৰ বাবে যি নিৰ্বাচন হ'ব তাত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা যোগ্য অংশীদাৰে ২৮ জুলাইৰ দিনৰ ১১ বজাৰ পৰা দুই বজালৈ সমিতিৰ কাৰ্যালয়ত বিভাগীয় নিৰ্বাচন বিষয়াৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। মনোনয়নৰ মাচুল হিচাপে প্ৰতিগৰাকী প্ৰাৰ্থীয়ে অসম সমবায় নিৰ্বাচনী নিধি ২০১৯ অনুযায়ী পাঁচ হেজাৰ টকা সমিতিত জমা দিব লাগিব। নিৰ্বাচনী নিধি অনুযায়ী মনোনয়নৰ মাচুল ঘূৰাই দিয়া নহয়। তদুপৰি, প্ৰাৰ্থিত্ব প্ৰয়াসীসকল সমিতিৰ বিগত পাঁচখন সাধাৰণ সভাৰ অতি কমেও দুখন সভাত উপস্থিত থাকিব লাগিব। গড়মূৰ বাগিচা গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সভাপতি আৰু সম্পাদকে সাধাৰণ সভাৰ দুয়োটা দিনৰ কাৰ্যসূচীত সকলো অংশীদাৰৰ উপস্থিতি কামনা কৰিছে।

## নতুন পেঞ্চন নীতি বাতিল, ঠিকাভিত্তিক শিক্ষকৰ নিয়মীয়াকৰণৰ দাবীত চলিব ৰাষ্ট্ৰজোৰা সংগ্ৰাম

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২০ জুলাই ঃ** নতুন দিল্লীৰ জনকপুৰীস্থিত শিক্ষক ভৱনত কালি অনুষ্ঠিত অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ কাৰ্যনিৰ্বাহক সভাত নতুন পেঞ্চন নীতি বাতিল কৰা, দেশৰ সকলো শিক্ষকক এক হাৰত বেতন দিয়া, সকলো প্ৰকাৰৰ ঠিকা ভিত্তিক শিক্ষকক নিয়মীয়া কৰা আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিত থকা শিক্ষক বিৰোধী বিষয় বাতিল কৰা এই চাৰিটা মূল দাবীৰ সমৰ্থনত ৰাষ্ট্ৰজোৰা সংগ্ৰামৰ ৰূপৰেখা ঘোষণা কৰে। সংঘৰ কাৰ্যকৰী সভাপতি ৰাতুল চন্দ্ৰ গোস্বামীয়ে কাকতলৈ প্ৰেৰণ কৰা এক বাৰ্তাত জনাই যে সংগ্ৰাম ভেটিৰ পৰা মধুচলৈ চলিব। অৰ্থাৎ দেশৰ প্ৰতিটো কোণৰ প্ৰতিগৰাকী শিক্ষকেই এই সংগ্ৰামত প্ৰত্যক্ষ অংশ ল'ব। বিদ্যালয়ৰ পৰা জিলা পৰ্যায় আৰু ৰাজ্যিক পৰ্যায়ৰ পৰা ৰাষ্ট্ৰীয় স্তৰলৈ ৰূপায়ণ হ'ব। সেই অনুসৰি এক আগষ্টৰ পৰা ৩১ আগষ্টৰ ভিতৰত উল্লিখিত দাবীৰ সমৰ্থনত স্বাক্ষৰ সংগ্ৰহ অভিযান চলিব আৰু পাঁচ ছেপ্টেম্বৰত দেশৰ ২৩ লাখ শিক্ষকৰ স্বাক্ষৰ সম্বলিত স্মাৰকপত্ৰ দেশৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰিব। ছেপ্টেম্বৰৰ ১৫ ৰ পৰা ২০ তাৰিখৰ ভিতৰত ৰাজ্যসমূহৰ সুবিধা অনুসৰি নিৰ্ধাৰণ কৰা তাৰিখত জিলা পৰ্যায়ত ধৰ্ণা, নৱেম্বৰৰ ১৫ ভিতৰত ৰাজ্যিক পৰ্যায়ত ধৰ্ণা আৰু আগন্তুক শীতকালীন বাজেট অধিৱেশনত নতুন দিল্লীৰ সংসদভৱনৰ সন্মুখত দেশৰ সকলো শিক্ষকে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব। উল্লেখ্য যে ২০০৪ৰে পৰা দেশৰ প্ৰাথমিক শিক্ষক সমাজে নতুন পেঞ্চন নীতি বাতিলৰ বাবে সংগ্ৰাম কৰি আহিছে। সংঘৰ কাৰ্যকৰী সভাপতি গোস্বামীয়ে দাবী পূৰণ নোহোৱালৈ সংগ্ৰাম অব্যাহত থাকিব বুলি দৃঢ়তাৰে ঘোষণা কৰে।

## সুবল কেওটলৈ আটছাৰ শ্ৰেষ্ঠ সুনাগৰিক বঁটা



**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২০ জুলাইঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ আমগুৰি শাখাই আজি সুবল কেওটক শ্ৰেষ্ঠ সু-নাগৰিক বঁটা প্ৰদান কৰে। এই উপলক্ষে আজি অসম-নগালেণ্ড সীমান্তৱৰ্তী বৰচিলা চাহ বাগিচাৰ প্ৰেক্ষাগৃহত আয়োজিত সভাত পৌৰোহিত্য কৰে চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰমেশ বাচকে। উল্লেখ্য যে এই সভাতে সীমান্তৱৰ্তী অঞ্চলটোৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১৭০জন কৃতীমানক অভিনন্দন জনোৱা হয়। সভাত নৰ্থ ইষ্ট চেণ্ট্ৰেল ইংলিচ স্কুলৰ অধ্যক্ষ সুৰেণ বৰা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলে আগত সময়বোৰত কেনেদৰে আগবাঢ়ি যাব লাগিব তাৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সভাত বৰচিলা হাইস্কুলৰ প্ৰধান শিক্ষক মনোজ বৰুৱা, অসমীয়া প্ৰতিদিন কাকতৰ আমগুৰিৰ সাংবাদিক ৰিতুকল্প গোহাঁই, চাহ জনজাতি ছাত্ৰ সন্থাৰ জিলা সম্পাদক জয়ন্ত নায়ক, আটছাৰ কেন্দ্ৰীয় উপ-সভাপতি দিগন্ত চাহু, ছাত্ৰ সন্থাৰ অম্লান মহন্ত, আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ ৰাজদীপ কাকতিকে ধৰি কে'বাজনো ব্যক্তি উপস্থিত থাকি সাম্প্ৰতিক সমাজ ব্যৱস্থাত ছাত্ৰ সমাজৰ কৰণীয় কি হোৱা উচিত এই সম্পৰ্কত পৃথক-পৃথক বক্তব্য দাঙি ধৰে। সভাত সুনাগৰিক বঁটা লাভ কৰা সীমান্তৱৰ্তী হালোৱাটিঙৰ সুবল কেওটে কয় যে ১৯৭৮ত আমগুৰি বাগান অঞ্চলত একমাত্ৰ ময়েই স্নাতক আছিলো। কিন্তু আজি বাগিচা অঞ্চলত সময়ত শিক্ষাৰ পোহৰ পৰি কে'বাজনো স্নাতক ডিগ্ৰী গ্ৰহণ কৰা বুলি কৈ তেওঁ অতীত জীৱন সুঁৱৰি নষ্টালজিক হৈ পৰে।

## সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলন

### দতৰা আঞ্চলিক সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২০ জুলাই ঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত ১২ নম্বৰ দতৰা আঞ্চলিকক সামৰি সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ দতৰা আঞ্চলিক সমিতিখন আজি গঠন কৰা হয়। ঘগ্ৰাপাৰৰ সমীপৰ নাৰপাৰা দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত সাংগঠনিক সভাত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী মহীধৰ পাটোৱাৰীয়ে। সভাত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক প্ৰতুল কুমাৰ কলিতাই নিজ ভাষণত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত বিশদ বক্তব্য আগবঢ়ায়। সভাত নলবাৰী জিলা সমিতিৰ সভাপতি সৰ্বেশ্বৰ কলিতা, নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক ভুৱনেশ্বৰ কলিতা, নলবাৰী জিলা সমিতিৰ সাংগঠনিক সম্পাদক ফণীধৰ কলিতা, কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ধীৰেন কলিতা, কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক নয়ন কলিতা, চটাইবাৰী আঞ্চলিক সমিতিৰ সভাপতি ধনেশ্বৰ বৰ্মন, ১৪ নম্বৰ পূব বনভাগ আঞ্চলিক সমিতিৰ সভাপতি বিমল কলিতা, চটাইবাৰী আঞ্চলিক সমিতিৰ উপদেষ্টা ফণীধৰ কলিতাৰ উপৰি দতৰা অঞ্চলৰ প্ৰায় ডেৰশতাধিক ব্যক্তিৰ উপস্থিতিত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত ১২ নম্বৰ দতৰা আঞ্চলিক সমিতিখন গঠন কৰা হয়। উক্ত সভাতে মহিধৰ পাটোৱাৰী সভাপতি, দিপক ডেকা, ৰাতুল কলিতাক উপ-সভাপতি, জিতুমনি কলিতাক সাধাৰণ সম্পাদক, মানবেন্দ্ৰ ডেকা, কৈলাশ কলিতা আৰু মিন্টু কলিতাক সহকাৰী সম্পাদকৰ নাম প্ৰস্তাৱ কৰি ৩৫ জনীয়া আঞ্চলিক সমিতিখন গঠন কৰা হয়। জিলা প্ৰতিনিধি হিচাপে দুলাল ডেকা, প্ৰাঞ্জল ডেকা, বিনয় ডেকা, ঘনেশ্যাম কলিতা আৰু হিতেশ কলিতাৰ নাম পঠোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## ■ একাংশ মন্ত্ৰী-বিধায়কৰ আচৰণে ৰাজ্যৰ সমাজ জীৱনলৈ বিপৰ্যয় কঢ়িয়াই আনিছে

# ৰাষ্ট্ৰপতি পদৰ বাবে জাত-পাতৰ কথাই গুৰুত্ব পাব নালাগে ঃ কংগ্ৰেছ



*হাজোৰ পোৱামক্কাত বাংলাদেশৰ মুক্তিযুঁজাৰু- সাংবাদিকৰ দলৰ দোৱা।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২০ জুলাই ঃ** বৰ্তমান একাংশ মন্ত্ৰী-বিধায়কে তেওঁলোকৰ আচৰণ আৰু মন্তব্যৰে তেওঁলোকৰ পদমৰ্যাদাত নিজেই আঘাত হনাৰ লগতে সমাজলৈ তথা নৱ প্ৰজন্মৰ মাজত এক ক্ষয়িষ্ণু ছবি অংকন কৰিছে। শেহতীয়াকৈ দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ষেত্ৰত একাংশ মন্ত্ৰী-বিধায়কে প্ৰদৰ্শন কৰা এনে আচৰণে বিধানসভাৰ গৰিমা লাঘৱ কৰা বুলিও অভিযোগ উত্থাপন কৰিছে অসম প্ৰদেশ কংগ্ৰেছে। তদুপৰি, দেশৰ ৰাষ্ট্ৰপতি পদৰ এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু সন্দৰ্ভত বিধায়ক অখিল গগৈয়ে কৰা মন্তব্যও দুৰ্ভাগ্যজনক আখ্যা দিয়ে কংগ্ৰেছে। উল্লেখ্য যে আজি তেজপুৰস্থিত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভাকক্ষত অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ দাদুল বৰকাকতিয়ে ৰাষ্ট্ৰপতি নিৰ্বাচনক লৈ ৰাজ্যত উদ্ভৱ হোৱা ৰাজনৈতিক পৰিৱেশ আৰু এই ক্ষেত্ৰত একাংশ মন্ত্ৰী-বিধায়কৰ আচৰণক কঠোৰ ভাষাৰে সমালোচনা কৰে। বৰকাকতিয়ে সংবাদমেলত বিজেপি আৰু এআইইউডিএফৰ মাজৰ মিতিৰালি স্পষ্ট হোৱা বুলি মন্তব্য কৰি এআইইউডিএফৰ বিধায়ক কৰিমুদ্দিন বৰভূঞাক মধ্যভোগী আখ্যা দিয়ে। তেওঁ বৰভূঞা অসম বিধানসভাৰ বাবে এক কলংক বুলি মন্তব্য কৰি কয় যে বিজেপিৰে থকা মিতিৰালিৰ বাবেই বিধায়কজনে ৰাষ্ট্ৰপতি নিৰ্বাচনত কংগ্ৰেছৰ ২০ জন বিধায়কে এনডিএ সমৰ্থিত প্ৰাৰ্থীগৰাকীক ভোট দিয়া বুলি মন্তব্য কৰিছে বুলিও প্ৰতিক্ৰিয়া ব্যক্ত কৰে। কংগ্ৰেছৰ সভাপতিয়ে কাৰ লগত কথা পাতে সেয়া দলৰ ভিতৰৰ কথা বুলি উল্লেখ কৰি প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰজনে লগতে কয় যে এসময়ত এআইইউডিএফৰ ভোট বিজেপিক নালাগে বুলি কোৱা বিজেপিৰ মন্ত্ৰী-বিধায়কেই এতিয়া এআইইউডিএফৰ দুৱাৰে দুৱাৰে ভোট বিচাৰি গৈছে। বৰকাকতিয়ে কয় যে কংগ্ৰেছৰ পৰা বিজেপিলৈ যোৱা বিধায়ক-মন্ত্ৰীসকলৰ শাৰীৰিক আৰু মুখৰ ভাষাই অসমীয়া ভাষালৈ বিপৰ্যয় নমাই অনা বুলি মন্তব্য কৰি লগতে কয় যে মান্য ভাষা আৰু তুচ্ছ ভাষা হিচাপে প্ৰচলিত ভাষাৰ ভিতৰত যি তুচ্ছ ভাষা কোনেও ৰাজহুৱাভাৱে ব্যৱহাৰ নকৰে তেনে ভাষা একাংশ মন্ত্ৰী-বিধায়কে ব্যৱহাৰ কৰিবলৈ লৈছে। সংসদ তথা বিধানসভাত অসাংবিধানিক শব্দৰ প্ৰয়োগ বাৰণ কৰাৰ বিপৰীতে ইয়াৰ বাহিৰত এইসকল মন্ত্ৰী-বিধায়কে তেনে তুচ্ছ ভাষাৰ ব্যৱহাৰ কৰা বুলি অভিযোগ কৰি বৰকাকতিয়ে কয় যে গোপীনাথ বৰদলৈ, শৰৎ সিংহ, গোলাপ বৰবৰা, প্ৰেমধৰ বৰা, তৰুণ গগৈলৈকে ৰাজনীতিকসকলে কৰা মন্তব্যসমূহ সাৰ্বজনীন হোৱাৰ বিপৰীতে এতিয়া দলীয় ৰাজনীতিৰ বক্তব্যহে প্ৰকাশ হয়। প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰজনে সংবাদমেলত অখিল গগৈৰ মন্তব্য সন্দৰ্ভত কয় যে দেশৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ প্ৰতি সকলো মন্ত্ৰী-বিধায়কে সন্মানসূচকভাৱে মন্তব্য কৰিব লাগে। বিধায়ক গগৈয়ে ইতিমধ্যে ৰাষ্ট্ৰপতি পদৰ এনডিএৰ প্ৰাৰ্থী মুৰ্মুক লৈ কৰা মন্তব্যৰ বাবে ক্ষমা বিচৰাৰ বিষয়েও উল্লেখ কৰি আৰু কয় যে ৰাষ্ট্ৰপতি পদৰ বিপৰীতে জাত-পাতৰ ৰাজনীতি কোনেও কৰিব নালাগে যদিও বিজেপিয়ে তেওঁৰ হৈ ভোট বিচাৰিবলৈ চাহ জনগোষ্ঠীৰ মন্ত্ৰী-বিধায়কসকলকে প্ৰেৰণ কৰাৰ বিপৰীতে সকলো বিধায়কেই আহিব পাৰিলেহেঁতেন। এই কথাই সাংবিধানিক মুৰব্বী পদৰ প্ৰাৰ্থীক লৈয়ো বিজেপিয়ে ৰাজনীতি কৰাটোকেই স্পষ্ট কৰা বুলি তেওঁ উল্লেখ কৰি সমাজ, নৱপ্ৰজন্মৰ প্ৰতি বিৰূপ প্ৰভাৱ পেলাব পৰা তথা পদমৰ্যাদা হ্ৰাস কৰিব পৰা এনেবোৰ কাৰ্যৰ পৰা আঁতৰত থাকিবৰ বাবেও বৰকাকতিয়ে শাসক পক্ষৰ লগতে তেওঁলোকৰ সহযোগী সকলোৰ প্ৰতি আহ্বান জনায়।

## পঞ্চায়তত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰা মণিকা বৰা-ভানু ভূঞাৰ বিৰুদ্ধে আইনী ব্যৱস্থা

### ■ বঢ়মপুৰ পঞ্চায়তত সভাপতিৰ সংবাদমেল

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ২০ জুলাই ঃ** নগাঁও জিলাৰ বঢ়মপুৰ উন্নয়ন খণ্ডৰ অধীনৰ বঢ়মপুৰ গাঁও পঞ্চায়তত যোৱা ১৫ জুলাইত একাংশ মহিলাই পঞ্চায়তত হোৱা দুৰ্নীতি-অনিয়ম সন্দৰ্ভত পঞ্চায়ত কাৰ্যালয়ত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। পঞ্চায়তখনত গোপনে গাঁও সভা অনুষ্ঠিত কৰা আৰু একাংশ ধনী লোকে প্ৰধানমন্ত্ৰী আৱাস যোজনা লাভ কৰা বিষয়ক কেন্দ্ৰ কৰি সৃষ্টি কৰিছিল এই উত্তপ্ত পৰিস্থিতিৰ। এই উত্তপ্ত পৰিস্থিতিৰ সন্দৰ্ভত সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ হোৱাৰ পাছতে যোৱা ৰজ্ঞ জুলাইত এক সংবাদমেলৰ আয়োজন কৰি সভাপতি কুশল বৰাই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰা মহিলাসকল নিজৰ ব্যক্তিগত স্বাৰ্থ সিদ্ধি নোহোৱাৰ বাবেই এনে পৰিস্থিতিৰ সৃষ্টি কৰিছে বুলি জানিবলৈ দিয়ে। বিশেষকৈ পঞ্চায়তখনৰ অধীনৰ মণিকা বৰা আৰু ভানু ভূঞা নামৰ মহিলা দুগৰাকীয়ে একাংশ মহিলাক লগত লৈ কিছুমান অপ্ৰয়োজনীয় কথা কৈ সভাপতি কুশল বৰাক জনসাধাৰণৰ মাজত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা চলায়। বিশেষকৈ মণিকা বৰা নামৰ মহিলাগৰাকীয়ে দুটাকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ বিচাৰি বিভিন্ন সময়ত সভাপতিজনক ভাবুকি প্ৰদান কৰি আহিছিল। ইফালে, ২০১১ৰ দৰিদ্ৰ পৰিয়াল সমীক্ষা অনুসৰি, যিসকল লোকৰ নাম আছে সেইসকল লোকে প্ৰধানমন্ত্ৰী আৱাস যোজনা পাব। এই ক্ষেত্ৰত পঞ্চায়ত সভাপতিয়ে কোনো লোকৰ নাম কৰ্তন কৰিব বা কোনো লোকৰ নাম অন্তৰ্ভুক্ত কৰিব নোৱাৰে। এনেক্ষেত্ৰত মণিকা বৰাৰ স্বামীৰ নাম অন্তৰ্ভুক্ত কৰাটো অসম্ভৱ বুলি সভাপতিজনে উল্লেখ কৰে। ইফালে, সেইখন তালিকাত উৎপল বৰা নামৰ এজন হিতাধিকাৰী আছে যদিও সেইজন মণিকা বৰাৰ স্বামী উৎপল বৰা নহয়। সেইজন উৎপল বৰাৰ পিতৃৰ নাম বেলেগ। এনেক্ষেত্ৰত মণিকা বৰাৰ স্বামীৰ নাম উৎপল বৰা হোৱা হেতুকে সেইজন উৎপল বৰা তেওঁৰ স্বামী বুলি দাবী কৰি আৱাস যোজনা ল'বলৈ সভাপতি আৰু পঞ্চায়তৰ আন বিষয়ববীয়াক ভয়- ভাবুকি প্ৰদান কৰি আহিছে। এনেক্ষেত্ৰত মণিকা বৰাই ঘৰটো লাভ কৰাৰ ক্ষেত্ৰত আন উপায় নাপায় একাংশ মহিলাক উচটাই দি পঞ্চায়তত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰি নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে শেষ অস্ত্ৰ প্ৰয়োগ কৰে বুলি সভাপতিজনে জানিবলৈ দিয়ে। ইফালে, সেইদিনা মহিলাসকলে জি আৰ এছগৰাকী জড়িত হৈ থকাৰ কথা উল্লেখ কৰিছিল যদিও জিআৰএছ গৰাকী প্ৰধানমন্ত্ৰী আৱাস যোজনাত জড়িত নহয় এই আঁচনিত পঞ্চায়তৰ সভাপতি-সম্পাদকৰ লগতে জিপিচিগৰাকীহে বিশেষভাৱে জড়িত। এনেক্ষেত্ৰত পঞ্চায়ত হোৱা দুৰ্নীতি যদি এইসকল স্বাৰ্থলোভী মহিলাই প্ৰমাণ কৰিব পাৰে তেনেহ'লে সভাপতি পদৰ পৰা পদত্যাগ কৰা হ'ব বুলি উল্লেখ কৰি সভাপতিজনে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰা মণিকা বৰা আৰু ভানু ভূঞাৰ ওপৰত আইনী ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰে।

## গোলাঘাটত কংগ্ৰেছ কৰ্মী বিজেপিত যোগদান

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২০ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ফলপ্ৰসূ আঁচনিসমূহৰ প্ৰতি আকৃষ্ট হৈ কালি বিত্তমন্ত্ৰী অজন্তা নেওগৰ গৃহ সমষ্টি গোলাঘাটত ছগৰাকী কংগ্ৰেছ কৰ্মীয়ে গেৰুৱা দল বিজেপিত যোগদান কৰি দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰে। সংশ্লিষ্ট সমষ্টিটোৰ অন্তৰ্গত লক্ষীবাৰীৰ মাটিখোলা গাঁও পঞ্চায়তৰ এক নম্বৰ বৰজান গাঁৰৰ বিজেপিৰ কৰ্মী চিদানন্দ গগৈৰ বাসগৃহত কংগ্ৰেছ কৰ্মী ক্ৰমে পুলিন বৰা, প্ৰবীণ বৰা, ৰমেন গগৈ, ৰেৱকান্ত গগৈ, পুণেশ্বৰ বৰা আৰু জিতেন গগৈয়ে আনুষ্ঠানিকতাৰে বিজেপিত যোগদান কৰে। যোগদান কাৰ্যসূচীত ৰাজ্যিক বিজেপিৰ সদস্য বিবেকা ৰাজখোৱা, আঠগাঁও মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক দিলীপ বৰা, বুথ সভাপতি নাৰায়ণ ফুকন, পৱিত্ৰ গগৈ, বুথ সম্পাদক দিগন্ত শইকীয়া, সক্ৰিয় কৰ্মী প্ৰশান্ত নাথ, শক্তি ইনচাৰ্জ যতীন গগৈ, চিদানন্দ গগৈৰ লগতে ভালেকেইগৰাকী কাৰ্যকৰ্তা উপস্থিত থাকে। উল্লেখ্য যে বিজেপিলৈ আগমন ঘটা ন-বিজেপি কৰ্মীসকলক বিজেপি দলে অভিনন্দন জ্ঞাপন কৰে।

## বিশিষ্ট নাগাৰা নামৰ পাঠক কৈলাশ তালুকদাৰৰ চিকিৎসাৰ দায়িত্ব ল'লে মুখ্যমন্ত্ৰীয়ে

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২০ জুলাই ঃ** অসমৰ জনপ্ৰিয়, ৰাজ্যিক শিল্পী পেঞ্চনপ্ৰাপ্ত নাগাৰা নামৰ শিল্পী তথা নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰাৰ গাঁও নিৱাসী কৈলাশ তালুকদাৰৰ উন্নত চিকিৎসাৰ দায়িত্ব ল'লে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কালি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা নাগাৰা নামৰ শিল্পীজনলৈ এক লাখ টকা প্ৰদান কৰে অসম চৰকাৰৰ মন্ত্ৰী তথা নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই। ইফালে, চৰকাৰী পেঞ্চনপ্ৰাপ্ত শিল্পী তথা বিশিষ্ট নাগাৰা নামৰ পাঠক তালুকদাৰৰ উন্নতমানৰ চিকিৎসাৰ বাবে দিল্লীলৈ যোৱাৰ যাতায়াত আৰু থকা-খোৱাৰ সকলো সুবিধা বিনামূলীয়াকৈ প্ৰদানৰ ব্যৱস্থা কৰি দিয়ে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। কালি আবেলি বিশিষ্ট নাগাৰা নামৰ পাঠক কৈলাশ তালুকদাৰ উন্নত চিকিৎসাৰ বাবে দিল্লীলৈ ৰাওনা হয়।

## অন্বেষ গোষ্ঠীৰ মাহিলি বৈঠক গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২০ জুলাইঃ** আজাৰা ৰাজহ চক্ৰৰ ধাৰাপুৰস্থিত সাহিত্য-সাংস্কৃতিক অনুষ্ঠান অন্বেষ গোষ্ঠীৰ যোৱা ১৮ জুলাইত মাহিলি বৈঠকৰ লগতে গ্ৰন্থ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হয়। ধাৰাপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত অন্বেষ গোষ্ঠীৰ সভাপতি ড° দিলীপ কুমাৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত মাহিলি বৈঠকৰ আৰম্ভণিতে অন্বেষ গোষ্ঠীৰ সম্পাদক পৰীক্ষিত হালৈয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে উপস্থিত সকলোকে আদৰণি জনোৱাৰ পাছত সহকাৰী সম্পাদক অতুল কলিতাই বিগত বৈঠকৰ কাৰ্যবিৱৰণী পাঠ কৰে। উল্লেখ্য যে মাহিলি বৈঠকৰ স'তে সংগতি ৰাখি অন্বেষ গোষ্ঠীৰ তিনিমহীয়া সাহিত্যালোচনী 'সৃষ্টিৰ অন্বেষ' উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতীয়ে। তদুপৰি অন্বেষ গোষ্ঠীৰ অন্যতম সদস্য জগদীশ গোস্বামীৰ গল্প সংকলন 'কাঠপুতলা'ৰ দ্বিতীয় সংস্কৰণ আনুষ্ঠানিকভাৱে উন্মোচন কৰে প্ৰাগজ্যোতিষ বাতৰি কাকতৰ সাংবাদিক ঘনশ্যাম শইকীয়াই। বৈঠকত ছয়গাঁও মেৰঘৰ গোষ্ঠীৰ সদস্য যতীন গোস্বামী, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ আজাৰা শাখাৰ সম্পাদিকা কুঞ্জলতা মেধি, ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ উৎপল শৰ্মা, ধাৰাপুৰ তালুকৰ সভাপতি তিলক কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক গিৰিন্দ্ৰ কাকতি আদিকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাপতি ড° কলিতাৰ ভাষণৰ অন্তত শলাগৰ শৰাই আগবঢ়াই গোষ্ঠীৰ অন্যতম সদস্য বিতোপন শৰ্মাই।

## পূব মাজুলী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীৰ বৃক্ষৰোপণ কাৰ্যসূচী



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২০ জুলাইঃ** মাজুলী জিলাৰ আগশাৰীৰ স্নাতক শিক্ষানুষ্ঠান পূব মাজুলী মহাবিদ্যলয়ত আজি 'মুখ্যমন্ত্ৰীৰ শিক্ষানুষ্ঠানত বৃক্ষৰোপণ' কাৰ্যসূচী আৰম্ভ কৰা হয়। স্থানীয় পুৰোহিত যদু শৰ্মাই মংগল মন্ত্ৰ উচ্চাৰণ কৰাৰ পাছতেই অধ্যক্ষ দীপক বৰাই এটা বকুল ফুলৰ পুলি ৰোপণ কৰি কাৰ্যসূচী আৰম্ভ কৰে। কাৰ্যসূচীত উপাধ্যক্ষ প্ৰশান্ত ভড়ালী, জ্যেষ্ঠ সহকাৰী অধ্যাপক বুধিন বৰা, যুগল হাজৰিকা, বিজু দত্ত, অঞ্জলী বৰা, সান্ত্বনা তামুলী, গিৰিশ ওজা, দ্বীজেন কুমাৰ শইকীয়া, সূৰ্য দলে, অমূল্য ভূঞা, গ্ৰন্থাগাৰিক ৰুবী গায়ন আৰু জ্যেষ্ঠ আৰু কনিষ্ঠ কাৰ্যালয় সহায়ক ক্ৰমে কৃষ্ণ বৰা আৰু অৰূপ দত্তই সহযোগিতা আগবঢ়াই একোটাকৈ গছপুলি ৰোপণ কৰে। মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, শিক্ষানুষ্ঠানৰ প্ৰতিজন শিক্ষক-কৰ্মচাৰীয়ে চাৰিটাকৈ গছপুলি ৰোপণ আৰু প্ৰতিপালনৰ দায়িত্ব গ্ৰহণ কৰিছে আৰু মহাবিদ্যালয়ৰ চৌহদত পাঁচশ গছপুলি ৰোপণৰ লক্ষ্য স্থিৰ কৰিছে।

## আজমল ফাউণ্ডেছনৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২০ জুলাই ঃ** উত্তৰ পূবৰ অন্যতম স্বেচ্ছাসেৱী সংস্থা আজমল ফাউণ্ডেছনৰ ১৮ বছৰ সম্পূৰ্ণ হৈছে। ১৮ বছৰ সম্পূৰ্ণ হোৱাৰ বাবে কালি আজমল ফাউণ্ডেছনৰ হোজাই বিষ্ণুপল্লীস্থিত মুখ্য কাৰ্যালয়ত উদ্‌যাপন কৰা হয় ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস। আজমল ফাউণ্ডেছনৰ ডিৰেক্টৰ ড° খছৰুল ইছলামৰ সভাপতিত্বত এই উপলক্ষে অনুষ্ঠিত সভাখনত আজমল ফাউণ্ডেছনৰ বিষয়ববীয়াসকল উপস্থিত থাকি নিজৰ কৰ্মময় জীৱনৰ ওপৰত আলোকপাত কৰে আৰু আগন্তুক দিনতো জাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সামাজিক কাম-কাজ কৰি যোৱাৰ পণ গ্ৰহণ কৰে। প্ৰতিষ্ঠা দিৱসত আজমল ফাউণ্ডেছনৰ বহুকেইজন বিষয়া আৰু প্ৰতিষ্ঠাপকসকলক জাপি, ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত আজমল ফাউণ্ডেচনৰ ডিৰেক্টৰ ড° খছৰুল ইছলামে কয় যে সকলোৰে অতি সুচাৰুৰূপে আৰু দায়বদ্ধতাৰে নিজৰ কৰ্ম কৰি যোৱাৰ বাবেই কালি আজমল ফাউণ্ডেছনে সমগ্ৰ দেশতে এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। আগন্তুক দিনতো নিজৰ শ্ৰেষ্ঠতাখিনি উজাৰি সমাজখনক নতুন ৰূপত গঢ় দিয়াৰ বাবে সকলোকে আহ্বান জনায়। ইফালে, আজমল ফাউণ্ডেছনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বহুকেইজন বিশেষভাৱে সক্ষম লোকক আজমল ফাউণ্ডেছনৰ পৰা আৰ্থিক সাহায্য আগবঢ়োৱা হয়। লগতে প্ৰচণ্ড গৰমৰ বাবে পথচাৰীসকলৰ মাজত আজমল ফাউণ্ডেছনে বিতৰণ কৰে শীতল পানীয়। আনহাতে, হোজাইৰ হাম হাস্পতাল, হোজাই এছ অ এছ শিশুগ্ৰাম আৰু হোজাই এফ আৰ ইউত ৰোগীসকলৰ মাজত ফল-মুল আৰু খোৱা বস্তু বিতৰণ কৰা হয়।

## বনগীতৰ অমিয়া সুৰত ৰজনজনাই উঠিল ডিব্ৰুগড় সাহিত্য সভাৰ বাকৰি

### ■ ডিব্ৰুগড় সাহিত্য সভা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ যৌথ উদ্যোগত আয়োজিত বনগীত কৰ্মশালালৈ শ শ অংশগ্ৰহণকাৰীৰ সোঁত

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২০ জুলাই ঃ** ডিব্ৰুগড় সাহিত্য সভা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত অসমীয়া জনজীৱনৰ অমূল্য সম্পদক কণ কণ শিশু-কিশোৰক পৰিচয় কৰাই দিয়াৰ প্ৰশংসনীয় পদক্ষেপ। কে'বা শতাধিক শিশু-কিশোৰৰ মাজত প্ৰথমবাৰলৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ডিব্ৰুগড় সাহিত্য সভাৰ অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ বনগীতৰ বিশাল কৰ্মশালা। উল্লেখ্য যে মানুহৰ প্ৰকৃতিৰ স'তে ওতঃপ্ৰোত সম্পৰ্ক আছে। প্ৰকৃতিৰ এই অনন্য ৰূপৰ সৌন্দৰ্যৰ স'তে নিজৰ মনোভাব বৰ্ণনাৰে লিখিত হোৱা গীতবোৰক কোৱা হৈছিল বনগীত। অসমীয়া জনজীৱনৰ অনন্য স্পৰ্শৰ যিবোৰ গীত গালে শ্ৰোতাৰ মনচক্ষুত নিভাঁজ মোহনীয় প্ৰকৃতিৰ চিত্ৰখন ভাহি উঠে, যিবোৰ গীত গালে এক তীব্ৰ আৱেগে হৃদয় স্পৰ্শ কৰি যায় এই গীতসমূহ কিন্তু আধুনিকতাৰ ধামখুমীয়াত হেৰাই যোৱাৰ ক্ৰমান্বয়ে উপক্ৰম ঘটিছে। বৰ্তমান প্ৰায় চৰ্চা নোহোৱা, তথা নতুন প্ৰজন্মৰ বাবেও প্ৰায় অচিনাকি এই 'বনগীতৰ' এক কৰ্মশালাৰে কণ কণ শিশু-কিশোৰৰ মনত সাঁচ দিয়াৰ প্ৰচেষ্টা ডিব্ৰুগড় সাহিত্য সভা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ যৌৰ্থ উদ্যোগত। থলুৱা অসমীয়া সংগীতৰ স্বকীয়তা ৰক্ষা কৰা এই বনগীতৰ কৰ্মশালাৰ সমল ব্যক্তি হিচাপে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ শিল্পী তথা থলুৱা সংগীতৰ একনিষ্ঠ সাধক শিল্পী ভুৱন গগৈ উপস্থিত থাকি কে'বা শতাধিক শিশু-কিশোৰক প্ৰশিক্ষণ প্ৰদান কৰে। এই কৰ্মশালাত সহযোগী শিল্পীৰূপে প্ৰশিক্ষণত সহায় আগবঢ়াই ভাৱনা গগৈ, ডিম্পল নাথ, পূজা প্লাৱিতা পাত্ৰ, বাদ্যযন্ত্ৰ-বিশিষ্ট লোকশিল্পী জিতেন দাস, জনপ্ৰিয় মেণ্ডলিন বাদক তথা শিল্পী পদুম বৰগোহাঁই, মইনা পাৰিজাতৰ পৰিচালক তথা শিশু প্ৰেমী ৰাজীৱ ফুকন, শিল্পী চুমী ফুকন আদিয়ে। গ্ৰীষ্মকালীন বন্ধৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত এই কৰ্মশালাক লৈ অভিভাৱক, শিশু-কিশোৰৰ বিপুল সঁহাৰি দেখা যায়। মাত্ৰ এদিনৰ বাবে আয়োজিত এই কৰ্মশালাত শিশু-কিশোৰৰ লগতে অভিভাৱকেও অংশগ্ৰহণ কৰা দেখা যায়। ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱৰা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু সম্পাদক ৰাতুল বুঢ়াগোহাঁই, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ যুটীয়া সম্পাদক তথা ডিব্ৰুগড় সাহিত্য সভাৰ সাংগঠনিক সম্পাদক জেচিম আহমেদ, বৰ বিহুৱতী তথা সাংস্কৃতিক কৰ্মী ৰুবী সন্দিকৈ, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তণ অধ্যাপিকা ড° ৰুণুমা শৰ্মা, লামডিং মহাবিদ্যালয়ৰ প্ৰাক্তণ অধ্যাপিকা আৰাধনা দত্ত, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, শিক্ষয়িত্ৰী উদয়ন্তী দত্ত হাজৰিকা, মীনাক্ষী দাস বৰুৱাৰ লগতে বহু বৰেণ্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক সাংবাদিক যাদৱ গগৈয়ে। উল্লেখ্য যে অসমীয়া জনজীৱন তথা চহা কথাৰ আপুৰুগীয়া সম্পদ স্বৰূপ বনগীতসমূহৰ মাজৰ আনন্দিৰাম দাসৰ 'কোন সেই ৰূপহী ঘাট ঐ মইনাৰ' লগতে বনগীত 'আঘোণী অ আঘোণী', 'ইকৰা পাতেৰে চৈখন সাজিলে', 'নৈৰ পাৰে পাৰে', 'জোনে দিশত নাচিছে' আদি আপুৰুগীয়া বনগীতসমূহে জীপাল কৰি তোলে সাহিত্য সভাৰ চৌহদ। স্বাভাৱিকতে জনজীৱনৰ পৰা হেৰাই তথা লুপ্ত হ'বলৈ ধৰা বনগীতৰ কৰ্মশালাই যুৱ তথা শিশুসকলক আকৰ্ষিত কৰে।

## বিশ্বনাথ মহাবিদ্যালয়ত অসম গণিত শিক্ষায়তনৰ প্ৰতিষ্ঠা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২০ জুলাই ঃ** আজি বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাংগণত অসম গণিত শিক্ষায়তনৰ বিশ্বনাথ জিলা সমিতিয়ে ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। অসম গণিত শিক্ষায়তনৰ বিশ্বনাথ জিলাৰ সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানত সভাপতি ড° অৰুণ চলিহাই অসম গণিত শিক্ষায়তনৰ পতাকা উত্তোলন কৰে। বিশ্বনাথ মহাবিদ্যালয়ৰ গণিত আৰু বিজ্ঞান বিষয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজত গণিত শিক্ষাৰ গুৰুত্ব আৰু জনপ্ৰিয়কৰণৰ ওপৰত চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰিপুঞ্জয় বৰদলৈ আৰু দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক সঞ্জীৱ গগৈয়ে বক্তব্য দাঙি ধৰে। আজিৰ প্ৰতিষ্ঠা দিৱসত অসম গণিত শিক্ষায়তনৰ কেন্দ্ৰীয় সমিতিৰ সদস্য চতিয়াৰ ভাস্কৰজ্যোতি আদৰ্শ বিদ্যাপীঠৰ নৱজ্যোতি ওজা, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যাপিকা প্ৰণামী ফুকন উপস্থিত থাকে। সভাপতিৰ ভাষণত বিশ্বনাথ মহাবিদ্যালয়ৰ গণিত বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰুণ চলিহাই সাংবাদিকক জনোৱা অনুসৰি, ১৯৮৬ৰ ১৮ জুলাইত বিশিষ্ট গণিতজ্ঞ ড° বুদ্ধপ্ৰসাদ চেতিয়াৰ সভাপতিত্বত আৰু ড° তাৰকেশ্বৰ চৌধুৰীয়ে সম্পাদকৰ দায়িত্ব লৈ গঠন কৰিছিল 'অসম গণিত শিক্ষায়তন' নামৰ গণিত শিক্ষাক শিশুৰ মাজত জনপ্ৰিয় কৰা এই অনুষ্ঠানৰ। অহা ২১ আগষ্টত সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'বলগীয়া গণিত অলিম্পিয়াডৰ প্ৰস্তুতি কৰ্মশালাসমূহ অসম গণিত শিক্ষায়তনৰ বিশ্বনাথ জিলাই ১৯ জুলাইৰ পৰা গহপুৰ, বিশ্বনাথ, চতিয়া আৰু দিকৰাই অঞ্চলৰ পঞ্চম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰিব বুলি সাংবাদিকক জানিবলৈ দিয়ে।

## এককালীন সাহায্য-ক্ৰীড়া পেঞ্চনৰ বাবে আবেদনৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২০ জুলাই ঃ** ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ে অসমৰ স্থায়ী বাসিন্দা তথা অলিম্পিক গেমছ, এছিয়ান গেমছ, কমনৱেলথ গেমছ, বিশ্ব চেম্পিয়নশ্বিপ (অলিম্পিকৰ স্বীকৃতি প্ৰাপ্ত খেলসমূহ) আৰু নেছনেল গেমছত পদক লাভ কৰা খেলুৱৈসকলক ক্ৰীড়া পেঞ্চন (এককালীন বিত্তীয় সাহায্য আৰু নিয়মীয়া ক্ৰীড়া পেঞ্চন) প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি মাজুলী জিলাতো ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ত এনে খেলুৱৈসকলৰ তালিকা প্ৰস্তুত কৰি থকা হৈছে। পদক প্ৰাপকসকলক অহা ২৬ জুলাইৰ ভিতৰত পদক লাভৰ প্ৰমাণপত্ৰ, নিয়োগ স্থিতি উল্লেখ কৰি শপতনামা, বেংক পাছবুক, নিয়োগকৰ্তা ই জাৰি কৰা পৰিচয় পত্ৰ (চৰকাৰী, অৰ্ধচৰকাৰী, ব্যক্তিগত, অন্যান্য ক্ষেত্ৰত প্ৰযোজ্য), ভোটাৰ পৰিচয়পত্ৰ আৰু স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰসহ জিলা ক্ৰীড় বিষয়াৰ কাৰ্যালয়ত যোগাযোগ কৰিবলৈ ক্ৰীড়া বিষয়াগৰাকীয়ে আহ্বান জনাইছে। ২০২১-২২ত ক্ৰীড়া পেঞ্চন আঁচনিৰ বাবে বাছনিভুক্ত হোৱা ক্ৰীড়াবিদসকলে আকৌ এবাৰ ইয়াৰ বাবে আবেদন কৰিব নালাগে।

## ৰূপহী মহাবিদ্যালয়ত তথ্য জনাৰ অধিকাৰ আইন ভেঁকোভাওনা হোৱাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২০ জুলাই ঃ** নগাঁও জিলাৰ উত্তৰ অঞ্চলৰ আগশাৰীৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ৰূপহী মহাবিদ্যালয় কৰ্তৃপক্ষই মাহৰ পাছত মাহ ধৰি তথ্য জনাৰ অধিকাৰ আইন (আৰটিআই)ৰ অধীনত দাখিল কৰা কে'বাখনো আবেদনৰ তথ্য প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগ উঠিছে। ২০২০ত আব্দুল মন্নান চৌধুৰী নামৰ এজন লোকে দাখিল কৰা আৰটিআই আবেদনৰ পৰিপ্ৰেক্ষিতত নানা অজুহাত দেখুৱাই তথ্য প্ৰদান কৰা নাছিল মহাবিদ্যালয় কৰ্তৃপক্ষই। কিন্তু উচ্চ শিক্ষা সঞ্চালকৰ কঠোৰ নিৰ্দেশৰ পাছত প্ৰায় দুবছৰ পাছত মাত্ৰ এটা বিত্তীয় বৰ্ষৰ সামান্য তথ্য প্ৰদান কৰে আবেদনকাৰীক। মহাবিদ্যালয় কৰ্তৃপক্ষই পাঁচ বছৰৰ পৰিৱৰ্তে এটা বছৰৰ তথ্য প্ৰদান কৰাত আবেদনকাৰীজনে আপত্তি দৰ্শাই পত্ৰ প্ৰেৰণ কৰে আৰু মহাবিদ্যালয় কৰ্তৃপক্ষই 'নাক'ৰ পৰিদৰ্শনৰ পাছত বিষয়টো বিবেচনা কৰিব বুলি এখন পত্ৰ প্ৰেৰণ কৰে। কিন্তু মহাবিদ্যালয়ত 'নাক'ৰ পৰিদৰ্শন নহ'ল আৰু সেই গুৰুত্বপূৰ্ণ তথ্যও প্ৰদান নকৰিলে। ইপিনে, আকবৰ আলী নামৰ এজন আৰটিআই কৰ্মীয়ে কেতবোৰ কামৰ প্ৰাককলন বিচাৰি চলিত ২০২২ত দাখিল কৰা আৰটিআই আবেদনখনো মহাবিদ্যালয় কৰ্তৃপক্ষই 'নাক'ৰ পৰিদৰ্শনৰ ব্যস্ততা দেখুৱাই তথ্য প্ৰদান নকৰিলে। ইয়াৰ উপৰি পুঁজিৰ ব্যৱহাৰিক প্ৰমাণপত্ৰ আৰু বেংকৰ লেনদেনৰ তথ্য বিচাৰি এগৰাকী সচেতন ব্যক্তিয়ে ২০২২ত দাখিল কৰা আন এখন আৰটিআই আবেদন 'নাক'ৰ পৰিদৰ্শনৰ অজুহাত দেখুৱাই তথ্য প্ৰদান নকৰিলে। উল্লেখ্য যে সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ভুৱনানন্দ পাটনায়কৰ কাৰ্যকালত ৰাজ্য চৰকাৰ, বিশ্ববিদ্যালয় অনুদান আয়োগ, ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি, পৰীক্ষাৰ প্ৰপত্ৰ পূৰণ, মহাবিদ্যালয়ৰ শুভাকাংক্ষীৰ পৰা প্ৰাপ্ত পুঁজিৰ তথ্য বিচাৰি কে'বাখনো আৰটিআই আবেদন দাখিল কৰা হৈছিল। কিন্তু প্ৰথমে মাৰ্চত আৰু পাছলৈ মে'ত 'নাক'ৰ পৰিদৰ্শন হ'ব বুলি প্ৰসংগ আনে যদিও মূৰকত 'নাক'ৰ পৰিদৰ্শনেই নহ'ল। 'নাক'ৰ পৰিদৰ্শন হ'ব বুলি কৈ আৰটিআইৰ তথ্য প্ৰদান কৰাৰ পৰা বিৰত থকাটো আইনসংগত হ'ব নোৱাৰে। তদুপৰি 'নাক'ৰ সূচী জাৰি নোহোৱা সত্ত্বেও তেনে অজুহাত দেখুৱাটো সমীচীন হোৱা নাই বুলি আৰটিআই আবেদনকাৰীসকলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। মহাবিদ্যালয় কৰ্তৃপক্ষই এই গুৰুত্বপূৰ্ণ তথ্যসমূহ প্ৰদান নকৰাৰ আঁৰৰ ৰহস্যনো কি সেই লৈ সচেতন মহলৰ মাজত প্ৰশ্ন উঠিছে।

## সাংবাদিকৰ স'তে গোৱালপাৰাৰ নৱনিযুক্ত উপায়ুক্তৰ মত বিনিময়

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২০ জুলাই ঃ** গোৱালপাৰাৰ নৱনিযুক্ত উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে কালি সাংবাদিকৰ স'তে মত বিনিময় কৰে। উল্লেখ্য যে খনীন্দ্ৰ চৌধুৰীয়ে কালি গোৱালপাৰাৰ জিলা উপায়ুক্ত হিচাপে দায়িত্বভাৰ লোৱাৰ পাছতেই আজি সাংবাদিকৰ স'তে মত বিনিময় কৰে। জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত চিনাকি তথা মত বিনিময় অনুষ্ঠানত জিলাখনৰ বিভিন্ন দিশ সম্পৰ্কে পৰ্যালোচনা কৰা হয়। অনুষ্ঠানত উপস্থিত থকা সাংবাদিকসকলে জিলাখনৰ বিভিন্ন সমস্যা তথা গুৰুত্বপূৰ্ণ কেতবোৰ দিশত গুৰুত্ব দিবলৈ উপায়ুক্তক আহ্বান জনায়। অনুষ্ঠানত জিলা উপায়ুক্তয়ে কয় যে গোৱালপাৰা জিলাখনৰ উন্নয়নৰ স্বাৰ্থত আমি সকলোৱে একলগে কাম কৰিব লাগিব। তাৰ বাবে সাংবাদিকসকলৰ সহায়-সহযোগিতা কামনা কৰে জিলা উপায়ুক্তজনে।

## মাকুমত আটছাৰ সম্বৰ্ধনা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ২০ জুলাই ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা আটছা মাকুম শাখাৰ উদ্যোগত মাকুম মহাবিদ্যালয় প্ৰেক্ষাগৃহত অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা মালবিকা ভূঞা ফুকন, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ বৰাইক, আটছা নেতা কনক কুৰ্মী, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক শৰৎ কুৰ্মী, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰাজু কুৰ্মী, বীৰ ৰাঘৱ মৰাণ আদৰ্শ মহাবিদ্যালয়ৰ অধ্যাপিকা প্ৰণিতা নেওগ, আৰডি কনিষ্ঠ মহাবিদ্যালয়ৰ সঞ্চালক মনোজ ধানোৱাৰ, অসম লোকসেৱা আয়োগৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ কিৰণ কুৰ্মী, আটছা মাকুম শাখাৰ উপদেষ্টা নৰসিং গড়, আটছা জিলা সভাপতি জগত নায়ক, আটছা গোলাঘাট জিলা সমিতিৰ সম্পাদক সুশীল কালন্দি, কেন্দ্ৰীয় সদস্য বিপুল কুৰ্মী, আটছাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক শংকৰ সিং ৰাজপুত, যোগেশ্বৰ কুৰ্মী, আটছাৰ প্ৰাক্তন জিলা সভাপতি পৰেশ গোৱালা, অভিযন্তা অৱধেশ গোস্বামী, জিলা সমিতিৰ শিক্ষা আৰু সাহিত্য সম্পাদক কাৰ্তিক তাঁতী, উপ-সভাপতি ৰমেন দাস, সাংগঠনিক সম্পাদক হৰেন কুৰ্মী, কাৰ্যনিৰ্বাহক সদস্য দেবাৰু কুৰ্মী, দীপক কুশল দাস, মাকুম শাখাৰ প্ৰাক্তন সভাপতি দয়াৰাম ভক্তা, সভাপতি বিকাশ তাঁতী উপস্থিত থাকে।

## মৰাণত বনগীতৰ কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২০ জুলাই ঃ** অসমীয়া সমাজত লোপ পাব পৰা বনগীতবিলাক পুনৰ সজীৱ কৰি তোলাৰ মানসেৰে যোৱা ১৬ আৰু ১৭ জুলাইত মৰাণত এটি বনগীতৰ কৰ্মশালা অনুষ্ঠিত হয়। মৰাণৰ সুৰপিয়াসী নামৰ মহিলা সাংস্কৃতিক মঞ্চৰ উদ্যোগত ওমেন এন্টাৰপ্ৰাইজত অনুষ্ঠিত কৰ্মশালাত প্ৰশিক্ষক হিচাপে ভাগ লয় বনগীতৰ অনাতাঁৰ শিল্পী, গীতিকাৰ লুইত দাসে। কৰ্মশালা উদ্বোধন কৰে কবি মানসী গগৈ বৰুৱাই। সুৰপিয়াসীৰ সভানেত্ৰী দীপালী চুতীয়া ফুকন, সম্পাদিকা বীণা গোহাঁই কোঁৱৰৰ পৰিচালনাত অনুষ্ঠিত কৰ্মশালাখনত মৰাণ অঞ্চলৰ বহুসংখ্যক ছাত্ৰী, মহিলাই অংশগ্ৰহণ কৰে। কৰ্মশালাৰ শেষত প্ৰমাণপত্ৰ বিতৰণৰ সভাৰ আঁত ধৰে শিক্ষয়িত্ৰী অঞ্জুশ্ৰী ফুকনে।



পাটাছাৰকুছিত গ্ৰীষ্মকালীন পাঠদান অনুষ্ঠানত অংশগ্ৰহণকাৰী একাংশ শিশু।

## মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীৰ জিলা পৰ্যায়ত আৰম্ভ বঙাইগাঁৱৰ উপায়ুক্তৰ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২০ জুলাই ঃ** অসমৰ মুখ্যমন্ত্ৰীয়ে অনুষ্ঠান-প্ৰতিষ্ঠানত এক বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীৰ অংশ হিচাপে যোৱা ১৮ জুলাইত বঙাইগাঁও জিলাত উপায়ুক্ত নৱদ্বীপ পাঠকে বৃক্ষৰোপণৰ আৰম্ভ কৰে। জিলাখনৰ বইটামাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত আমগুৰিস্থিত শ্ৰীশ্ৰী মাধৱদেৱ সত্ৰ চৌহদত উপায়ুক্ত পাঠকে শিলিখা, আমলখি আদি ঔষধি গুণসম্পন্ন বৃক্ষৰোপণ কৰি মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰা কাৰ্যসূচীৰ জিলা পৰ্যায়ত আৰম্ভ কৰে। বৃক্ষৰোপণ কৰি উপায়ুক্তই কয় যে পৰিৱেশ সংৰক্ষণৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যসূচী গ্ৰহণ কৰিছে আৰু প্ৰতিখন জিলাতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী কাৰ্যালয়, সংস্থা সকলোতে বৃক্ষৰোপণ কৰিবলৈ আহ্বান জনাইছে। আমলখি, শিলিখা, অগৰু, চন্দন, মধুৰিআম, জলফাই আদি মূল্যৱান গছ ৰোপণৰ জৰিয়তে পৰিৱেশ সুৰক্ষাৰ লগতে ৰাইজে বৃক্ষসমূহৰ দ্বাৰা ঔষধি দ্ৰব্য লাভ কৰিও উপকৃত হ'ব। তেওঁ আৰু ১৩ পৃষ্ঠাত চাওক

## যোৰহাটত চ'ক বজাৰৰ সন্মুখৰ পৰা মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২০ জুলাই ঃ** যোৰহাট নগৰৰ মধ্যস্থল চ'ক বজাৰৰ সন্মুখৰ পৰা আৰক্ষীয়ে পিটপিটাই থকাৰ মাজতে এখন মটৰ চাইকেল চোৰে চুৰি কৰি নিয়ে। তথ্য মতে, দক্ষিণ যোৰহাটৰ কৰঙা চমুৱা গাঁৱৰ বিজয় পাচনীয়া বজাৰৰ সন্মুখত নিজৰ এএছ-০৩ এল-৯২৯৫ নম্বৰ হিৰ'হোণ্ডা স্প্লেণ্ডাৰ মটৰ চাইকেলখন ৰখাই বজাৰ কৰিছিল। কিন্তু ঘূৰি আহি বাহনখন প্ৰত্যক্ষ নকৰাত পাছত যোৰহাট সদৰ থানাত এই সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে। মনকৰিবলগীয়া যে চ'ক বজাৰৰ যি স্থানৰ পৰা বাহনখন চুৰি হৈছে তাৰ কেই ফাৰ্লংমান দূৰত্বত তিনিও দিশতে যানবাহন আৰক্ষীয়ে অনবৰতে পহৰা দি থাকে। তেনেস্থলত আৰক্ষীৰ পহৰাৰ মাজদি বাহনখন সৰকাই নিবলৈ সক্ষম হোৱা ঘটনাই সকলোকে চিন্তিত কৰি তুলিছে।

## যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত সমূহীয়া কঠীয়াতলি আঁচনি

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২০ জুলাই ঃ** ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২২-২০২৩ৰ অধীনত যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত বানত কঠীয়া নষ্ট হোৱা কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে জিলাখনৰ বিভিন্ন অঞ্চলত 'সমূহীয়া কঠীয়াতলি' আঁচনিখন আৰম্ভণি কৰা হৈছে। জিলা কৃষি বিভাগৰ উদ্যোগত ইতিমধ্যে মৰিয়নি, চেলেংহাট আৰু টীয়কত 'সমূহীয়া কঠীয়াতলি' আঁচনিৰ আৰম্ভণি কৰাৰ পাছত যোৱা ১৮ জুলাইত এলেংমৰা কৃষি চক্ৰৰ বেজীজান গাঁও আৰু তিতাবৰ কৃষি চক্ৰৰ বেজৰ চুকৰ খামজংগীয়া গাঁৱৰ 'সমূহীয়া কঠীয়াতলি'তো কঠীয়া সিঁচা হয়। এলেংমৰা বেজীজান গাঁৱৰ 'সমূহীয়া কঠীয়াতলি'ত কঠীয়া সিঁচা অনুষ্ঠানত মহকুমা কৃষি বিষয়া (মাটি) অনুপ কুমাৰ পেগু, এলেংমৰা কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া উৎপল ভূঞা, এলেংমৰা কৃষি চক্ৰৰ সদ্য অৱসৰপ্ৰাপ্ত কৃষি উন্নয়ন বিষয়া অনিল দৰবধৰা, কৃষি বিভাগৰ যোৰহাট জিলাৰ মিডিয়া বিশেষজ্ঞ আভা ভৰালী, এক নম্বৰ সোণাৰী অঞ্চলৰ কৃষি পৰিদৰ্শক প্ৰফুল্ল খাউণ্ড, কৃষি সম্প্ৰসাৰণ সহায়ক ৰাজীৱ শৰ্মা, দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি মনোৰঞ্জন গগৈ, উদ্যোগী কৃষক অজিত বৰা আৰু স্থানীয় বহুকেইজন কৃষক উপস্থিত থাকে। আনহাতে, একেদিনাই তিতাবৰ কৃষি চক্ৰৰ বেজৰ চুকৰ খামজংগীয়া গাঁৱতো 'সমূহীয়া কঠীয়াতলি' আঁচনিৰ কঠীয়া সিঁচা হয়। উক্ত অনুষ্ঠানটোত ভাৰপ্ৰাপ্ত মহকুমা কৃষি বিষয়া ৰুবুল বৰগোহাঁই, তিতাবৰ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া লেখিকা বৰগোহাঁই, কৃষি পৰিদৰ্শক দিগন্ত দত্ত, কৃষি উপ-পৰিদৰ্শক অশোক বৰগোহাঁই উপস্থিত থাকে।

## টীয়কত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

অগ্ৰদূত বাৰ্তা

**জাঁজী, ২০ জুলাই ঃ** যোৰহাট জিলাৰ টীয়কবাসীৰ সুবিধাৰ্থে টীয়ক নগৰৰ মাজমজিয়াত অলপতে মুকলি কৰা হয় অংকিত ডায়গ্নষ্টিক চেণ্টাৰ নামৰ এটা স্বাস্থ্য পৰীক্ষাগাৰ। পৰীক্ষাগাৰটোৰ উদ্যোগত অহা ২২ জুলাইত সকলো লোকৰ বাবে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ আয়োজন কৰিছে। পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা এই স্বাস্থ্য পৰীক্ষা শিবিৰত অভিজ্ঞ চিকিৎসক হিতেশ্বৰ শইকীয়াৰ তত্ত্বাৱধানত অনুষ্ঠিত শিবিৰটোত বিনামূলীয়া চিকিৎসা প্ৰদানৰ লগতে ছুগাৰ, ইউৰিক এছিডৰ লগতে স্বাস্থ্যৰ বহুকেইটা বিনামূলীয়া পৰীক্ষা কৰা হ'ব বুলি জানিবলৈ দিছে স্বত্বাধিকাৰ ৰাজু বৰাই।

## ৰংজুলি কেন্দ্ৰ উন্নয়ন কমিটীৰ উদ্যোগত ৪৪ কৃতী ছাত্ৰ-ছাত্ৰীক বিশেষ অভিনন্দন

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২০ জুলাই ঃ** সদ্য ঘোষিত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে যোৱা ১৮ জুলাইত ৰংজুলি কেন্দ্ৰ উন্নয়ন কমিটীৰ উদ্যোগত ৰংজুলি প্ৰগতি সংঘ প্ৰেক্ষাগৃহত বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰংজুলি কেন্দ্ৰ উন্নয়ন কমিটীৰ সভাপতি স্বপন কুমাৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠান বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰোহিণী কুমাৰ পাঠকে। অনুষ্ঠানত ৪৪ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, অভিনন্দন পত্ৰ আৰু কিতাপৰ টোপোলাৰে অভিনন্দন জ্ঞাপন কৰা হয়। ইয়াৰে ৩৩ গৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতী শিক্ষাৰ্থী আৰু ১১ গৰাকী উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী। এইসকলৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃষি আৰু উদ্যান শস্য বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ এশৰ ভিতৰত এশ লাভ কৰা ভূমন জ্যোতি ৰাভা, উচ্চতৰ মাধ্যমিকত অসমৰ ভিতৰত কৃষি আৰু উদ্যান শস্য বিষয়ত সৰ্বোচ্চ ৯৯ শতাংশ ১৩ পৃষ্ঠাত চাওক

## মুছলপুৰত উইচ ফাউণ্ডেছনৰ ৱাও বাহন মুকলি

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২০ জুলাই ঃ** দেশ তথা ৰাজ্যত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে। যিটোৱে অধিক চিন্তিত কৰি তুলিছে স্বাস্থ্য বিভাগক। সেয়ে বাগ্‌সা জিলাৰ সদৰস্থ মুছলপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চৌহদত কালি উইচ ফাইণ্ডেছনৰ উদ্যোগত আৰু বাগ্‌সা জিলা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সহযোগত ওৱেলনেচ অন হুইল ভান চমুকৈ 'ৱাও' মুকলি কৰা হয়। এই বাহনখন মুকলি কৰে বাগ্‌সা জিলাৰ অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰে। জিলাখনত দ্বিতীয়বাৰৰ বাবে মুকলি কৰা এনে বাহন মুকলি কৰি স্বাস্থ্য বিভাগৰো দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰে কয় যে এই বাহনখনে জিলাখনৰ অতি দুৰ্গম অঞ্চলবোৰত বিশেষভাৱে সক্ষম, গৰ্ভৱতী, প্ৰসূতি আৰু বয়জ্যেষ্ঠসকলক নিৰ্দিষ্ট এটা ১৩ পৃষ্ঠাত চাওক

## জনকল্যাণ সমিতিৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান-কুইজ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**চেপন, ২০ জুলাইঃ** উজনি অসমৰ অবিভক্ত শিৱসাগৰ জিলাৰ স্বেচ্ছাসেৱী বেচৰকাৰী সংগঠন বকতা-খালৈঘোগুৱা সংস্কৃতি আৰু জনকল্যাণ সমিতিৰ সপ্তদশ বাৰ্ষিক কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান আৰু পঞ্চদশ বাৰ্ষিক ড° হৰেন্দ্ৰ নাথ ফুকন সোঁৱৰণী অসম ভিত্তিক প্ৰাইজমানি কুইজ প্ৰতিযোগিতা অহা ২৪ জুলাইত বকতা কোঁৱৰটিং ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। স্থানীয় নঙলামৰা-নেমুগুৰি শাখা সমিতিৰ আতিথ্যত, বকতা গোহাঁই গাঁও আৰু বকতা নেমুগুৰিবাসীৰ সহযোগত অনুষ্ঠিত হ'ব লগা অভিনন্দন অনুষ্ঠান আৰু প্ৰাইজমানি কুইজ প্ৰতিযোগিতাৰ কাৰ্যসূচী সমূহীয়া বৃক্ষৰোপণেৰে আৰম্ভ কৰা হ'ব। সেইদিনা পুৱা বৃক্ষৰোপণ কাৰ্যসূচী সমাপন কৰিব বকতা নেমুগুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃ নিৰ্মালী দাসে। ইয়াৰ পাছতে জনকল্যাণ সমিতিৰ মূল পতাকা আৰু আয়োজক সমিতি নঙলামৰা-নেমুগুৰি শাখা সমিতিৰ পতাকা উত্তোলন কৰিব ক্ৰমে অতুল বৰুৱা আৰু পূৰ্ণানন্দ ঘৰফলীয়াই। স্মৃতি তৰ্পণ কাৰ্যসূচী সমাপন কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি চুচন গগৈয়ে। পাছত পঞ্চদশ বাৰ্ষিক ড° হৰেন্দ্ৰ নাথ ফুকন সোঁৱৰণী অসম ভিত্তিক প্ৰাইজমানি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিটো দলত দুজনকৈ প্ৰতিযোগীয়ে অংশ ল'ব পাৰিব। প্ৰতিযোগিতাৰ যোগদান মাচুল দুশ টকা। আগ্ৰহী প্ৰতিযোগীসকলে অধ্যয়নৰত বিদ্যালয়ৰ প্ৰমাণপত্ৰ দিব লাগিব। ১৩ পৃষ্ঠাত চাওক

## বিহপুৰীয়াত আদৰ্শ গাঁও পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ ব্যক্তিগত বিভাগৰ সচিবৰ

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২০ জুলাই ঃ** বিহপুৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত বাঁহগড়া আৰু বৰাইখনা আদৰ্শ গাঁও দুখন পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰীৰ ব্যক্তিগত বিভাগৰ সচিব যাদৱ শইকীয়াই। যোৱা ১৬ জুলাইত বাঁহগড়াৰ আদৰ্শ গাঁও পৰিদৰ্শন কৰাৰ পাছত আজি বিহপুৰীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰাইখনা আদৰ্শ গাঁও পৰিদৰ্শন কৰে যাদৱ শইকীয়াই। এই উদ্দেশ্যে যোৱা ১৯ জুলাইত বাগিচা গাঁও নামঘৰ প্ৰাংগণত বিহপুৰীয়া গাঁও পঞ্চায়তৰ সভাপতি মোহন বৰাৰ সভাপতিত্বত এখন গাঁও সভা অনুষ্ঠিত হয়। বিহপুৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি দীপক সভাপণ্ডিতে আঁত ধৰা সভাখনত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত বিভাগৰ সচিব শইকীয়াই গাঁওবাসীৰ লগত বিভিন্ন উন্নয়নমূলক আঁচনি সম্পৰ্কত ৰাইজৰ লগত মত বিনিময় কৰে। আদৰ্শ গাঁৱৰ বাবে প্ৰথম পৰ্যায়ত মোকলাই দিয়া ৫০ লাখ টকাৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ সম্পৰ্কত বিভিন্ন বিভাগৰ বিষয়াসকলৰ লগত মত বিনিময় কৰে শইকীয়াই। গাঁও সভাখনত লখিমপুৰ জিলা জ্যেষ্ঠ পৰিকল্পনা বিষয়া বগেন কুমাৰ দাস, জিলা উন্নয়ন বিষয়া মনোজ বৰুৱা, ১৩ পৃষ্ঠাত চাওক



নলবাৰীৰ মৰোৱাত ধান ক্ৰয় কেন্দ্ৰ মুকলি উপায়ুক্তৰ, বুধবাৰে।

## অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডিম্বেশ্বৰ বৰুৱাৰ দেহাৱসান

**শিৱসাগৰ, ২০ জুলাই ঃ** শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডিম্বেশ্বৰ বৰুৱা (৯৫)ৰ কালি পুৱা ৯.১৫ বজাত কেপিএম চাৰিআলিৰ সমীপৰ লোকনাথ নেওগ পথৰ নিজা বাসগৃহত দেহাৱসান ঘটে। তেওঁৰ মৃত্যু বাতৰি বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধৰ লগতে একালৰ সহকৰ্মী, প্ৰাক্তন ছাত্ৰৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ নশ্বৰদেহত পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰে। জাঁজী মৰাণ গাঁৱৰ প্ৰাথমিক বিদ্যালয়তে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা বৰুৱাই জাঁজী হাইস্কুলৰ পৰা ১৯৪৭ত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত ১৯৪৯ত কটন মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক আৰু ১৯৫২ত একেখন মহাবিদ্যালয়ৰ পৰাই পদাৰ্থ বিজ্ঞান বিষয়ত সন্মান বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী সম্পন্ন কৰে। কিন্তু সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞান বিভাগত স্নাতকোত্তৰ পঢ়াৰ ব্যৱস্থা নাছিল বাবেই তাতেই তেওঁ গণিত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী সম্পন্ন কৰে। ঘৰুৱা সমস্যাৰ বাবে অন্য চাকৰিলৈ মন নেমেলি তেওঁ শিক্ষকতা বৃত্তিকে লৈ ১৯৫৪ত শদিয়াৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক পদত যোগদান কৰি কৰ্মজীৱনৰ পাতনি মেলিছিল। ইয়াৰ পৰৱৰ্তী সময়ত বদলিৰ সূত্ৰে শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়, ডিফু ছোৱালী হাইস্কুল, গোলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কিছু বছৰ চাকৰি কৰাৰ পাছত ১৯৭৭ত শিৱসাগৰ চৰকাৰী বিদ্যালয়লৈ বদলি হৈ আহে। ইয়াতেই দীৰ্ঘসময় শিক্ষকতা কৰি ১৯৮৯ত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। বিভিন্ন সন্মানেৰে সন্মানিত তথা বিশিষ্ট লেখকৰূপে পৰিচিত বৰুৱাৰ মৃত্যুত শিৱসাগৰৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত পত্নীসহ পাঁচ পুত্ৰক ইহসংসাৰত এৰি যায়। আজি আবেলি বহু গুণমুগ্ধৰ উপস্থিতিত থানামুখ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

## বোকাখাত নগৰত নিশা মটৰ চাইকেল দুৰ্ঘটনাত যুৱকৰ থিতাতে মৃত্যু

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ২০ জুলাই ঃ** বোকাখাত আৰক্ষী থানাৰ অন্তৰ্গত নগৰৰ পৰিবহণ নিগমৰ সমুখত যোৱা ১৮ জুলাইৰ নিশা প্ৰায় এক বজাত হোৱা পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হয়। নিহত যুৱকজন কৈলাখাত গাঁৱৰ পৰশমনি বৰা (২০)। প্ৰাপ্ত তথ্য মতে, নিশা এএছ-০৫ আৰ ৭৯৯৮ নম্বৰ মটৰ চাইকেলেৰে যুৱকজনে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে যোৱা মালবাহী এএছ-০২ ই-৭৪৮৪ নম্বৰৰ ট্ৰাকখনে পাছফালে খুন্দিওৱাত পদপথত ছিটিকি পৰে। ফলত তেওঁৰ থিতাতে মৃত্যু হয়। আনহাতে, এজন হোটেল কৰ্মচাৰী সামান্যভাৱে আহত হয়। বোকাখাত আৰক্ষী ঘটনাস্থলীত গৈ ট্ৰাক, মটৰ চাইকেল আৰু মৃতদেহটো উদ্ধাৰ কৰে।

## সাংস্কৃতিক বিনিময়ে আমাৰ মাজত সমন্বয় বৃদ্ধি কৰে ঃ হেমন্ত কুমাৰ ৰাভা

### ■ তামুলপুৰত ৰাভা লোক নৃত্যৰ কৰ্মশালাৰ সফল সামৰণি

অগ্ৰদূতা বাৰ্তা

**তামুলপুৰ, ২০ জুলাই ঃ** বিটিআৰৰ সাংস্কৃতিক বিভাগৰ অধীনস্থ তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আৰু নৃত্যাঞ্জলি কলা-কৃষ্টি কেন্দ্ৰ, তামুলপুৰৰ সহযোগত তামুলপুৰ জিলা সদৰত যোৱা ১২ জুলাইৰ পৰা অনুষ্ঠিত ৰাভা লোক নৃত্যৰ কৰ্মশালাৰ কালি সফল সামৰণি পৰে। এই উপলক্ষে কালি আবেলি তামুলপুৰ সামূহিক কেন্দ্ৰত সাংস্কৃতিক কৰ্মী চিন্ময় পাঠকৰ সঞ্চালনাত অনুষ্ঠিত সামৰণি অনুষ্ঠানত উপস্থিত থাকি বিটিচিৰ মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভাই কয় যে সম্প্ৰতি বিভিন্ন জনগোষ্ঠীসমূহৰ নিজস্ব কলা-সংস্কৃতিসমূহ হেৰাই যাব ধৰিছে। জনগোষ্ঠীসমূহৰ আজিৰ প্ৰজন্মই নাজানে নিজৰ সংস্কৃতিৰ কথা। তেনে সময়তে বিটিআৰৰ সাংস্কৃতিক বিভাগে বিভিন্ন জনগোষ্ঠীসমূহৰ কৃষ্টিসমূহ আন জনগোষ্ঠীৰ নৱ প্ৰজন্মৰ সন্মুখত চিনাকি কৰাই দিয়াৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে ই অতিকে আদৰণীয়। এনে ধৰণৰ সাংস্কৃতিক বিনিময়ে আমাৰ মাজত সমন্বয় বৃদ্ধি কৰে বুলিও মন্তব্য কৰে বিটিচিৰি মনোনীত সদস্য ৰাভাই। সভাত উপস্থিত থাকি তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভাই কয় যে ৰাভা জনগোষ্ঠী এটা নিজস্ব ভাষা, সাংস্কৃতিৰে পৰিপূৰ্ণ চহকী জনগোষ্ঠী। ৰাভা জনগোষ্ঠীৰ যি লোক নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ অইন জনগোষ্ঠীৰ শিশু-কিশোৰ-কিশোৰী ওলায় অহাটো আমাৰ সমাজৰ বাবে শুভ লক্ষণ। ৰাভা জনগোষ্ঠীৰ কলা সংস্কৃতিৰ উত্তৰণৰ বাবে বিটিআৰৰ সাংস্কৃতিক বিভাগ তথা তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰই লোৱা পদক্ষেপক আদৰণি জনোৱাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰে ৰাভা ছাত্ৰ সন্থাৰ নেতাজনে। আজিৰ সামৰণি অনুষ্ঠিত



তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া যুগান্ত বায়ন, নৃত্যাঞ্জলি কলা-কৃষ্টি কেন্দ্ৰ, তামুলপুৰ প্ৰেছ ক্লাবৰ সম্পাদক গুনজিত দাস, নৃত্যাঞ্জলি কলা-কৃষ্টি কেন্দ্ৰৰ অধ্যক্ষ দেৱজিৎ ৰাজবংশী, তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু ৰাভা, বিশিষ্ট সাংস্কৃতিক কৰ্মী মেনকা ৰাভাৰ লগতে প্ৰশিক্ষাৰ্থী, অভিভাৱক-অভিভাৱিকাসকল উপস্থিত থাকে। উল্লেখ্য যে যুৱ সাংস্কৃতিক কৰ্মী সঞ্জয় ৰাভা আৰু জ্যোতিষ্মা ৰাভাই প্ৰশিক্ষণ প্ৰদান কৰা ৰাভা লোক নৃত্য প্ৰশিক্ষণ শিবিৰত তামুলপুৰ জিলা সদৰৰ প্ৰায় শতাধিক শিশু, কিশোৰ-কিশোৰীয়ে ৰাভা লোক নৃত্য হামজাৰ, খকচি, ছাঠাৰৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। আজিৰ সামৰণি অনুষ্ঠানতেই প্ৰশিক্ষাৰ্থীসকলৰ মাজত প্ৰমাণপত্ৰসমূহ বিতৰণ কৰা হয়।

## চিৰাঙৰ শিশুবাৰীত সৰ্প দংশনত চাৰিবছৰীয়া শিশুৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২০ জুলাই ঃ** কালি চিৰাং জিলাৰ আমগুৰি থানাৰ অন্তৰ্গত শিশুবাৰীত বিষাক্ত সাপৰ দংশনত এজনী চাৰিবছৰীয়া কন্যা শিশুৰ মৃত্যু হয়। তথ্য মতে, ঘৰৰ ভিতৰত খেলি থকা অৱস্থাত খালেদা খাতুন নামৰ কন্যা শিশুজনৰ হাতত বিষাক্ত সাপে দংশন কৰে। পাছত পৰিয়ালৰ লোকে জানিব পাৰি হাতখন কাপোৰেৰে বান্ধি ততাতৈয়াকৈ বঙাইগাঁও লৱাৰ আসাম চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। শিশুবাৰী গাঁৱৰ আব্দুল খালেকৰ কন্যা আছিল মৃত শিশু খালেদা খাতুন। উক্ত ঘটনা সংঘটিত হোৱাৰ পাছত অঞ্চলটোত শোকৰ ছাঁ পৰে।

# হাজোত বিদ্যুৎ নিয়মীয়াকৰণ কৰাৰ দাবীত আছুৰ স্মাৰকপত্ৰ প্ৰদান

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২০ জুলাইঃ** অসম চৰকাৰৰ শক্তি বিভাগৰ মন্ত্ৰীয়ে অসমৰ ৰাইজৰ ২৪ ঘণ্টা বিদ্যুৎ যোগান ধৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ পাছতো হাজো ৰাজহ চক্ৰৰ শুৱালকুছি বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ৰ অন্তৰ্গত শিলিগুৰি, বামুন্দী, হালোগাঁও, কয়াটোল, লাহ, সোৱাণচাহ, টোক্ৰাদিয়া, দামপুৰ আদি গাঁওসমূহত বিদ্যুতৰ সঘনাই অহা-যোৱা কৰাৰ ফলত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ লগতে সৰ্বসাধাৰণ ৰাইজ অতিষ্ঠ হৈ পৰিছে। আনহাতে, অঞ্চলটোৰ মূল পথসমূহৰ বহুতো ঠাইত বিদ্যুতৰ খুঁটা পথৰ ওপৰত থকাৰ লগতে কিছু ঠাইত ট্ৰেন্সফৰ্মাৰসমূহ উন্মুক্ত হৈ থকাৰ ফলত অঞ্চলটোৰ গাড়ী, মটৰ আৰু জীৱ-জন্তু বিপদসংকুলভাৱে যাত্ৰা কৰি থকা পৰিলক্ষিত হৈছে।

সেয়েহে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই অঞ্চলটোৰ এই সমূহ গাঁৱত বিদ্যুৎ নিয়মীয়াকৰণ কৰাৰ লগতে পথৰ ওপৰত থকা বিদ্যুতৰ খুঁটা আঁতৰাই আৰু উন্মুক্ত হৈ থকা ট্ৰেন্সফৰ্মাসমূহ বেৰেৰে আৱৰি ৰখাৰ দাবীত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি দাস আৰু সাধাৰণ সম্পাদক ৰুবুল কলিতাৰ স্বাক্ষৰিত স্মাৰকপত্ৰ আজি শুৱালকুছিৰ বিদ্যুৎ উপ-সংমণ্ডল সহকাৰী কাৰ্যবাহী অভিযন্তাৰ হাতত প্ৰদান কৰে। স্মাৰকপত্ৰ প্ৰদান অনুষ্ঠানত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা আৰু মুখ্য সাংগঠনিক সম্পাদক সুৰজিত কলিতা উপস্থিত থাকি অসম চৰকাৰৰ শক্তি বিভাগৰ মন্ত্ৰীয়ে অসমৰ ৰাইজক ২৪ ঘন্টা বিদ্যুৎ যোগান ধৰাৰ প্ৰতিশ্ৰুতি ভুৱা বুলি মন্তব্য কৰি এচাম বিদ্যুৎ বিভাগৰ কৰ্মচাৰীৰ গাফিলতিৰ কাৰণে ৰাইজে এতিয়া নিয়মীয়া বিদ্যুৎ লাভৰ পৰা বঞ্চিত হৈছে বুলিও উল্লেখ কৰে। কাৰ্যসূচীত উপস্থিত থাকে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা, অনুপ দাস, আছু নেতা অভিজিত দাসৰ লগতে বহুকেইজন আছু কৰ্মী।



# বিহপুৰীয়াত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২০ জুলাই ঃ** বিহপুৰীয়া নগৰত আজি পুৱাই সংঘটিত হয় এক পথ দুৰ্ঘটনা। এ এছ-১৫ জি-২৭৭৭ নম্বৰৰ এখন দ্ৰুতবেগী স্ক'ৰপিঅ'ই মহটিয়াই নিয়ে এজন লোকক। প্ৰাতঃভ্ৰমণৰ বাবে ওলাই অহা বিহপুৰীয়া নগৰৰ তিনি নম্বৰ ৱাৰ্ডৰ মমতাজ আলী (৫৮) নামৰ শাৰীৰিকভাৱে সক্ষম লোকজনক বহু দূৰ বাহনখনে চোঁচৰাই নিয়াৰ ফলত থিতাতেই মৃত্যু হয়। আনহাতে, বাহনখনেও পথৰ দাঁতিৰ এটা আৱাসগৃহত খুন্দা মৰাৰ ফলত চালক ৰতন কোঁৱৰ গুৰুতৰভাৱে আহত হয়। ঘটনাস্থলীত বিহপুৰীয়া থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে আহত চালকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# গোৱালপাৰা পৌৰসভাৰ বিৰুদ্ধে উপায়ুক্তক ঠিকাদাৰ-ৰাইজৰ অভিযোগ

## ■ নিৰ্মাণ কমিটীৰ জৰিয়তে উন্নয়নমূলক কাম কৰাৰ প্ৰয়াস

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২০ জুলাই ঃ** গোৱালপাৰা পৌৰসভাই নিবিদা আহ্বান নকৰি নিৰ্মাণ কমিটীৰ জৰিয়তে উন্নয়নমূলক কাম কৰিব বিচৰা বুলি অভিযোগ উঠিছে। এই সন্দৰ্ভত আজি স্থানীয় একাংশ ঠিকাদাৰ আৰু ৰাইজে গোৱালপাৰাৰ উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। অভিযোগ পত্ৰত উল্লেখ কৰা মতে, চৰকাৰৰ নিয়ম-নীতি নামানি প্ৰতিটো ৱাৰ্ডত নিৰ্মাণ কমিটীৰ জৰিয়তে পৌৰসভাৰ কাম-কাজসমূহ কৰাৰ বাবে যোৱা ২৪ জুনত অনুষ্ঠিত গোৱালপাৰা পৌৰসভাৰ এক বৈঠকত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। চেন্ট্ৰেল ভিজিলেঞ্চ কমিছন চমুকৈ চি ভি চিৰ নীতি-নিৰ্দেশনা অনুযায়ী চৰকাৰী আঁচনিৰ সকলো কাম-কাজ নিবিদাৰ জৰিয়তে কৰিব লাগে বুলি অভিযোগ পত্ৰত প্ৰকাশ। ইপিনে, চৰকাৰী আঁচনিৰ কাম-কাজ নিৰ্মাণ কমিটীৰ জৰিয়তে কৰাৰ কথা চি ভি চিৰ নিয়মাৱলীৰ ক'তো উল্লেখ নাই যদিও গোৱালপাৰা পৌৰসভাই কি যুক্তিৰ ভিত্তিত আঁচনিৰ কাম-কাজ নিবিদাৰ জৰিয়তে নকৰি নিৰ্মাণ কমিটীৰ জৰিয়তে কৰাৰ প্ৰয়াস কৰাটো অভিযোগকাৰীসকলে সহজভাৱে মানি ল'ব পৰা নাই। পৌৰসভাৰ কাম-কাজসমূহ নিবিদাৰ পৰিৱৰ্তে যদি নিৰ্মাণ কমিটীৰ জৰিয়তে কৰা হয় তেন্তে স্থানীয় সৰুসুৰা ঠিকাদাৰসকলে আৰ্থিক অনাটনত পৰি পৰিয়ালৰ ভৰণ-পোষণ দিব নোৱাৰিব বুলি অভিযোগত উল্লেখ কৰে। তদুপৰি নিৰ্মাণ কমিটীৰ লোকসকল অভিজ্ঞ নোহোৱাৰ বাবে কামৰ মান উন্নত নহয় বুলি দাবী কৰিছে অভিযোগকাৰীসকলে। উল্লেখ্য যে ঠিকাদাৰসকলে প্ৰতি বছৰে প্ৰয়োজনীয় নথিপত্ৰ পঞ্জীয়ন আৰু নবীকৰণ কৰাৰ বাবে হেজাৰ হেজাৰ টকা চৰকাৰক কৰ দি আছে। সেয়ে গোৱালপাৰা পৌৰসভাৰ সকলো কাম-কাজ নিৰ্মাণ কমিটীৰ বিপৰীতে নিবিদাৰ জৰিয়তে কৰাৰ ব্যৱস্থা কৰিবলৈ জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিল কৰিছে। অভিযোগ পত্ৰৰ প্ৰতিলিপি পৌৰ প্ৰশাসন বিভাগৰ সঞ্চালকৰ লগতে গোৱালপাৰা পৌৰসভাৰ সভাপতি আৰু কাৰ্যবাহী বিষয়ালৈও প্ৰেৰণ কৰে।

# নলবাৰীৰ মৰোৱাত চৰকাৰী ধান ক্ৰয় কেন্দ্ৰৰ উদ্বোধন উপায়ুক্তৰ

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২০ জুলাই ঃ** নলবাৰী জিলাৰ মৰোৱা উৎসৱ পথাৰত আছাম ফুড এণ্ড চিভিল ছাপ্লাই কৰ্প'ৰেছন লিমিটেডৰ অধীনত আজি ধান ক্ৰয় কেন্দ্ৰৰ উদ্বোধন কৰা হয়। উল্লেখ্য যে জিলা উপায়ুক্ত গীতিমণি ফুকনে ধানৰ চৰকাৰী ন্যূনতম সাহায্য মূল্যত এই ধান ক্ৰয় কেন্দ্ৰৰ উদ্বোধন কৰে।

**৯৫০০ মেট্ৰিকটন ধান ক্ৰয়ৰ লক্ষ্য**

যোৱা বছৰ শালিধানৰ প্ৰথম ক্ৰপ চৰকাৰীভাৱে ধানৰ ন্যূনতম সমৰ্থিত মূল্য ১২,১৬৯ মেট্ৰিকটন নলবাৰী জিলাৰ সাতটা ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ক্ৰয় কৰা হৈছিল। এইবাৰো চৰকাৰৰ ধান ক্ৰয় আঁচনিৰ জৰিয়তে নলবাৰী জিলাত বৰো ধানৰ খেতিয়কৰ পৰা ৯৫০০ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ লক্ষ্যৰে আজি কেন্দ্ৰটো উদ্বোধন কৰে উপায়ুক্তগৰাকীয়ে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত জিলা উপায়ুক্তই কৃষকক উদ্দেশ্য কৰি কয় যে চৰকাৰৰ এই ধান ক্ৰয় আঁচনিৰ জৰিয়তে ধানৰ ন্যূনতম সমৰ্থিত মূল্যত কৃষকৰ উৎপাদিত ধানখিনি চৰকাৰে নিৰ্ধাৰিত ধান ক্ৰয় কেন্দ্ৰসমূহত বিক্ৰী কৰি ধানৰ ন্যূনতম সমৰ্থিত মূল্য লাভ কৰিবলৈ সমৰ্থ হ'ব। অনুষ্ঠানত নলবাৰী জিলাৰ অতিৰিক্ত উপায়ুক্ত ফিৰদৌচ আলম, জিলা কৃষি বিষয়া হবিবুল হক, সহকাৰী কৃষি সঞ্চালক যোগেশ্বৰ ৰাজমেধি, মহকুমা কৃষি বিষয়া ছফিকুল ইছলাম আৰু কৃষি উন্নয়ন বিষয়াসকলৰ লগতে এপাৰ্ট, আত্মাৰ বিষয়ববীয়াসকলেও কৃষকসকলৰ লগত মত বিনিময় কৰে।




*বৰপথাৰত কৃষক মুক্তিৰ প্ৰতিষ্ঠা দিৱস উদযাপন, বুধবাৰে।*

# পূব টংলা কোচ ৰাজবংশী সন্মিলনৰ বিনামূলীয়া পাঠদান শিবিৰৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**টংলা, ২০ জুলাই ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত টংলা থানাৰ নিলগৰ পলাহগড়ত আজি পূব টংলা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনৰ উদ্যোগত আয়োজন কৰা বিনামূলীয়া পাঠদান শিবিৰৰ সামৰণি পৰে। উল্লেখ্য যে গৰমৰ বন্ধত ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ পৰা আঁতৰাই নাৰাখি শৈক্ষিক দিশত ব্যস্ত ৰাখিবলৈ এনে ধৰণৰ কাৰ্যসূচী হাতত লোৱা হৈছে বুলি উদযাপন সমিতিয়ে সদৰী কৰে। শিবিৰত পাঠদানৰ লগতে সংগতি ৰাখি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা আৰু বিভিন্ন দিশৰ ওপৰত ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়া হয়। ছাত্ৰ-ছাত্ৰীৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানৰ আঁত ধৰে পাঠদান শিবিৰৰ কেন্দ্ৰীয় পৰিচালক জ্যোতিষ চন্দ্ৰ চৌধুৰীয়ে। পূব টংলা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনৰ সভাপতি চিন্তাৰাম ডেকাই সভাপতিত্ব কৰা অনুষ্ঠানত পাঠদান শিবিৰৰ প্ৰশিক্ষক বিজয় কুমাৰ ডেকা, দীপাংকৰ হাজৰিকা, বৃন্দাবন বৰুৱা, নিকুঞ্জ বৰুৱা, হিৰকজ্যোতি ডেকা, সবিতা মহলিয়া, বিজয় ডেকা আৰু ৰিংকু শৰ্মাক সন্মান সহকাৰে প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে ক্ৰমে ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি দেৱজিৎ কুমাৰ ডেকা, কাৰ্যকৰী সভাপতি তৰুণ চন্দ্ৰ বড়া, জাতীয় বিদ্যালয় অসম টংলাৰ অধ্যক্ষ যোগেন্দ্ৰ নাথ ডেকা, সমাজ সেৱক হৰেন্দ্ৰ নাথ শইকীয়া, পূব টংলা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ উপদেষ্টা নৰেন্দ্ৰ বৰুৱা, টংলা সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাসে।

# মুছলপুৰত উইচ ফাউণ্ডেছনৰ ৱাও বাহন

*১২ পৃষ্ঠাৰ পৰা* স্থানলৈ মাতি আনি বা ঘৰে ঘৰে গৈ ক'ভিড প্ৰতিষেধক প্ৰদান কৰিব। প্ৰধানতঃ তৃতীয় বা বুষ্টাৰ দোজ দিয়া হ'ব যদিও এতিয়ালৈকে যিসকল লোকে এটাও ক'ভিড প্ৰতিষেধক লোৱা নাই তেওঁলোকেও এই বাহনৰ পৰা সহজতে প্ৰতিষেধক ল'ব পাৰিব বুলি কয়। তেওঁ জিলাখনৰ স্থানীয় ৰাইজক এই বাহনখনত থকা সুবিধা ল'বলৈ অনুৰোধ জনায়। প্ৰকাশ যে বিভিন্ন কাৰণত সমাজৰ একাংশ লোকে এতিয়াও ক'ভিড প্ৰতিষেধক লোৱা নাই। সেইসকলক সহজতে চিনাক্তকৰণ কৰি থিতাতে ক'ভিড প্ৰতিষেধক দিয়া এই 'ৱাও' বাহনৰ মূল লক্ষ্য। অনুষ্ঠানত জিলা টিকাকৰণ বিষয়া ডাঃ হিতেশ কাকতি, ডি পি এম ধ্ৰুৱজ্যোতি শইকীয়া, ডি এম ই প্ৰশান্ত কুমাৰ দত্ত, খণ্ড সমন্বয়ক নীহাস্মিতা কলিতা, নৱ কুমাৰ ডেকা, কমিউনিটি মোবিলাইজাৰ মনোজ দাস আৰু হিমাংকু কলিতাৰ লগতে ভি চি চি এম, বি পি এম ইউ আৰু উইচ ফাউণ্ডেছনৰ কৰ্মকৰ্তাসকলে অংশ লয়।

# মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ

*১২ পৃষ্ঠাৰ পৰা* জনায় যে যিবিলাক গছপুলি ৰোপণ কৰা হ'ব সেইবিলাক গছৰ এটা নিৰ্দিষ্ট সময়লৈকে প্ৰতিপাল কৰাটো গুৰুত্ব আৰোপ কৰিছে মুখ্যমন্ত্ৰীয়ে যাতে গছপুলিটো ৰোপণ কৰা সাৰ্থক হয়। আমাৰ পৰিৱেশ আজি প্ৰদূষিত হৈছে, গোলকীয় উষ্ণতা বাঢ়িছে, বৰষুণৰ পৰিমাণ কমিছে। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ বাবে বনানীকৰণ কৰাটো অতি জৰুৰী হৈ পৰিছে। গতিকে উপায়ুক্তজনে ৰাইজক আহ্বান জনায় যাতে সকলোৱে পৰিৱেশ সুৰক্ষিত কৰি ৰখাত প্ৰশাসনক সহায় কৰে। মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠানত উপায়ুক্তক সংগ দিয়ে জিলা উন্নয়ন আয়ুক্ত ভাস্কৰ দাসে। অনুষ্ঠানৰ আয়োজন কৰে বন সংৰক্ষক ৰাজেন চৌধুৰী, আই উপত্যকা বন সংমণ্ডল প্ৰাধিকাৰী আৰু সামাজিক বনানীকৰণ বিভাগৰ ডি এফ অ' (ভাৰপ্ৰাপ্ত) সুবোধ তালুকদাৰ আৰু অভয়াপুৰীৰ আঞ্চলিক বন বিষয়া জয়ন্ত দাস আদি কৰি সকলো কৰ্মকৰ্তাই। বৃক্ষৰোপণ কাৰ্যসূচীত স্থানীয় ৰাইজ আৰু শ্ৰীশ্ৰী মাধৱদেৱ সত্ৰৰ পৰিচালনা কমিটীয়ে সহায়-সহযোগিতা আগবঢ়ায়।

# বিহপুৰীয়াত আদৰ্শ গাঁও পৰিদৰ্শন

*১২ পৃষ্ঠাৰ পৰা* বিহপুৰীয়া উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া ৰিণ্টু হাজৰিকাই, অভিযন্তা বিপ্লৱ চেতিয়া, খণ্ড বন বিষয়া চন্দন দাসে অংশগ্ৰহণ কৰে। সভাত বিহপুৰীয়া উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা ত্ৰিদিপ গগৈ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কনিষ্ঠ অভিযন্তা নৰেন্দ্ৰ শইকীয়া, কৃষি বিভাগৰ গ্ৰামসেৱক ডিম্ব পাৰে, পশু চিকিৎসক ৰাজু দত্ত আৰু বিহপুৰীয়া বিদ্যুৎ বিভাগৰ সহকাৰী অভিযন্তা সঞ্জয় কুমাৰ চহৰীয়াই বিভাগীয়ভাৱে গাঁওখনক ৰূপায়ণ কৰা আঁচনি সম্পৰ্কত সভাত অৱগত কৰে। সভাত ৰাইজৰ হৈ বন্তী হাজৰিকা, শোভন শইকীয়া হেমাংগ নেওগ, নয়নমণি নেওঘ, ৰমা বৰা, নাজিৰ আহমেদ আদিয়ে গাঁওখনৰ বিভি)ন অভাৱ অভিযোগ সম্পৰ্কত বিভাগীয় বিষয়াসকলক অৱগত কৰে। সভাৰ অন্তত যাদৱ শইকীয়া প্ৰমুখ্যে বিভাগীয় বিষয়াসকলে বৰ্তমানলৈকে ৰূপায়ণ কৰা আঁচনিসমূহ পৰিদৰ্শন কৰে।

# ৰংজুলি কেন্দ্ৰ উন্নয়ন কমিটীৰ উদ্যোগত

*১২ পৃষ্ঠাৰ পৰা* নম্বৰ লাভ কৰা ভাগ্যশ্ৰী ৰায়, হৰিপ্ৰিয়া ৰভা আৰু বাণিজ্য শাখাত অসমৰ ভিতিৰত ষষ্ঠ স্থান লাভ কৰিবলৈ সক্ষম হোৱা মৃণাল ৰায়ক ফুলাম গামোচা, শৰাই, অভিনন্দন পত্ৰ আৰু কিতাপৰ টোপোলাৰে বিশেষভাৱে অভিনন্দন জনোৱা হয়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈ। ভাষণ প্ৰসংগত তেওঁ কয় ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলে বিশেষকৈ এই অঞ্চলৰ মাক-দেউতাকে যথেষ্ট কষ্ট কৰি নিজৰ ল'ৰা-ছোৱালীক পঢ়ুৱায়। নিজে নাখায়ো ল'ৰা-ছোৱালীৰ কলেজৰ মাচুল বা যাতায়াত, টিফিনৰ খৰচ দি পঠিয়ায়। গতিকে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে কলেজত থকাৰ সময়ত নিজৰ মা-দেউতাৰ মুখখনলৈ এবাৰ মনত পেলাই পাঠদান গ্ৰহণ কৰে তেনেহ'লে মা-দেউতাৰ কষ্ট সাৰ্থক হ'ব লগতে নিজেও সফলতাৰে জীৱনত আগবাঢ়ি যাব পাৰিবা বুলি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়। ইপিনে, অনুষ্ঠানত ৰংজুলি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ বোং, ৰংজুলিৰ লক্ষ্মীকান্ত দাস সোঁৱৰণী কলা ভূমিৰ সচিব মধুসূদন দাস প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। দুই শতাধিক অভিভাৱক-অভিভাৱিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা বিশেষ অভিনন্দন অনুষ্ঠানটিৰ আঁত ধৰে ৰংজুলি কেন্দ্ৰ উন্নয়ন কমিটীৰ সম্পাদক ৰাজকুমাৰ ৰাভাই।

# জনকল্যাণ সমিতিৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ

*১২ পৃষ্ঠাৰ পৰা* প্ৰতিযোগিতাৰ প্ৰথম বিজয়ী দলক স্বাধীনতা সংগ্ৰামী তথা বকতা নেমুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সদস্য খগেন্দ্ৰ নাথ বুঢ়াগোহাঁইৰ সোঁৱৰণত নগদ পাঁচ হেজাৰ টকাৰ প্ৰাইজমানি, দ্বিতীয় বিজয়ী দলক টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় মুৰব্বী অধ্যাপক কেশৱ হাজৰিকাৰ সোঁৱৰণত নগদ চাৰি হেজাৰ টকাৰ প্ৰাইজমানি আৰু তৃতীয় বিজয়ী দলক মুক্তিযোদ্ধা, অৱসৰপ্ৰাপ্ত শিক্ষাব্ৰতী ধৰ্মেশ্বৰ বৰগোহাঁইৰ সোঁৱৰণত নগদ তিনি হেজাৰ টকাৰ প্ৰাইজমানিসহ মানপত্ৰ আৰু গ্ৰন্থৰ টোপোলা আগবঢ়োৱা হ'ব। দুপৰীয়া বকতা-খালৈঘোগুৱা সংস্কৃতি আৰু জনকল্যাণ সমিতিৰ সভাপতি অতুল বৰুৱাৰ সঞ্চালনাত মুকলি সভা অনুষ্ঠিত হ'ব। অনুষ্ঠানত বিশিষ্ট কেৰিয়াৰ পৰামৰ্শদাতা তথা গুৱাহাটী ডন বস্ক' বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক বিভাগৰ সহযোগী অধ্যাপক ড° বুলজিৎ বুঢ়াগোহাঁয়ে মুখ্য অতিথি, অসম চিকিৎসা মহাবিদ্যালয়ৰ শল্য চিকিৎসা বিভাগৰ সহযোগী অধ্যাপক ডাঃ সৰ্বেশ্বৰ ভূএগ, ভাৰত চৰকাৰৰ বস্তু আৰু সেৱাকৰ বিভাগৰ ডিব্ৰুগড় আয়ুক্তালয়ৰ উপায়ুক্ত হেমাংগ ফুকন, কোকৰাঝাৰ মহাবিদ্যালয়ৰ গণিত বিভাগৰ সহযোগী অধ্যাপক ড° অম্বেশ্বৰ ফুকন আৰু শিৱসাগৰ ডাক উপ-সংমণ্ডলৰ ডাক পৰিদৰ্শক খগেন বকতিয়াল বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব। এই অনুষ্ঠানতে জনকল্যাণ সমিতিৰ প্ৰতিষ্ঠাকালৰে পৰা জড়িত বকতা আৰু খালৈঘোগুৱা মৌজাৰ তিনিগৰাকী পুৰোধা ব্যক্তি ক্ৰমে মৰাণৰ মহেন্দ্ৰ ৰঞ্জন গগৈ, বকতাৰ যোগেন গগৈ, দ্বিজেন গগৈ আৰু নিজখালৈঘোগুৱা (ডগাভেটা)ৰ মুক্তা হাতীবৰুৱাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। আনহাতে, বিয়লি সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতীমানসকলক আনুষ্ঠানিকভাৱে অভিনন্দন জনোৱা হ'ব।

# মাজুলীত ১৭ জন ক'ভিড পজিটিভ

## ■ গাঁৱে গাঁৱে জ্বৰ, কাহ, পানীলগাত আক্ৰান্ত বহুলোক
## ■ ক'ভিড পজিটিভৰ সংখ্যা অধিক হোৱাৰ সম্ভাৱনা

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২০ জুলাই ঃ** মাজুলী জিলাৰ গাঁৱে গাঁৱে বৰ্তমান জ্বৰ, কাহ আৰু পানীলগাই জনসাধাৰণক কোঙা কৰি তুলিছে। আক্ৰান্ত ৰোগীসকলৰ পৰা জানিব পৰা মতে, প্ৰথমে জ্বৰ আৰু মূৰৰ বিষে কোঙা কৰা ৰোগীসকলৰ, জ্বৰ আৰু মূৰৰ বিষৰ পৰা আৰোগ্য লাভ কৰিলেও অত্যধিক কাহ আৰু দুৰ্বল হৈ এনে লোকসকল অৱশহৈ পৰে। ইয়াৰ মাজতেই স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, যোৱা ১৬ জুলাই পৰ্যন্ত জিলাখনৰ ১৭ গৰাকী এনে ৰোগীৰ দেহত ক'ভিড পজিটিভ ধৰা পৰাত মাজুলীবাসী আতংকিত হৈ পৰিছে। কাৰণ ক'ভিড প্ৰতিৰোধৰ সকলো নিয়ম-নীতি এৰি বৰ্তমান মাজুলীবাসীয়ে মুকলিভাৱেই চলাফুৰা কৰি আছে। বিশেষকৈ অফিচ-কাছাৰী, বেংক, বজাৰ, বিদ্যালয়-মহাবিদ্যালয়ৰ উপৰি যাত্ৰীবাহী বাহন, ফেৰী আদিত মুকলিভাৱেই জনসাধাৰণে যাতায়াত আৰু কৰ্তব্য সম্পাদন কৰি ফুৰিছে। তাৰ মাজতেই হয়তো ক'ভিড আক্ৰান্ত ৰোগীসকলেও দৈনিক কাম-কাজ কৰি ফুৰিছে। শেহতীয়াকৈ জিলাখনত পূৰ্বৰ দৰে ফেৰীঘাট, অফিচ কাছাৰী আদিত ক'ভিড পৰীক্ষা বাধ্যতামূলক নোহোৱাৰ বাবে বহুতো ক'ভিড আক্ৰান্ত ৰোগী, নিৰোগী লোকৰ স'তে একেলগে ঘূৰা-ফুৰাৰ সুবিধা পাইছে বুলি সচেতন মহলে সন্দেহ প্ৰকাশ কৰিছে। আনহাতে, জিলাখনত জ্বৰ, কাহ, মূৰৰ বিষ আৰু পানীলগাত আক্ৰান্ত লোকসকলক স্বাস্থ্য বিভাগে ক'ভিড পৰীক্ষাৰ ব্যৱস্থা নকৰাটোৱে ভৱিষ্যতে মাজুলীত ক'ভিড পৰিস্থিতি ভয়াবহ হোৱাৰে ইংগিত বহন কৰিছে বুলি সচেতন মহলে মন্তব্য কৰিছে আৰু সময় থাকোতেই জিলাখনৰ জ্বৰত আক্ৰান্ত লোকসকলৰ ক'ভিড পৰীক্ষা বাধ্যতামূলক কৰি মাজুলীত ক'ভিড প্ৰতিৰোধ ব্যৱস্থা আৰম্ভ কৰিবলৈ মাজুলী জিলা প্ৰশাসনক মাজুলীবাসীয়ে আহ্বান জনাইছে আৰু স্বাস্থ্য বিভাগক ক'ভিড প্ৰতিৰোধ ব্যৱস্থা গঢ়ি তুলিবলৈ দাবী জনাইছে। ইফালে, মাজুলীৰ চিকিৎসালয়ত চিকিৎসকৰ অভাৱত উপযুক্ত চিকিৎসা নাপাই আতংকিত হৈছে ভুক্তভোগী ৰাইজ।

# বিশিষ্ট সমাজকৰ্মী প্ৰফুল্ল চন্দ্ৰ মহন্তৰ সোঁৱৰণী গ্ৰন্থ 'বটবৃক্ষ' উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২০ জুলাই ঃ** তামুলপুৰৰ সমাজ জীৱনৰ মহীৰূহ, আধুনিক তামুলপুৰৰ অন্যতম খনিকৰ, বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল চন্দ্ৰ মহন্তৰ সোঁৱৰণত প্ৰকাশ কৰি উলিওৱা এখন সোঁৱৰণী গ্ৰন্থ 'বটবৃক্ষ' আজি উন্মোচন কৰা হয়। মহন্তৰ বাসগৃহত আজি মাহিলি তিথিত তেওঁৰ সোঁৱৰণত প্ৰকাশিত গ্ৰন্থখন উন্মোচন কৰে তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে। সোঁৱৰণী গ্ৰন্থ সম্পাদনা সমিতিৰ অন্যতম সম্পাদক ডুলুজিৎ দাসে পৰিচালনা কৰা গ্ৰন্থ উন্মোচনী সভাৰ প্ৰাকমুহূৰ্তত সহধৰ্মিণী বনদেৱী মহন্তই স্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। গ্ৰন্থখন উন্মোচন কৰি বিধায়ক দৈমাৰীয়ে মহন্তৰ কৰ্মজীৱন, সমাজ জীৱনৰ ওপৰত আলোকপাত কৰি আজি উন্মোচিত হোৱা সোঁৱৰণী গ্ৰন্থখন তামুলপুৰৰ এক সম্পদ হৈ ৰ'ব বুলি কয়। আনহাতে, একালৰ সতীৰ্থ অৱসৰপ্ৰাপ্ত শিক্ষক মোহন চন্দ্ৰ দাসেও মহন্তৰ স্কুলীয়া দিনৰ লগতে কৰ্ম জীৱনৰ বহু কথা স্মৰণ কৰাৰ উপৰি বিশেষকৈ অসম আন্দোলন আৰু শিক্ষক সংগঠনসমূহৰ স'তে জড়িত হৈ কিদৰে কাম কৰিছিল তাৰ ওপৰত সবিশেষ বক্তব্য আগবঢ়াই সতীৰ্থজনৰ মৃত্যুত তামুলপুৰৰ সমাজ জীৱনৰ ব্যাপক ক্ষতি হৈছে বুলি কয়। সভাত সোঁৱৰণী গ্ৰন্থ প্ৰকাশক সমিতিৰ সভাপতি ব্ৰজেন্দ্ৰনাথ ডেকা, মুখ্য সম্পাদক গণেশ ৰাভা, উপ-সভাপতিদ্বয় ক্ৰমে বৰুণ ৰামচিয়াৰী, উমেশ দাস, উপদেষ্টা মণ্ডলী, তামুলপুৰ পৌৰসভাৰ উপাধ্যক্ষ বাণীকান্ত বসুমতাৰী, কে'বাগৰাকীও জ্যেষ্ঠ নাগৰিক, তামুলপুৰ শাখা সাহিত্য সভাৰ কৰ্মকৰ্তাসকলৰ লগতে পৰিয়ালৰ সকলো সদস্য তথা আত্মীয় স্বজন উপস্থিত থাকে।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰী-সমাজকৰ্মী নলীন চন্দ্ৰ শৰ্মাৰ পৰলোক

**দেৰগাঁও, ২০ জুলাই ঃ** দেৰগাঁৱৰ কমাৰগাঁও পাচনীবৰা নিবাসী সমাজসেৱী তথা আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নলীন চন্দ্ৰ শৰ্মা (৬২)ৰ যোৱা ১৫ জুলাইত আকস্মিকভাৱে মৃত্যু হয়। হৃদৰোগজনিত কাৰণত হঠাতে অসুস্থ হৈ পৰা শৰ্মাক যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ নিয়া হৈছিল যদিও সেইদিনাই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। পত্নীসহ একমাত্ৰ পুত্ৰ শেখৰৰাজ কৌশিক বোৱাৰী আৰু বহুতো আত্মীয়ক এৰি যোৱা সৰবৰহী, সমাজকৰ্মীজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। জলপৰিবহণ বিভাগৰ গুৱাহাটীস্থিত মুখ্য কাৰ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল নিষ্ঠাবান কৰ্মচাৰীজনে।

# লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত শিশু অধিকাৰ সম্পৰ্কীয় শিশু কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২০ জুলাই ঃ** লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত শিশু অধিকাৰ সম্পৰ্কীয় এক কৰ্মশালা অনুষ্ঠিত হয়। 'সুৰক্ষা অভিযান, শিশুসকল পূৰ্ণ সম্ভাৱনাৰে বিকাশৰ বাবে সুৰক্ষামূলক পৰিৱেশ প্ৰদান' শীৰ্ষক সংবাদ মাধ্যমৰ কৰ্মশালাখন অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ উদ্যোগত আৰু ইউনিছেফ অসমৰ কাৰিকৰী সহায়ক তথা অসম চৰকাৰৰ তথ্য জনসংযোগ বিভাগ লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ মিডিয়া চেল আৰু উত্তৰ লখিমপুৰ প্ৰেছ ক্লাবৰ সহযোগত অনুষ্ঠিত হয়। অধ্যক্ষ ড° লোহিত হাজৰিকাই উদ্বোধন কৰা অনুষ্ঠানত সমল ব্যক্তিৰূপে জ্যেষ্ঠ সাংবাদিক মৃণাল তালুকদাৰ, অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সদস্য ড° নিলু হাজৰিকা উপস্থিত থাকে।

# গড়মূৰ বাগিচা গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাৰ্ষিক সভা


**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২০ জুলাইঃ** নগৰৰ উপকণ্ঠ গড়মূৰ বাগিচা গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ বাৰ্ষিক সভা অহা সাত আগষ্টৰ পুৱা ন বজাৰ পৰা ১৫৫ নম্বৰ চিনামৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। সমবায় সমিতি লিমিটেডৰ সভাপতি মুকুল তাঁতী আৰু সম্পাদক শান্তনু শইকীয়াই এই কথা জনোৱাৰ লগতে কয় যে সঞ্চালকমণ্ডলী গঠনৰ বাবে যি নিৰ্বাচন হ'ব তাত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা যোগ্য অংশীদাৰো ২৮ জুলাইৰ দিনৰ ১১ বজাৰ পৰা দুই বজালৈ সমিতিৰ কাৰ্যালয়ত বিভাগীয় নিৰ্বাচন বিষয়াৰ হাতত মনোনয়নপত্ৰ দাখিল কৰিব লাগিব। মনোনয়নৰ মাচুল হিচাপে প্ৰতিগৰাকী প্ৰাৰ্থীয়ে অসম সমবায় নিৰ্বাচনী নিধি ২০১৯ অনুযায়ী পাঁচ হেজাৰ টকা সমিতিত জমা দিব লাগিব। নিৰ্বাচনী নিধি অনুযায়ী মনোনয়নৰ মাচুল ঘূৰাই দিয়া নহয়। তদুপৰি, প্ৰাৰ্থিত্ব প্ৰয়াসীসকল সমিতিৰ বিগত পাঁচখন সাধাৰণ সভাৰ অতি কমেও দুখন সভাত উপস্থিত থাকিব লাগিব। গড়মূৰ বাগিচা গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সভাপতি আৰু সম্পাদকে সাধাৰণ সভাৰ দুয়োটা দিনৰ কাৰ্যসূচীত সকলো অংশীদাৰৰ উপস্থিতি কামনা কৰিছে।

# দিকৰাই চাহ বাগিচাত 'শিৰিষ'

## ■ চাহ জনগোষ্ঠী কৃষ্টি বিকাশ মঞ্চৰ একাদশ সংখ্যক বাৰ্ষিক অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২০ জুলাইঃ** 'এখন সমাজ উত্তৰণত যে শিক্ষাৰ ভূমিকা অতুলনীয়, ইয়াৰ সাক্ষী হৈ ৰৈছে নদুৱাৰ অঞ্চলৰ বৃহত্তৰ দিকৰাই চাহ বাগিচা। মই কৰা ত্যাগ, আৰু পৰিশ্ৰমৰ বিনিময় দিকৰাই চাহ বাগিচাৰ ৰাইজে কালি মোক দিবলৈ প্ৰয়াস কৰিছে। ইয়াতকৈ আৰু মোৰ বাবে সুখ-আনন্দ একো হ'ব নোৱাৰে।' এই মন্তব্য কৰি আৱেগিক হৈ পৰে নদুৱাৰ অঞ্চলৰ ইটাখোলাস্থিত দিকৰাই চাহ বাগিচাত অনুষ্ঠিত 'শিৰিষ' চাহ জনগোষ্ঠী বিকাশ মঞ্চৰ সম্বৰ্ধনা অনুষ্ঠানত সম্বৰ্ধিত প্ৰাক্তন শিক্ষয়িত্ৰী বীণা ভট্ট।দিকৰাই চাহ বাগিচাৰ বিনোদন ভৱনত যোৱা ১৬ আৰু ১৭ জুলাইত শিৰিষ চাহ জনগোষ্ঠী কৃষ্টি বিকাশ মঞ্চৰ উদ্যোগত অনুষ্ঠিত হয় সম্বৰ্ধনা অনুষ্ঠান আৰু কৃষ্টি প্ৰতিযোগিতা। নৃত্য শিল্পী নিৰ্মলা শৰ্মা, শিল্পী হৰিশ কন্ধ আৰু পংকজ বাউৰীসহ চাৰিগৰাকীকৈ বিচাৰকৰ দ্বাৰা কৃষ্টি প্ৰতিযোগিতা পৰিচালনা কৰা হয়। দ্বিতীয় দিনা ঐক্য আৰু সংহতিৰ হকে দিকৰাই অঞ্চলত বাৰে-ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উল্লেখ্য যে ২০১১ত দিকৰাই চাহ বাগিচাৰ একালৰ সু-খেলুৱৈ, ছাত্ৰ নেতা প্ৰয়াত দেৱ তাচা, শ্ৰমিক নেতা তথা ছাত্ৰ নেতা কৃষ্ণ তাচাসহ কে'বাগৰাকী সমাজ সংগঠকৰ প্ৰচেষ্টাত শিৰিষ চাহ জনগোষ্ঠী কৃষ্টি বিকাশ মঞ্চই জন্ম লাভ কৰিছিল। চাহ জনগোষ্ঠীৰ কৃষ্টি বিকাশক কেন্দ্ৰ কৰি জন্ম লাভ কৰা অনুষ্ঠান শিৰিষে জন্ম লগ্নৰে পৰা দিকৰাই চাহ বাগিচাৰ লগতে বৃহত্তৰ অঞ্চলটোত বিভিন্ন সময়ত শৈক্ষিক সামাজিক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। অনুষ্ঠানটোয়ে জন্মলগ্নৰ পৰাই মূল প্ৰতিষ্ঠাপকসকলৰ উপৰি বৰ্তমানৰ উঠি অহা নৱ প্ৰজন্মই 'শিৰিষ' চাহ জনগোষ্ঠী কৃষ্টি বিকাশ মঞ্চৰ নীতি-আদৰ্শ আৰু ধাৰাবাহিকতা ৰক্ষা কৰি বছৰে বছৰে ন ন সংযোজনৰ জৰিয়তে অনুষ্ঠানটো সজীৱ কৰি ৰখাৰ প্ৰয়াস অব্যাহত ৰাখিছে। চলিত বৰ্ষৰ প্ৰথম ভাগত অনুষ্ঠিত বৃহৎ ৰাজহুৱা সভাই শিৰিষৰ সভাপতি ৰূপে স্থানীয় উদীয়মান যুৱক কৰণ তচা আৰু সম্পাদক দয়াল তচাক দায়িত্ব ভাৰ অৰ্পণ কৰাৰ পাছত উক্ত দায়িত্বক সৰোগত কৰি অনুষ্ঠিত। বাৰ্ষিক অনুষ্ঠানত বিশেষকৈ স্থানীয় জ্যেষ্ঠ মহিলা তথা প্ৰাক্তন শিক্ষয়িত্ৰী বীণা ভট্ট, স্থানীয় বিশিষ্ট ব্যক্তি প্ৰাক্তন শিক্ষক চন্দ্ৰ কটকী, শিল্পী সুজিৎ তাচা আৰু শিল্পী শ্যাম কুমাৰ নাগক জনোৱা সম্বৰ্ধনা অনুষ্ঠানে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সন্ধিয়া অনুষ্ঠিত প্ৰয়াত ছাত্ৰ নেতা দেৱ তাচাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছতে আৰম্ভ হয় মূল সভা বঁটা বিতৰণী অনুষ্ঠান। দিকৰাই চাহ বাগিচাৰ মুখ্য পৰিচালক কুলজিত বৰাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা সভাত সভাপতিৰ আসন অলংকৃত কৰে বিশ্বনাথ জিলা আটছাৰ শিক্ষা আৰু সাহিত্য সম্পাদক অৱিনাশ ৰাজৱাৰে। উক্ত সভাত কৃষ্টি প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত মুঠ ১০ গৰাকী প্ৰতিযোগীৰ মাজত বঁটা বিতৰণ কৰাৰ লগতে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষাত সুখ্যাতি অৰ্জন কৰা ২০ গৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচাৰে উষ্ণ সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে একোখন কৈ কিতাপ উপহাৰ দিয়া হয়। ইয়াৰ লগতে মুঠ সাত গৰাকীকৈ বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা পত্ৰ আৰু ফুলাম গামোচাৰে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজতে পৰিৱেশন কৰা গীত-নৃত্যৰ অনুষ্ঠানসমূহে এক আটক ধুনীয়া সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰা দেখা যায়। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে চতিয়া আঞ্চলিক পঞ্চায়ত সভাপতি তথা যুৱ নেতা লক্ষী কান্ত বৰা, কেন্দ্ৰীয় আটছাৰ প্ৰচাৰ সম্পাদক মিন্টু ভূমিজ, পৰিচালক ৰিকি থামেই। সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে নদুৱাৰ আটছাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাধেশ্যাম তাঁতী, উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী দীপা তাঁতীসহ কে'বাজনো বিশিষ্ট ব্যক্তিয়ো নিশালৈ স্থানীয় ছাত্ৰ নেতা আনন্দ তাচা আৰু যুৱ সমাজ কৰ্মী যতীন তাচাৰ পৰিচালনাত অনুষ্ঠিত তিনিচুকীয়াৰ জনপ্ৰিয় কণ্ঠশিল্পী কমল নাগ আৰু যোৰহাটৰ দ্বীপজ্যোতি মাহালীৰ গীতৰ শৰাই অনুষ্ঠানে দৰ্শক ৰাইজক আপ্লুত কৰে।

# জনীয়াত বিদ্যুৎস্পৃষ্ট হৈ এজনৰ মৃত্যু



**কলগাছিয়া, ২০ জুলাই ঃ** বৰপেটা জিলাৰ গুৱাইপাৰাৰ দুলাল আৰ্যৰ পুত্ৰ সঞ্জীৱ আৰ্য (৩০) আজি বিদ্যুৎস্পৃষ্ট হৈ কৰুণ মৃত্যুক আঁকোৱালি লয়। তথ্য মতে, সঞ্জীৱে এটা মটৰত বিদ্যুৎ সংযোগ কৰিবলৈ গৈ বিদ্যুৎস্পৃষ্ট হয়। বিদ্যুৎস্পৃষ্ট হোৱাৰ লগে লগে ১০৮ এম্বুলেন্সলৈ ফোন কৰে যদিও এম্বুলেন্স আহি পোৱাত পলম হোৱাৰ বাবে সঞ্জীৱক ইৰিক্সাত উঠাই বৰপেটা ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতাললৈ লৈ যায়। চিকিৎসালয় পোৱাৰ পাছতেই সঞ্জীৱৰ মৃত্যু হয়। কৰ্মত সঞ্জীৱ আৰ্য কমাৰ আছিল। সঞ্জীৱৰ অকাল বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। সঞ্জীৱে পিতৃ-মাতৃ, পত্নীসহ দুই পুত্ৰ কন্যাৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# নগাবাটৰ চুলাই ভাটিত পানীখেতি আৰক্ষীৰ অভিযান

## এহেজাৰ লিটাৰ চুলাই নষ্ট

বিশেষ সংবাদদাতা

**নগাবাট, ২০ জুলাই ঃ** চুলাই বেপাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে তিতাবৰ মহকুমাৰ নগাবাটস্থিত পানীখেতি আৰক্ষীয়ে। তথ্য মতে পানীখেতি আৰক্ষী চকীৰ এটা দলে আজি নগাবাটৰ কাকডোঙালৈ অভিযান চলাই এটা বৃহৎ চুলাই ভাটি উচ্ছেদ কৰিবলৈ সক্ষম হয়। অভিযানত আৰক্ষীয়ে প্ৰায় এহেজাৰ লিটাৰ চুলাই নষ্ট কৰে। উল্লেখ্য যে যোৰহাট আৰু গোলাঘাট জিলাৰ সংযোগস্থল কাকডোঙা নৈৰ পাৰত গোপনে বৃহৎ ভাটি স্থাপন কৰি দীৰ্ঘদিনৰ পৰা চুলাই প্ৰস্তুত কৰি আহিছিল একাংশ অসাধু লোকে। আৰক্ষীৰ উপস্থিতিৰ উমান পাই পলায়ন কৰে চুলাই প্ৰস্তুতকাৰীসকল। ভাটিটো উচ্ছেদ কৰাৰ লগতে চুলাই প্ৰস্তুত



কৰা সামগ্ৰীসমূহ জব্দ কৰে পানীখেতি আৰক্ষীয়ে। উল্লেখ্য যে নগাবাট, পানীখেতি, শুকানজান, নাগিনীজুৰি, মুক্তিনগৰ, চেনিজান অঞ্চলত বৰ্তমানেও বহুকেইটা অবৈধ সুৰাৰ বেপাৰীয়ে গোপনে ৰমৰমীয়া ব্যৱসায় চলাই আছে। সকলো অবৈধ সুৰাৰ ঘাটি শীঘ্ৰে উৎখাত কৰিবলৈ নগাবাটৰ সচেতন মহলে আৰক্ষীক আহ্বান জনাইছে। ইফালে, অবৈধ সুৰা ব্যৱসায়ীক কোনো কাৰণতেই ৰেহাই দিয়া নহ'ব বুলি পানীখেতি আৰক্ষীয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

## শস্যৰ পথাৰত অসুবিধাৰ সন্মুখীন খেতিয়ক

# চেতিয়া পথাৰ তিনিআলি দলঙত চেঁচা নৈত ভেটা

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ২০ জুলাই ঃ** ৰাইজৰ অভিযোগৰ ভিত্তিত চলোৱা সাংবাদিকৰ চৰজমিন তদন্তত কালি চেতিয়া পথাৰ তিনিআলিৰ দলঙৰ তলত চেঁচা নৈত এটা ভেটা প্ৰত্যক্ষ কৰা হয়। এই ভেটাটো কেৱল ব্যৱসায়ৰ উদ্দেশ্যে অসাধু চক্ৰই নৈৰ পানী বাধা দিছে। ইয়াৰ ফলত সমগ্ৰ ৰজাবাৰী, পুলুঙা, চেতিয়া পথাৰ, পানীমুদি, পকাবাম বৰুৱাহোলা আদি অঞ্চলৰ পথাৰ বাঢ়নী পানীয়ে উপচি পৰিছে। স্থানীয় সচেতন লোকে স্থানীয় প্ৰশাসনক লিখিত অভিযোগ প্ৰদান কৰাৰ পাছতো ভেটাসমূহ স্থাপন কৰা দুষ্টচক্ৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। শস্যৰ পথাৰ পানীয়ে ভৰি থকাৰ পাছতো কেৱল মাছ ধৰাৰ উদ্দেশ্যে অসাধুৱে এইদৰে নৈখনৰ বোঁৱতী পানীক বাধা দি ৰাইজক অসুবিধাত পেলাইছে। ৰাজহ চক্ৰ কাৰ্যালয় আৰু আৰক্ষী প্ৰশাসনে পুনৰ কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাইজে আহ্বান জনাই আজি সংবাদ মাধ্যমত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

# লাচিত বৰফুকন বিষয়ক লেখা আহ্বান

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২০ জুলাই ঃ** বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ নাগৰিকৰ দ্বাৰা লিখা লাচিত বৰফুকনৰ সন্দৰ্ভত লিখনি আহ্বান কৰা হৈছে। লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ পৰা বীৰজনৰ সম্পৰ্কত উপায়ুক্তৰ জৰিয়তে লিখনি বিচৰা হৈছে। লিখনিসমূহ এশৰ পৰা এহেজাৰ শব্দৰ ভিতৰত লিখা হ'ব লাগিব। লিখনিসমূহ স্পষ্টকৈ হাতেৰে লিখা বা এ ফৰ চাইজৰ কাগজত টাইপ কৰা হ'ব লাগিব। লিখনিসমূহ বঙাইগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ত হাৰ্ড কপি আৰু ছফ্‌ট কপি দুয়োটা জমা দিব লাগিব। নিৰ্বাচিত এশটা লিখনি জিলা প্ৰশাসনৰ ৱেবছাইটত আপলোড কৰা হ'ব আৰু ফেচবুক পেজতো আপলোড কৰা হ'ব। জিলাখনৰ পৰা পাঁচটা শ্ৰেষ্ঠ লিখনি সাধাৰণ প্ৰশাসন বিভাগলৈ পঠোৱা হ'ব আৰু লাচিত বৰফুকনৰ চাৰিশ সংখ্যক জন্মজয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটো ১৫ ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব।

## কৃষ্ণাইৰ বেতবাৰীত চুৰিকাণ্ড

# মাজনিশা চোৰে চুৰি কৰিলে ২৩ পেকেট চুপাৰি তামোল

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২০ জুলাইঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত বেতবাৰীত যোৱা নিশা সংঘটিত হয় এক চুৰি কাণ্ড। তথ্য মতে, নিশা প্ৰায় ১-৩০ বজাত বেতবাৰীৰ ময়নাল হক নামৰ ব্যৱসায়ীজনৰ ঘৰৰ পৰা চোৰে চুৰি কৰি নিয়ে ২৩ পেকেট শুকান চুপাৰি তামোল। ঘটনা সন্দৰ্ভত হকে জনোৱা অনুসৰি, নিশা তিনিজন চোৰে তেওঁৰ ঘৰৰ খিৰিকী খুলি ঘৰৰ ভিতৰত জমা কৰি থোৱা মুঠ ৩০ পেকেট চুপাৰিৰ পৰা ২৩ পেকেট চুৰি কৰি লৈ যায়। তেওঁ এই ঘটনা গম পাই চিঞৰ-বাখৰ কৰাত ওচৰ-চুবুৰীয়া ওলাই আহে যদিও ইতিমধ্যে চোৰৰ দলটো গাড়ীসহ তাৰ পৰা পলায়ন কৰে। পাছত নিশাই হকে কৃষ্ণাই আৰক্ষী থানাত ঘটনাটো অৱগত কৰাত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও চোৰৰ সন্ধান লাভ কৰা নাই। ইতিমধ্যে ময়নাল হকে ঘটনা সন্দৰ্ভত কৃষ্ণাই আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

# মাজুলীৰ প্ৰথমগৰাকী ফটোগ্ৰাফাৰ, শাস্ত্ৰীয় সংগীতৰ শিল্পী, তবলা বাদক আশুতোষ সেনৰ দেহাৱসান



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২০ জুলাই ঃ** মাজুলীৰ সংগীতৰ ক্ষেত্ৰখনৰ এগৰাকী মহিমা মণ্ডিত শাস্ত্ৰীয় সংগীতৰ শিল্পী, একাধাৰে প্ৰখ্যাত তবলা, চেতাৰ আৰু হাৰমনিয়াম বাদক আৰু মাজুলীৰ প্ৰথমগৰাকী ফটোগ্ৰাফাৰ আশুতোষ সেনৰ যোৱা নিশা যোৰহাটত পৰলোকপ্ৰাপ্তি ঘটে। সেনৰ মৃত্যুৰ বাতৰি বিয়লি পৰাৰ লগে লগে মাজুলীত এক শোকৰ বন্যা নামি আহে। মাজুলীৰ শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰখনত প্ৰভুত বৰঙণি যোগাই এচাম সংগীত শিল্পী সৃষ্টি কৰাৰ ক্ষেত্ৰত আত্মত্যাগ কৰা এইজন শিল্পীয়ে ৭০ৰ দশকতে ফটোগ্ৰাফাৰ হিচাপে আত্মপ্ৰকাশ কৰি জীৱন নিৰ্বাহৰ পথ ৰূপে গ্ৰহণ কৰি আন এক আদৰ্শ স্থাপন কৰি গৈছে। অতি অমায়িক আৰু সৰল স্বভাৱৰ এইজন লোক মাজুলীৰ জনমানসত প্ৰতিষ্ঠিত হৈছিল। শিল্পীজনৰ মৃত্যু মাজুলীৰ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি। তেওঁৰ মৃত্যুত মাজুলীৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। মাজুলী মিলন সংঘ, কমলাবাৰী সংগীত বিদ্যালয়, মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়, ৰূপবৰণ চিত্ৰ কলা বিদ্যালয়, কমাৰগাঁও ৰূপালী যুৱক সংঘ, শংকৰজ্যোতি কৃষ্টি সংঘ, মাজুলী জিলা সাহিত্য সভা, মাজুলী জিলা সাংবাদিক সন্থা, যুৱ-ছাত্ৰ পৰিষদকে ধৰি মাজুলীৰ বহু সংখ্যক সাংস্কৃতিক অনুষ্ঠান আৰু শিল্পীসকলৰ তৰফৰ পৰা সেনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। মাজুলীৰ কমলাবাৰী নিবাসী শিল্পীজন কিছুদিন ধৰি অসুস্থ হৈ যোৰহাটত চিকিৎসাৰত অৱস্থাতে মৃত্যুৰ ওচৰত হাৰ মানে। পত্নীসহ দুগৰাকী কন্যা ইহসংসাৰত এৰি থৈ যোৱা সেনৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৬ বছৰ।

# ঢেকিয়াজুলিত বিধায়ক অখিল গগৈৰ প্ৰতিমূৰ্তি দাহ আছাৰ শোণিতপুৰ জিলা সমিতিৰ

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ২০ জুলাই ঃ** এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক গছৰ মুঢ়া আখ্যা দিয়া বিধায়ক অখিল গগৈৰ বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে আদিবাসী ছাত্ৰ সন্থাৰ সদস্যসকল প্ৰতিবাদমুখৰ হৈ পৰিছে। বিধায়ক অখিল গগৈয়ে প্ৰদান কৰা এই মন্তব্যৰ প্ৰতিবাদত আজি ঢেকিয়াজুলিত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সদস্যসকল বিধায়ক গগৈৰ পুত্তলিকা দাহ কৰে। আজি দুপৰীয়া ঢেকিয়াজুলি চহৰৰ মাজমজিয়াত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ সদস্যসকলে বিধায়ক অখিল গগৈৰ প্ৰতিমূৰ্তি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আছাৰ শোণিতপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক আনন্দ তাঁতীৰ নেতৃত্বত আছাৰ সদস্যসকলে ঢেকিয়াজুলি নগৰৰ



মাজমজিয়াত বিধায়ক গগৈৰ প্ৰতিমূৰ্তি দাহ কৰি বিভিন্ন শ্ল'গান দিয়ে। এনে ধৰণৰ বিতৰ্কিত মন্তব্য নকৰিবলৈ বিধায়কজনক আছাৰ নেতৃত্ববৃন্দই সকীয়াই দিয়ে। এই কাৰ্যসূচীৰ অন্তত আছাৰ শোণিতপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক আনন্দ তাঁতীয়ে স্থানীয় সাংবাদিকৰ আগত কয়, 'বিধায়ক অখিল গগৈৰ এই মন্তব্যই আদিবাসী ৰাইজৰ মনত আঘাত দিছে।' আদিবাসী লোকসকল ক্ষোভিত হৈ পৰিছে। বিধায়ক গগৈয়ে ৰাজহুৱাভাৱে ক্ষমা বিচাৰিব লাগে আৰু ভৱিষ্যতে এনেধৰণৰ মন্তব্য নকৰোঁ বুলি ৰাজহুৱাভাৱে প্ৰকাশ কৰিব লাগিব বুলি সাধাৰণ সম্পাদক আনন্দ তাঁতীয়ে প্ৰকাশ কৰে। এই কাৰ্যসূচীত আছাৰ ঢেকিয়াজুলি আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে।

## মৰাণত যুৱতী অপহৰণৰ অভিযোগত যুৱকক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২০ জুলাইঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষীয়ে ডিব্ৰুগড় নালিয়াপুলৰ পৰা অপহৰণৰ অভিযোগত অভিযুক্ত এজন যুৱকক আজি গ্ৰেপ্তাৰ কৰি অপহৃতক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অপহৰণকাৰী যুৱকজন ডিব্ৰুগড় জিলাৰ ডিমৌ ইকৰানী নিৱাসী অনিল কাহাৰৰ পুত্ৰ ৰাজ কাহাৰ (২২)। উল্লেখ্য যে যোৱা ২১ জুনত ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ বেজপথাৰ গাঁৱৰ পৰা এগৰাকী যুৱতীক অপহৰণ কৰা হৈছিল। যুৱতীৰ পৰিয়ালে মৰাণ আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰিছিল। গোচৰটোৰ সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান কৰি আজি ডিব্ৰুগড় জিলাৰ নালিয়াপুলৰ পৰা যুৱকজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# নাহৰকটীয়া বিদ্যুৎ উপ-সংমণ্ডলৰ কাৰ্যালয় ঘেৰাও কৰিলে আছুৱে

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২০ জুলাই ঃ** ৰাজ্যত সঘনাই বিদ্যুৎ কৰ্তন আৰু অনিয়মীয়া বিদ্যুৎ যোগানৰ প্ৰতিবাদত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে আজি নাহৰকটীয়া বিদ্যুৎ উপ-সংমণ্ডলৰ কাৰ্যালয় ঘেৰাও কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে নাহৰকটীয়া আৰু চাচনী আঞ্চলিক ছাত্ৰ সন্থাই। নাহৰকটীয়া বিদ্যুৎ উপ-সংমণ্ডলৰ কাৰ্যালয়ৰ প্ৰৱেশ দ্বাৰৰ সন্মুখত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক বিতোপন গগৈ, নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ঋতুপণ গগৈ আৰু সাধাৰণ সম্পাদক প্ৰাঞ্জল প্ৰতীম গগৈৰ নেতৃত্বত নাহৰকটীয়া আৰু চাচনী অঞ্চলিক ছাত্ৰ সন্থাৰ অৰ্ধশতাধিক প্ৰতিবাদকাৰীয়ে শক্তিমন্ত্ৰীৰ পুত্তলিকা দাহ কৰি সঘনাই বিদ্যুৎ কৰ্তন আৰু অনিয়মীয়া বিদ্যুৎ যোগানৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

# ২০ বছৰে সম্পূৰ্ণ নহ'ল বৰভাগৰ বহু প্ৰতীক্ষিত 'বৰভাগ ড্ৰেইনেজ ডেভলপমেণ্ট স্কীম'

## ক'ত হেৰাল ১২ কোটি টকা




অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২০ জুলাই ঃ** কুৰি বছৰে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নহ'ল বৰভাগৰ দুসুঁতি মুখৰ শ্লুইচগেট। ৰহস্যজনকভাৱে বাৰে বাৰে স্থবিৰ হৈ পৰিছে নিৰ্মাণ কাৰ্য। দুটাকৈ নিৰ্মাণকাৰী সংস্থাই নিৰ্মাণ কাৰ্য আধাতে সমাপ্ত কৰি গুচি যায়। বহু মূল্যৱান যন্ত্ৰপাতি জংঘলতে পৰি ৰয়। উল্লেখ্য যে বানপীড়িত বৰভাগ আৰু বৰ্তমানৰ বৰভাগ মৌজাৰ এটা বৃহত্তৰ অঞ্চলৰ বানপানীৰ সমস্যাটো পৰ্যবেক্ষণ কৰিবলৈ ১৯৬৪ত তেতিয়াৰ জলসম্পদ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰযুক্তিবিদ ড° কে এল ৰাওৱে বৰভাগলৈ আহি অসমৰ বান নিয়ন্ত্ৰণ বিভাগক দুটা পৰামৰ্শ দিয়ে। প্ৰথম, বৰভাগৰ পূব দিশত থকা নোনা-বৰলীয়া নদীক হাজো সুঁতিৰে সুকীয়াকৈ বোৱাই নিয়া আৰু দ্বিতীয়টো হ'ল বৰভাগৰ পূব দিশেৰে বৈ যোৱা বৰলীয়া নদীৰ পশ্চিম মথাউৰি আৰু পশ্চিম দিশত থকা পাগলাদিয়া নদীৰ পূব দিশৰ মথাউৰিৰ মাজেৰে নামি আহি জমা হোৱা পানীখিনি দুসুঁতি মুখেৰে পাগলাদিয়াত পেলাই দি ব্ৰহ্মপুত্ৰলৈ বোৱাই নিয়া। বান নিয়ন্ত্ৰণ বিভাগে আঁচনি দুখন ১৯৬৭ তে প্ৰস্তুত কৰি তুলিছিল যদিও বিভিন্ন সংঘাতৰ বাবে কাৰ্যকৰী কৰি তুলিব পৰা নাছিল। শেষত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক পুলকেশ বৰুৱাৰ সবল নেতৃত্বত আৰু তদানীন্তন মন্ত্ৰী প্ৰয়াত নগেন শৰ্মাৰ সহযোগত ১৯৮৭ত তেতিয়াৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী প্ৰয়াত চামচিং হাঞ্চে, মীন মন্ত্ৰী উমেশ দাস, নলবাৰী জিলা উপায়ুক্ত ৰাজীৱ যাদৱ, মুখ্য অভিযন্তা জমিৰ আহমেদক লৈ বৰভাগৰ বৰশিমলুৱাত এখন সভা অনুষ্ঠিত হয় আৰু মন্ত্ৰী হাঞ্চে বিষয়াবৰ্গক লৈ ভৈৰাতোলা জান পৰিদৰ্শন কৰি কামৰ তাৎক্ষণিক নিৰ্দেশ দিয়ে। সেই মৰ্মে ১৯৮৮ত ভৈৰাটোলা জানেৰে নোনা-বৰলীয়া নদীখন বোৱাই নিয়াৰ ব্যৱস্থা কৰা হয় আৰু তেতিয়াৰ পৰা বৰভাগত বানপানীৰ প্ৰকোপ কমিবলৈ ধৰে। সেইদৰে পুলকেশ বৰুৱাই তেওঁৰ দ্বিতীয়টো কাৰ্যকালত অৰ্থাৎ ১৯৯৬ত বৰভাগৰ ভিতৰৰ জমা হোৱা পানীখিনি উলিয়াই নিবলৈ তেতিয়াৰ বিভাগীয় মন্ত্ৰী প্ৰয়াত প্ৰমোদ গগৈৰ সহযোগত ২০০০ৰ ডিচেম্বত ১০ কোটি টকাৰ 'বৰভাগ ড্ৰেইনেজ ডেভেলপমেণ্ট স্কীম' এখনৰ বিত্তীয় অনুমোদন লাভ কৰে যদিও ৰহস্যজনকভাৱে ২০০১ৰ পৰা আঁচনিখন আজিলৈকে সম্পূৰ্ণ নহ'ল। দ্বিতীয়খন আঁচনিৰ মতে বৰভাগৰ মাজেৰে বৈ যোৱা সঠাই জানটো ১১ কিলোমিটাৰ দৈৰ্ঘ্য খন্দা আৰু উত্তৰ দিশৰ গৰমচুঙৰ পৰা দুসুঁতিৰ মুখলৈ মথাউৰি মজবুতকৈ নিৰ্মাণ কৰিব লাগে। এই সকলোবোৰেই ঠিকাদাৰ পোহা ৰাজনীতি কৰি ৰাইজক দুৰ্ভোগ ভোগাইছে ব্ৰহ্মপুত্ৰ ব'ৰ্ড নামৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠানটোৱে। বৰ্তমান মথাউৰিছোৱাত হাবি-জংঘলে আৱৰি কদৰ্যময় হৈ পৰিছে। এইবেলি বানপানীৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰভাগ অঞ্চলত উপস্থিত হৈ উক্ত শ্লুইচগেটখন শীঘ্ৰে সম্পূৰ্ণ কৰা হ'ব বুলি ৰাইজক আশ্বাস দিয়ে। ৰাইজে মুখ্যমন্ত্ৰীৰ আশ্বাসত সন্তুষ্টি প্ৰকাশ কৰিছে।

## ডিগবৈ টুৰিষ্ট লজৰ দেহ ব্যৱসায়ৰ কাণ্ড

# মূল অভিযুক্ত টুৰিষ্ট লজৰ মেনেজাৰ পলাতক হৰি শৰ্মাক গুৱাহাটীত আটক



**ডিগবৈ, ২০ জুলাই ঃ** তিনিচুকীয়া আৰক্ষীৰ অভিযানত উৎখাত হোৱা ডিগবৈ টুৰিষ্ট ল'জৰ দেহ ব্যৱসায়ী চক্ৰটোৰ মূল মাষ্টাৰ মাইণ্ড, পলাতক হৈ থকা লজখনৰ মেনেজাৰ হৰি শৰ্মাক অৱশেষত আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। মূল অভিযুক্ত হৰিয়ে চুবুৰীয়া ৰাজ্য নেপাললৈ পলায়নৰ চেষ্টা চলাই থকাৰ সময়তে বিশেষ সূত্ৰৰ তথ্যৰ ভিত্তিত তিনিচুকীয়া আৰক্ষীয়ে গুৱাহাটীৰ পৰা আটক কৰে। উল্লেখ্য যে ডিগবৈৰ এক নম্বৰ গোলাইস্থিত টুৰিষ্ট লজখনত তিনিচুকীয়া আৰক্ষীয়ে যোৱা ১৩ জুলাইৰ নিশা প্ৰায় দুই বজাত অভিযান চলাই এটা বৃহৎ দেহ ব্যৱসায় চক্ৰক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হৈছিল। অভিযানত অতি কম বয়সৰ নাৱালিকা যুৱতীসহ পাঁচ যুৱকক আটক কৰা হৈছিল। পৰৱৰ্তী সময়ত ডিগবৈ আৰক্ষীয়ে ল'জখনৰ স্বত্বাধিকাৰ তথা ডিগবৈত ভদ্ৰতাৰ মুখা পিন্ধা ব্যক্তিৰূপে সমাজত পৰিচয় বহন কৰি অহা পংকজ বৰুৱা, কৰ্মচাৰী অৰ্জুন মুণ্ডাসহ আন পাঁচ যুৱকক জেললৈ প্ৰেৰণ কৰিছিল। কিন্তু ডিগবৈত ৰমৰমীয়া দেহ ব্যৱসায়ৰ ঘাটিৰূপে গঢ়ি তোলা মূল মাষ্টাৰ মাইণ্ড কুখ্যাত লজখনৰ মেনেজাৰ হৰি শৰ্মা আৰক্ষীয়ে অভিযান চলোৱা নিশাৰ পৰাই পলাতক হৈ আছিল। হৰিক বিচাৰি আৰক্ষী অভিযান তীব্ৰতৰ কৰি ৰাখিছিল যদিও সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাছিল। অৱশেষত তিনিচুকীয়া আৰক্ষীয়ে কৰায়ত্ত কৰা হৰিক ডিগবৈ আৰক্ষীয়ে নিজা জিম্মাত লৈ তদন্ত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। আৰক্ষীৰ মাৰাথন জেৰাত সুদীৰ্ঘ দিন ধৰি চলাই অহা দেহ ব্যৱসায় চক্ৰৰ লগত জড়িত ৰৌ-বৰালি জালত পৰাৰ পূৰ্ণ সম্ভাৱনা আছে।

# শিৱসাগৰ জিলাত গাহৰি মাংস সৰবৰাহ আৰু বেচা-কিনাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২০ জুলাই ঃ** শিৱসাগৰ জিলাত গাহৰি মাংস সৰবৰাহ আৰু বেচা-কিনাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে জিলা প্ৰশাসনে। ১৪৪ নম্বৰ ধাৰাৰ অধীনত অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগে এক নিৰ্দেশনাযোগে গাহৰি মাংস বিক্ৰী আৰু ক্ৰয় কৰা, মুকলিকৈ গাহৰি কটা তথা সৰবৰাহৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। আফ্ৰিকান ছোৱাইন ফিভাৰৰ দ্ৰুত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এই পদক্ষেপ গ্ৰহণ কৰিছে জিলা প্ৰশাসনে। নিৰ্দেশনা উলংঘা কৰাসকলৰ বিৰুদ্ধে আই পি চি-১৮৮ অনুসৰি লোৱা হ'ব শাস্তিমূলক ব্যৱস্থা। উল্লেখ্য যে শিৱসাগৰ জিলাত ইতিমধ্যে আফ্ৰিকান ছোৱাইন ফিভাৰত তিনি শতাধিক গাহৰি মৃত্যুমুখত পৰিছে। জিলাখনৰ খঙীয়া গাঁও, দিহিং কলঘৰ, জালুকনিবিলত অধিক গাহৰি মৃত্যু হৈছে। ইপিনে, নিষেধাজ্ঞা জাৰি কৰাৰ লগে লগে শিৱসাগৰ জিলাত গাহৰি মাংস বিক্ৰেতা, গাহৰি পালকসকল উদ্বিগ্ন হৈ পৰিছে। বিগত দুটা বৰ্ষত শিৱসাগৰ জিলাৰ শতাধিক গাহৰি পালকে ছোৱাইন ফিভাৰৰ ফলত বহু গাহৰি মাৰি পেলাবলগীয়া হৈছিল আৰু কিছুমান গাহৰি নিজেই মৰিছিল। ফলত হেজাৰ হেজাৰ টকাৰ ক্ষতিৰ সন্মুখীন হৈছিল যদিও আজি পৰ্যন্ত গাহৰিপালকসকলে চৰকাৰ তথা পশুপালন বিভাগৰ তৰফৰ পৰা ফুটাকড়ি এটাও লাভ নকৰিলে। বৰ্তমান পুনৰ ক্ষতিৰ সন্মুখীন হোৱাত মূৰে-কপালে হাত দিছে গাহৰি পালকসকলে।

# ডিগবৈত শ্ৰীশ্ৰীশংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে ৰচনা প্ৰতিযোগিতা

**ডিগবৈ, ২০ জুলাই ঃ** ডিগবৈৰ ১৯টা নামঘৰৰ সন্মিলিত প্ৰচেষ্টাত অহা চাৰিৰ পৰা আঠ অক্টোবৰলৈ দুই নম্বৰ গোলাই নামঘৰত আগন্তুক শ্ৰীশ্ৰীশংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰিবলৈ দিহা কৰিছে। জন্মোৎসৱৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰাৰ লগতে সদৌ অসম ভিত্তিত 'শংকৰদেৱৰ ভক্তি দৰ্শন আৰু জনসমাজত ইয়াৰ প্ৰতিফলন' শীৰ্ষক প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। দুহেজাৰ শব্দৰ ভিতৰত লিখিবলগীয়া প্ৰবন্ধটি ডি টি পি অথবা পৰিষ্কাৰ হাতৰ আখৰেৰে লিখি ২০ ছেপ্টেম্বৰৰ পূৰ্বে শ্ৰীশ্ৰী শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ পালন সমিতি, প্ৰিয়দাস তালুকদাৰ ভৱন, ডাক ডিগবৈ, জিলা তিনিচুকীয়া, অসম সূচাংক ৭৮৬১৭১ত প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে। লগতে অধিক তথ্যৰ বাবে উদ্‌যাপন সমিতিয়ে ৭০০২৪২৫২০০ আৰু ৯৪৩৫১৮০৩৫৯ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

## কামৰূপ জিলা উপায়ুক্তক তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ

# তিতকুছিত গাহৰি ফাৰ্মে বিপদত পেলাইছে সৰ্বসাধাৰণ ৰাইজক

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২০ জুলাই ঃ** কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত তিতকুছি গাঁৱত কোনো চৰকাৰী নীতি-নিয়ম পালন নকৰাকৈ জনসমাগমৰ মাজত স্থাপন কৰা গাহৰিৰ ফাৰ্মে গাঁওখনৰ পৰিৱেশ দূষিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। গাহৰি ফাৰ্মখনৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধৰ বাবে ফাৰ্মখনৰ আশে-পাশে থকা পৰিয়ালসমূহে এক অস্বাস্থ্যকৰ পৰিৱেশৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত ভুক্তভোগী পৰিয়ালে গাহৰি ফাৰ্মৰ গৰাকী বলি কুমাৰৰ এনে কাৰ্যৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ যোৱা ২৭/৪/২২ত কামৰূপ জিলা উপায়ুক্তৰ ওচৰত আবেদন দাখিল কৰে। এই আবেদনৰ ভিত্তিতে বিষয়টোৰ নিৰপেক্ষ তদন্তৰ বাবে জিলা উপায়ুক্তই ৰাজহ চক্ৰ বিষয়াক (কে এম জে ২২/২০২২/৪৭নং)



চিঠিযোগে নিৰ্দেশ প্ৰদান কৰে। এই নিৰ্দেশনাৰ ওপৰত ভিত্তি কৰি লাট মণ্ডলে বিষয়টোৰ চৰজমিন তদন্ত কৰি প্ৰতিবেদনসহ বুলি কুমাৰৰ ফাৰ্মৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ উপায়ুক্তৰ কাৰ্যালয়লৈ আবেদন প্ৰেৰণ কৰে। ইয়াৰ পাছতো জিলা উপায়ুক্তৰ কাৰ্যালয়ে বিষয়টোৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত বিমোৰত পৰিছে ভুক্তভোগী পৰিয়ালসমূহ। গাহৰি ফাৰ্মৰ দুৰ্গন্ধ আৰু মাখিৰ বাবে এতিয়া খোৱা আৰু শোৱাৰ ক্ষেত্ৰত সাংঘাতিকভাৱে আহুকালৰ সন্মুখীন হৈছে ৰাইজ। অভিযোগকাৰী ভুক্তভোগী পৰিয়ালে জানিব দিয়া মতে গাহৰিৰ ফাৰ্মৰ বাবে বলি কুমাৰৰ পৰিয়ালৰ যথেষ্ট উপযুক্ত ঠাই থকাৰ পাছতো জনসমাগমৰ মাজত ফাৰ্ম স্থাপন কৰা কাৰ্যই ৰাইজৰ চকু কপালত তুলিছে। জিলাখনৰ নতুনকৈ দায়িত্ব লাভ কৰা কামৰূপ জিলা উপায়ুক্তক এই সন্দৰ্ভত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভুক্তভোগী পৰিয়ালসমূহে অনুৰোধ জনাইছে।

# শুৱালকুছি মহাবিদ্যালয়-আছুৰ উদ্যোগত 'সুযোগ আৰু সম্ভাৱনা' শীৰ্ষক বিশেষ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২০ জুলাই ঃ** শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ 'বি ভক' বিভাগ আৰু মহাবিদ্যালয় আছু গোটৰ উদ্যোগত আজি মহাবিদ্যালয়খনত থকা বৃত্তিমূলক পাঠ্যক্ৰমৰ জৰিয়তে কিদৰে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পাৰে সেয়া ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱসকলক অৱগত কৰাৰ উদ্দেশ্যে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে অংশগ্ৰহণ কৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতীয়ে গতানুগতিক কলা, বিজ্ঞান বা বাণিজ্যৰ স্নাতক ডিগ্ৰীৰ সলনি বৃত্তিমূলক পাঠ্যক্ৰমৰ স্নাতক ডিগ্ৰী লাভ কৰি কিদৰে সংস্থাপিত হ'ব পাৰি সেই বিষয়টিৰ ওপৰত বক্তব্য ৰাখে। মহাবিদ্যালয় ছাত্ৰ একাত সভাৰ সভাপতি সৌৰভ দাসে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয় অৰ্থনীতি বিভাগৰ অধ্যাপক ড° নিহাৰ ৰঞ্জন কলিতা, বুৰঞ্জী বিভাগৰ অধ্যাপক গোপাল শৰ্মা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক দিপাংকৰ শৰ্মা, এনিমেচন এণ্ড গ্ৰাফিক ডিজাইন বিভাগৰ অধ্যাপক তন্ময় মিশ্ৰ, ফেশ্বন এণ্ড টেকন'লজী বিভাগৰ অধ্যাপিকা জুলি বৰপূজাৰী দেউৰী, চিলা দেৱীয়ে মহাবিদ্যালয়খনৰ এনিমেচন এণ্ড গ্ৰাফিক ডিজাইন আৰু ফেশ্বন এণ্ড টেকন'লজী বিভাগৰ স্নাতক ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে কিদৰে সংস্থাপিত হৈছে লগতে মহাবিদ্যালয়খনত বি.ভক বিভাগত কি কি সুবিধা আছে সেয়া অৱগত কৰে। অনুষ্ঠানত শুৱালকুছি ছাত্ৰ সন্থা, মহাবিদ্যালয় আছু গোটৰ বিষয়ববীয়াসকল উপস্থিত থকাৰ উপৰি বৰ্তমান 'বি ভক' পাঠ্যক্ৰম গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ অভিজ্ঞতা ব্যক্ত কৰে।





# কমনৱেলথ গেমছৰ ভাৰতীয় দলৰ সদস্যৰ স'তে প্ৰধানমন্ত্ৰী মোদীৰ বাৰ্তালাপ



## ডপিঙত ব্যৰ্থ হৈ প্ৰতিযোগিতাৰ পৰা আঁতৰিল মহিলা দৌৰবিদ ধনলক্ষ্মী-ট্ৰিপল জাম্পাৰ ঐশ্বৰিয়া

**নতুন দিল্লী, ২০ জুলাই ঃ** আসন্ন কমনৱেলথ গেমছত অংশ ল'ব লগা ভাৰতীয় দলৰ সদস্যৰ লগত আজি ভি ডি অ' কনফাৰেনচিঙৰ জড়িয়তে বাৰ্তালাপ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে বাৰ্মিংহামত দেশক প্ৰতিনিধিত্ব কৰিবলগীয়া ভাৰতীয় দলটোৰ সৈতে প্ৰধানমন্ত্ৰী মোদীয়ে মত বিনিময় কৰি কয় 'কিউ পাৱে হো চক্কৰ মে, কই নেহি হে টক্কৰ মে।' এই মন্ত্ৰৰে বিৰোধীৰ সন্মুখীন হ'বলৈ আহ্বান জনায় প্ৰধানমন্ত্ৰীয়ে। খেলুৱৈসকলৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে মেগা ক্ৰীড়া প্ৰতিযোগিতাখনৰ বাবে খেলুৱৈ সকলৰ সাফল্য কামনা কৰাৰ লগতে ভাৰতীয় ক্ৰীড়াৰ ইতিহাসত এই সময় কেনেকৈ গৌৰৱময় কৰিব পাৰি তাৰ কামনা কৰে। উল্লেখ্য যে আসন্ন





কমনৱেলথ গেমছত ১৯বিধ ক্ৰীড়াৰ ১৪১ টা ইভেণ্টত ভাৰতক প্ৰতিনিধিত্ব কৰিব ২১৫ জন খেলুৱৈৰ এটা দলে। 'আপোনালোকে কি কৰিব লাগিব আৰু কেনেকৈ খেলিব লাগে তাৰ বিশেষজ্ঞ। মই মাথোঁ ক'ম, সম্পূৰ্ণ হৃদয়েৰে খেলক, সম্পূৰ্ণ শক্তিৰে খেলক আৰু কোনো ধৰণৰ চাপ নোহোৱাকৈ খেলক।' মোদীয়ে কয়। উল্লেখ্য যে অহা ২৮ জুলাইৰ পৰা আঠ আগষ্টলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব কমনৱেলথ গেমছ। ইফালে, খেল আৰম্ভ নহোৱাৰ পূৰ্বে ভাৰতীয় দলৰ বাবে দুখজনক তথা লজ্জাৰ খবৰ হ'ল ডপিঙত ব্যৰ্থ হৈ কমনৱেলথ গেমছত অংশ লোৱাৰ পৰা আঁতৰিছে ভাৰতৰ মহিলা দৌৰবিদ ধনলক্ষ্মী আৰু ট্ৰিপল জাম্পাৰ ঐশ্বৰিয়া বাবু।

# শ্ৰীলংকাৰ বিৰুদ্ধে পাকিস্তানৰ জয়

**গল, ২০ জুলাই ঃ** পাকিস্তানে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা চলিত টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত চাৰি উইকেটত জয়লাভ কৰিছে। উল্লেখ্য যে ঘৰুৱা দলটোৱে দিয়া ৩৪২ ৰাণৰ বিজয়লক্ষ্য দৃঢ়তাৰে অনুসৰণ কৰি আজি অন্তিম দিনা পাকিস্তানে ছয় উইকেট হেৰুৱাই ৩৪৪ ৰাণ কৰি জয় অৰ্জন কৰে। কালি চতুৰ্থ দিনাৰ খেলৰ অন্তত পাকিস্তানে দ্বিতীয় ইনিংছত তিনিটা উইকেট হেৰুৱাই ২২২ ৰাণ কৰি সুন্দৰ স্থিতিত উপনীত হৈছিল। হাতত সাতটা উইকেট থকা অৱস্থাত বিজয়ৰ বাবে পাকিস্তানক প্ৰয়োজন হৈছিল ১২০ ৰাণৰ। দলৰ অপেনাৰ আব্দুলা ছফিকে শতকীয় ইনিংছ খেলি বেটিং কৰি থকাৰ পাছত আজি ১৬০ ৰাণত অপৰাজিত থাকি দলক বিজয়লক্ষ্যত উপনীত কৰোৱায়। বাবৰ আজমে কৰে ৫৫ ৰাণ। উল্লেখ্য যে টেষ্টখনত শ্ৰীলংকাই প্ৰথম ইনিংছত ২২২ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, পাকিস্তানে বাবৰ আজমৰ (১১৯ৰ শতকৰ সহায়ত ২১৮ ৰাণত প্ৰথম ইনিংছ সামৰিছিল। আনহাতে, শ্ৰীলংকাই ৩৩৭ ৰাণত দ্বিতীয় ইনিংছ সামৰি মুঠ ৩৪১ ৰাণত অগ্ৰগতি লয়। প্ৰথম ইনিংছত শ্ৰীলংকাৰ হৈ ৭৬ ৰাণ কৰা চন্দিমলে দ্বিতীয় ইনিংছত অনবদ্য ৯৪ ৰাণ কৰি অপৰাজিত থাকে। আনহাতে, দলৰ হৈ কুশল মেণ্ডিছে ৭৬ আৰু ফাৰ্ণাণ্ডোৱে ৬৪ ৰাণ কৰে। পকিস্তানৰ হৈ মহম্মদ নাৱাজে পাঁচটা উইকেট দখল কৰে। মেচৰ শ্ৰেষ্ঠ হয় ছফিক।




# ৰাষ্ট্ৰীয় জুনিয়ৰ সাঁতোৰত অসমৰ ১৮ টা পদক লাভ

**যোৰহাট, ২০ জুলাই ঃ** ভুৱনেশ্বৰত অনুষ্ঠিত ৪৮ সংখ্যক জুনিয়ৰ সাঁতোৰ প্ৰতিযোগিতাৰ আজি অন্তিম দিনা অসমে মেডলী ৰিলে ল'ৰাৰ আৰু ছোৱালীৰ শাখাত ৰূপৰ পদক অৰ্জন কৰে । ইফালে, ১৫০০ মিটাৰ ফ্ৰিষ্টাইলত সংস্কাৰ ভূঞাই সোণ আৰু ১০০ মিটাৰ বাটাৰফ্লাইট তীৰ্থাংক পেগুৱে সোণৰ পদক লাভ কৰে ।প্ৰতিযোগিতাত তীৰ্থাংক পেগুৱে সামগ্ৰিকভাবে তিনিটা সোণ, চাৰিটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে । আনহাতে, অংশুমান কাশ্যপে ছটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰে । সংস্কাৰ ভূঞাই এটা সোণ , তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হয়। প্ৰতিযোগিতাত অসমে চাৰিটা সোণ, ১০ টা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰে।



## যুৱৰাজ সিঙৰ পৰা মানসিক শক্তি লৈছিল ঋষভ পণ্টে

# ৱেষ্টইণ্ডিজত উপস্থিত ভাৰত



**ত্ৰিনিদাদ, ২০ জুলাই ঃ** ঋষভ পণ্টৰ অপৰাজিত শতকৰ ওপৰত নিৰ্ভৰ কৰিয়েই ইংলেণ্ডৰ বিৰুদ্ধে তৃতীয় এদিনীয়া মেচখনত সহজেই জয়লাভ কৰিছিল ভাৰতে। ব্ৰিটিছৰ ভূমিত দখল কৰিলে এদিনীয়া শৃংখলা। উল্লেখ্য যে মানচেষ্টাৰৰ ওল্ড ট্ৰেফৰ্ডত ঋষভ পণ্টে অকলেই প্ৰতিযোগিতাৰ ৰূপ সলাই পেলাইছিল। টীম ইণ্ডিয়াৰ ২৪ বছৰীয়া উইকেটৰক্ষক-বেটছমেনগৰাকীক আকৌ এবাৰ দুৰন্ত ছন্দত দেখিবলৈ পোৱা গ'ল। কেৰিয়াৰৰ প্ৰথমটো এদিনীয়া শতক লাভ কৰাৰ পাছত উচ্ছসিত হৈ পৰে ভাৰতীয় বেটছমেনগৰাকী। মেচৰ অন্তত ২২ গজত শুনিবলৈ পোৱা গ'ল পণ্ট বন্দনা। পিছে ঋষভৰ এনে দৰ্শনীয় ইনিংছৰ নেপথ্যত পোহৰলৈ আহিছে বিশ্বকাপ বিজয়ী প্ৰাক্তন অলৰাউণ্ডাৰ যুৱৰাজ সিঙৰ নাম। যুৱৰাজ সিঙে নিজেই টুইট কৰি এই কথা প্ৰকাশ কৰিছে। পণ্টৰ দৰ্শনীয় ইনিংছত বিমুগ্ধ যুৱৰাজ। যুৱৰাজে টুইটাৰত লিখিছে, '৪৫ মিনিটৰ কথা-বতৰাই স্বৰূপাৰ্থত কামত দিয়া বুলি মনে ধৰিছেু ঋষভে যিদৰে ইনিংছৰ গতি বজাই ৰাখিলে, ই নিশ্চিতভাৱে প্ৰশংসাৰ যোগ্য।' অৰ্থাৎ এই টুইটত যুৱৰাজে বুজাই দিছিল যে, মানচেষ্টাৰ মেচৰ পূৰ্বে পণ্ট-যুৱৰাজৰ ৪৫ মিনিটৰ কথা-বতৰা হৈছিল। স্বাভাৱিকতে, যুৱৰাজৰ সৈতে তৰুণ ক্ৰিকেটাৰগৰাকীৰ বাৰ্তালাপ হোৱা কথাটো ক্ৰিকেট বিশ্বৰ বাবে সুখবৰ। বিভিন্ন সময়ত শচীন, ধোনীৰ দৰে অভিজ্ঞ তথা যুগজয়ী ক্ৰিকেটাৰৰ পৰা তৰুণ ক্ৰিকেটাৰ সকলে নানা পৰামৰ্শ লোৱা দেখিবলৈ পোৱা যায়। এইবাৰ যুৱৰাজ সিঙকো এগৰাকী পৰামৰ্শদাতাৰ ৰূপত দেখিবলৈ পোৱা গ'ল। ইফালে, ইংলণ্ডৰ পৰা গৈ আজি ৱেষ্ট ইণ্ডিজত উপস্থিত হৈছে ভাৰতীয় দল। ভাৰত-ৱেষ্ট ইণ্ডিজৰ শৃংখলাৰ প্ৰথমখন মেচ অহা ২২ জুলাইত অনুষ্ঠিত হ'ব।

# তেজপুৰত অলিম্পিক শিখাক আদৰণি



**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ,২০ জুলাই ঃ** অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগত গ্ৰামাঞ্চলৰ ক্ৰীড়া প্ৰতিভা ৰাষ্ট্ৰীয় পৰ্যায়লৈ উলিয়াই অনাৰ বাবে গুৱাহাটীত অনুষ্ঠিত কৰিছে অসম য়ুথ অলিম্পিক। ইতিমধ্যে ৰাজ্যজুৰি এক ক্ৰীড়াৰ পৰিবেশ সৃষ্টিৰ লক্ষ্যৰে অসমৰ পাঁচখন জিলা সদৰৰ লগতে ধেমাজিৰ পৰাঅসম য়ুথ অলিম্পিক শিখালৈ যাত্ৰা কৰা অসম অলিম্পিকৰ যুটীয়া সম্পাদক হীৰেণ গগৈৰ লগতে ৰেলীত অহা সকলক আজি বিশ্বনাথ জিলাৰপৰা শোণিতপুৰ জিলাত প্ৰৱেশ কৰাৰ লগে লগে জামুগুৰিহাটৰ দিকৰাই দলঙৰ সমীপত তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জীতেন বৰঠাকুৰ সমন্বিতে সংগঠক-খেলুৱৈয়ে উস্ম আদৰণি জনায়। পিছত তেজপুৰ ত্ৰিবেনী পইন্টৰ পৰা দ্বিশতাধিক ক্ৰীড়াবিদ , জিলা ক্ৰীড়া বিষয়া,আৰক্ষী, তেজপুৰৰ ক্ৰীড়াপ্ৰেমী ৰাইজৰ লগতে ক্ৰীড়া সন্থাৰ সভাপতি সমন্বিতে সদস্য সকলে শোভাযাত্ৰা কৰি তেজপুৰ পল' গ্ৰাউণ্ডলৈ আদৰি আনে। ইয়াত তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই য়ুথ অলিম্পিক শিখা গ্ৰহন কৰে। আনহাতে অসম অলিম্পিক সন্থাৰ উপ সভাপতি ঋতুবৰণ শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত আদৰণি সভাত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা,উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জীতেন বৰঠাকুৰ প্ৰমুখ্যে কেইবাগৰাকী প্ৰবীন ক্ৰীড়াবিদে অংশ গ্ৰহন কৰে।

# প্ৰথম এদিনীয়াত ইংলণ্ডৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ জয়

**লণ্ডন, ২০ জুলাই ঃ** দক্ষিণ আফ্ৰিকাই প্ৰথমখন মেচত ইংলণ্ডৰ বিৰুদ্ধে ৬২ ৰাণত জয়লাভ কৰি তিনিখনীয়া এদিনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছে। পোনতে বেটিং কৰা দক্ষিণ আফ্ৰিকাই পাঁচ উইকেটত কৰে ৩৩৩ ৰাণ। ডুছানে ১৩৪ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে মাৰ্কৰামে ৭৭ আৰু মালানে ৫৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, ইংলণ্ডে ২৭১ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ জ' ৰুটে ৮৬, বেয়াৰষ্ট'ৱে ৬৩ আৰু জেছন ৰয়ে ৪৩ ৰাণ কৰে।




# বিশ্বনাথত যুৱ অলিম্পিকৰ শিখা লৈ উপায়ুক্তৰ পদযাত্ৰা

**অগ্ৰদূত বাৰ্তা, বিশ্বনাথ চাৰিআলি, ২০ জুলাই ঃ** যুৱ অলিম্পিকৰ শিখা লৈ আজি বিশ্বনাথ নগৰত এক বৃহৎ সমদল উলিয়াই বিশ্বনাথ জিলা ক্ৰীড়া সন্থাই। উল্লেখ্য যে আজি বিশ্বনাথ নগৰত উপস্থিত হয় যুৱ অলিম্পিকৰ শিখা। বিশ্বনাথ জিলা ক্ৰীড়া সন্থাই বিশ্বনাথ চাৰিআলিৰ হোটেল কাজিৰঙাৰ সমীপৰ পৰা ক্লক টাৱাৰ লৈকে অলিম্পিকৰ শিখা লৈ এক সমদল কৰে । এই সমদলত অংশ গ্ৰহন কৰে বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ বিভিন্ন বিষয় ববীয়াৰ লগতে বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে, অতিৰিক্ত উপায়ুক্ত বিশ্বজিৎ শইকীয়া, উপ-আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱাৰ লগতে জিলাৰ আৰক্ষী প্ৰশাসনৰ বিভিন্ন উচ্চ পদস্থ বিষয়া সকল।


# জি এছ এৰ ১৩ অনূৰ্ধ্ব ফুটবল আৰম্ভ

## ৱাৰিয়ৰ্ছ, লায়নফ'ৰ্ড, চান্দমাৰিৰ জয়

**গুৱাহাটী , ২০ জুলাই ঃ** ১৩টা দলৰ অংশগ্ৰহণেৰে আজিৰেপৰা নেহৰু ষ্টেডিয়ামত আৰম্ভ হৈছে গুৱাহাটী ক্ৰীড়া সন্থাৰ অনুৰ্ধ ১৩ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজন । আজি অনুষ্ঠিত প্ৰথম খেলত আছাম ৱাৰিয়ৰ্ছে এন কে এছ এফ চি চিক ১৬-০ গ'লত পৰাস্ত কৰে । আনহাতে, বিয়লি অনুষ্ঠিত এখন খেলত লায়নফ'ৰ্ড এফচিয়ে আকাশ এফচিক ৬-০ গ'লত পৰাস্ত কৰে । আন এখন খেলত চান্দমাৰী এফচিচিয়ে পেগাছাছ এফচিক ৪-৩ গ'লত পৰাস্ত কৰিবলৈ সক্ষম হয় । কাইলৈ হ'বলগা খেলসমূহ ঃ গুৱাহাটী ইয়ং ষ্টাৰ এফচিচি বনাম উদয়ন কৃষ্টি সংঘ, গুৱাহাটী চিটী এফচি বনাম আছাম ৱাৰিয়ৰ্ছ এফচি (২-৩০ বজাৰপৰা) আৰু কাজিৰঙা এফচি বনাম চন্দ্ৰপুৰ এফচিচি, নাৰেংগী এফচিচি বনাম লায়নফ'ৰ্ড এফচি (৩-৪০ বজাৰপৰা)।

# ৰাজ্যিক টাইকোৱান-ড'ত সন্তোষৰ সোণ যোৰহাটৰ চাইক্লিং দল ঘোষণা

**যোৰহাট, ২০ জুলাই ঃ** বঙাইগাঁওৰ অভয়াপুৰীত অনুষ্ঠিত ৩৭ সংখ্যক ৰাজ্যিক টাইকোৱান-ড' প্ৰতিযোগিতাৰ ছাৱ-জুনিয়ৰ শাখাত ৩২ কেজিত যোৰহাট জিলাৰ সন্তোষ বৰাই সোণৰ পদক লাভ কৰিছে। সন্তোষ বৰা ধলাজান টাইকোৱান-ড' প্ৰশিক্ষণ স্কুলৰ প্ৰশিক্ষাৰ্থী । খেলুৱৈজনে ব্লেক বেল্ট চতুৰ্থ ডান আৰু ৰাষ্ট্ৰীয় ৰেফাৰী গজেন বৰাৰ অধীনত প্ৰশিক্ষণ লৈ আছে। **অসম যুৱ অলিম্পিকৰ বাবে যোৰহাট জিলাৰ চাইক্লিং দল ঘোষণা ঃ** গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিকৰ বাবে যোৰহাট জিলাৰ চাইক্লিং খেলুৱৈসকলৰ নাম ঘোষণা কৰা হৈছে । যোৰহাট জিলা চাইক্লিং সন্থাৰ সাধাৰণ সম্পাদক দেৱজ্যোতি দত্তই প্ৰেছ বিবৃতিৰ জৰিয়তে জনোৱা মতে নিৰ্বাচিত খেলুৱৈসকল হ'ল ঃ শ্ৰেয়ম দত্ত , অনুন্ন ডেকা ,ঋষান্ত প্ৰপঞ্চ শইকীয়া । দলটোৰ প্ৰশিক্ষক হিচাপে আছে শান্তনু বৰা । মেনেজাৰ চুচেন কুমাৰ বৰুৱা।



আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটৰ ট্ৰফী উন্মোচন অষ্ট্ৰেলিয়াত।

# যোৰহাটত যুৱ অলিম্পিকৰ শিখা

## টীয়কত উপস্থিত অসম অলিম্পিক শিখা

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২০ জুলাই ঃ** উজনি অসমৰ পৰা আহি আজি টীয়কত উপস্থিত হয় অসম যুৱ অলিম্পিক ২০২২ ৰ অলিম্পিক শিখা। উল্লেখ্য যে অসম অলিম্পিক সন্থাৰ উদ্যোগত ২২ জুলাইৰ পৰা গুৱাহাটীত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব লগা অসম যুৱ অলিম্পিকৰ শিখা ৰেলীটোক টীয়ক ক্ৰীড়া সন্থাৰ কৰ্মকৰ্তা সকলে টীয়কৰ অসম ৰাজ্যিক বাছ আস্থানৰ কাষত আদৰণী জনায়। শিখা কঢ়িয়াই অনা অসম অলিম্পিক সন্থাৰ দুই প্ৰতিনিধি বিদ্যুৎ দেউৰী আৰু মানৱজিৎ শইকীয়াক টীয়ক ক্ৰীড়া সন্থাৰ ফালৰ পৰা আদৰণী জনোৱা হয় আৰু যুৱ প্ৰতিভাসমূহ উলিয়াই নিয়াৰ ক্ষেত্ৰত অসম চৰকাৰে আয়োজন কৰা এই পদক্ষেপক শলাগ লয়। উক্ত আদৰণী অনুষ্ঠানত টীয়ক ক্ৰীড়া সন্থাৰ ৰিজু শইকীয়া, সৌৰভ বৰা,মিনাৰাম দাস,মুন্না মিলিকে ধৰি কেইঠাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।



**যোৰহাট, ২০ জুলাই ঃ** অসমৰ নতুন প্ৰতিভাৰ সন্ধানৰ উদ্দেশ্যেৰে অসম অলিম্পিক সন্থাই অসম চৰকাৰৰ সহযোগত গুৱাহাটীত প্ৰথম যুৱ অলিম্পিক অনুষ্ঠিত কৰিব ।আজি অসম অলিম্পিক সন্থাৰ অলিম্পিক শিখা তিনিচুকীয়াৰ পৰা আৰম্ভ কৰি যোৰহাটত উপস্থিত হয় । যোৰহাট জিলা ক্ৰীড়া সন্থাৰ তৰফৰ পৰা এই শিখা আদৰণি জনোৱা হয় । যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰী আৰু সম্পাদক জুল খাউণ্ডৰ নেতৃত্বত জিলাখনৰ ক্ৰীড়াবিদৰ অংশগ্ৰহণেৰে এই শিখা আদৰণি জনাই এক শোভাযাত্ৰা উলিওৱা হয়।

# সঞ্জীৱন সমাজৰ জয়লাভ



**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২০ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ গুৰুত্বপূৰ্ণ খেলত সঞ্জীৱন সমাজে অম্লান গোষ্ঠীক ১-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। সঞ্জীৱন সমাজৰ হৈ বিজয়সূচক গ'লটো লক্ষ্যজ্যোতি দাসে ৭৭মিনিটত দিয়ে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে পাৰ্শজ্যোতি দাস, ৰয়েল ইছলাম আৰু কৃষ্ণকান্ত দাসে। খেলখনত সঞ্জীৱন সমাজৰ লক্ষ্যজ্যোতি দাস শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

# এ ডিভিজন ফুটবলত ভিক্টোৰিয়াছ ক্লাব জয়ী

**যোৰহাট, ২০ জুলাই ঃ** যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা এ ডিভিজন ফুটবল লীগৰ আজি এ গ্ৰুপৰ এখন গুৰুত্বপূৰ্ণ খেলত ভিক্টোৰিয়াছ ক্লাবে ৰমাকান্ত ফুটবল ক্লাবক ২-১ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰে। খেল খন প্ৰথমাৰ্ধত গ'ল শূণ্য হিচাপে সমাপ্তি ঘটে যদিও দ্বিতীয়াৰ্ধত ভিক্টোৰিয়াছ ক্লাবৰ ৰক্ষক বিভাগৰ খেলুৱৈয়ে ফাউল কৰাত ৰেফাৰী সমুন্ত দত্তই পেনাল্টি নিৰ্দেশ দিয়ে আৰু ৰমাকান্ত ক্লাবৰ উদয় বড়াই গ'ললৈ ৰূপান্তৰিত কৰি ক্লাবক ১-০ ৰ অগ্ৰগতি প্ৰদান কৰে। পাছত ভিক্টোৰিয়াছ ক্লাবৰ কংকন কিশোৰ বড়াক ৰমাকান্ত ফুটবল ক্লাবৰ ৰক্ষক বিভাগৰ খেলুৱৈ গৰাকীয়ে ফাউল কৰাত ৰেফাৰীয়ে পেনাল্টি নিৰ্দেশ দিয়ে। ভিক্টোৰিয়াছৰ বসন্ত ভূঞাই গ'ল দি ১-১ ত সমতা স্থাপন কৰে। ৮৮ মিনিটত ভিক্টোৰিয়াছ ক্লাবৰ বসন্ত ভূঞাই দ্বিতীয়টো গ'ল দি দলক জয়ী কৰোৱাত মূখ্য ভূমিকা গ্ৰহণ কৰে। আজি খেল পৰিচালনা কৰে সুমন্ত দত্তই ।লাইনত পৰন পাঠক আৰু বিমান বুঢ়াগোহাঁই ।চতুৰ্থ ৰাজদ্বীপ বড়া। ২১ জুলাই খেল ঃ মিলনজ্যোতি সংঘ বনাম নেপথ্য ক্লাব।

# চিৰাং প্ৰশাসন-ক্ৰীড়া সন্থাৰ শিখা সমদল

**অগ্ৰদূত বাৰ্তা, কাজলগাঁও, ২০ জুলাই ঃ** চিৰাঙত আজি অনুষ্ঠিত হয় অসম যুৱ অলিম্পিকৰ শিখা লৈ সমদল। উল্লেখ্য যে পশ্চিম অসম পৰিভ্ৰমণ কৰা শিখা চিৰাঙত উপস্থিত হয় । বঙাইগাঁও জিলাৰ পৰা চিৰাং জিলাৰ সদৰ কাজলগাঁৱস্থিত আলাৰী উদাংশ্ৰী প্ৰেমসিং ব্ৰহ্ম ক্ৰীড়া প্ৰকল্পত উপস্থিত হোৱাত চিৰাং জিলা প্ৰশাসনে আদৰণি জনায় । চিৰাং জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীৰ সভাপতিত্বত অলিম্পিক শিখা লৈ চিৰাঙৰ খেলুৱৈ সকলক উৎসাহ দিয়াৰ বাবে এখনি সভাও অনুষ্ঠিত হয়। এই সভাত চিৰাঙৰ পৰা প্ৰতিনিধিত্ব কৰা আন্তৰ্জাতিক



আৰু ৰাষ্ট্ৰীয় কেবাগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে এক সমদল উলিওৱা হয় । সমদলত চিৰাঙৰ জিলা উপায়ুক্ত পি বিজয়া ভাস্কৰ ৰেড্ডী, অতিৰিক্ত উপায়ুক্ত ৰিংখাং মুছাহাৰী, উপ আৰক্ষী অধীক্ষক লৱ কুমাৰ ডেকাই অংশ লয় ।উল্লেখ্য যে, অসম অলিম্পিক সন্থাৰ উপ-সভাপতি বিষ্ণুৰাম নুনিছাৰ নেতৃত্বত অহা অলিম্পিক শিখাই ইতিমধ্যে গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙাইগাওঁ জিলা অতিক্ৰম কৰি আহিছে। চিৰাঙৰ পাছতে অলিম্পিক শিখা বৰপেটা, বাক্সা আৰু বজালী জিলাত উপস্থিত হ'ব বুলি নুনিছাই জানিবলৈ দিয়ে।

# নাচনশালী ফুটবল দলৰ চেম্পিয়ন ট্ৰফী লাভ

## চণ্ডীচৰণ দাস ফুটবল প্ৰতিযোগিতাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা, টংলা, ২০ জুলাই ঃ** ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ক্ৰীড়া নগৰী টংলা ক্ৰীড়া সন্থাৰ উদ্যোগত টংলা ষ্টেডিয়ামত ১১ ৰ পৰা ২০ জুলাইলৈকে অনুষ্ঠিত চণ্ডীচৰণ দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজিৰ ফাইনেল খেলখনত টাইব্ৰেকাৰ পদ্ধতিৰ সহায়ত নাছনশালী ফুটবল দলে ৪-১ ৰ ব্যৱধানত টংলা ক্ৰীড়া সন্থা ফুটবল দলক পৰাস্ত কৰি চেম্পিয়ন হয়। টংলা অগ্নিনিৰ্বাপক বাহিনীৰ ইনচাৰ্জ ব্ৰজেন কলিতাই শুভ উদ্বোধন কৰা খেলত ট্ৰফী দাতা বলিৰাম ডেকা , ক্ৰীড়াবিদ নমল ৰাভা, ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বৰা, সম্পাদক ভাৰত চন্দ্ৰ ৰাভা, ক্ৰিকেটৰ সম্পাদক লোহিত নাথ উপস্থিত থাকে। খেলখন পৰিচালনা কৰে সোমেশ্বৰ বড়োৱে আৰু তেওঁক সহায় কৰে বিকাশ শৰণীয়া আৰু নিজুম বড়োৱে। উল্লেখ্য যে টংলা ক্ৰীড়া সন্থা আৰু নাচনশালী ফুটবল ক্লাৱৰ মাজত অনুষ্ঠিত হোৱা লীগ পৰ্যায়ৰ অন্তঃক্লাব খেলখনত আঠটা দলে অংশগ্ৰহণ কৰিছিল।



# দেৱানবড়ীত সমূহীয়া মৎস্য চিকাৰ পাঁচ শতাধিক জনজাতীয় পুৰুষ-মহিলাৰ



**আলোপতি, ২০ জুলাই ঃ** বান পৰিস্থিতি সম্পূৰ্ণৰূপে উন্নত হোৱাৰ লগে লগে বিভিন্ন খাল-বিলসমূহত সম্প্ৰতি সমূহীয়া মৎস্য চিকাৰত ব্যস্ত হৈছে একাংশ পুৰুষ-মহিলা। বাৰিষাৰ পাছত গোৱালপাৰা জিলাৰ লগতে পশ্চিম কামৰূপৰ খাল, বিল, জলাশয় আদিত শ শ পুৰুষ-মহিলাই মাছ মৰা পৰিলক্ষিত হৈছে। বিগত কে'বাদিন ধৰি গোৱালপাৰা জিলাৰ শিমলীতোলা দেৱানবড়ীকে ধৰি অন্যান্য খাল-বিলসমূহত বিশেষকৈ জনজাতীয় শ শ মহিলাই জাল, জাকৈ, পল' আদিৰে মাছ মাৰি এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে। জিলাখনৰ দুধনৈ, দৰংগিৰি, ৰংজুলি, আমজোঙা, কায়স্থপাৰা, ধনুভাঙা, ছাৰাপাৰা, কাঁহিবাৰী আদি অঞ্চলৰ পৰা শ শ জনজাতীয় মহিলাৰ লগতে একাংশ পুৰুষে গাড়ীৰে আহি শিমলীতোলাৰ খাল, বিলত মাছ মাৰা পৰিলক্ষিত হৈছে। শ শ জনজাতীয় মহিলাই সমূহীয়াভাৱে মাছ মাৰিবলৈ অহা দেখি স্থানীয় একাংশ মহিলাই জাল, জাকৈ, পল' লৈ মাছ মাৰি আনন্দত আত্মহাৰা হৈ পৰিছে। একাংশ জনজাতীয় মহিলাই ব্যক্ত কৰা মতে বিভিন্ন গাঁৱৰ পৰা মহিলাসকল একগোট হৈ মাছ মাৰিবলৈ অহাটো অসমৰ গ্ৰাম্য জীৱনৰ এক উল্লেখযোগ্য পৰম্পৰা। এই পৰম্পৰা ধৰি ৰখাৰ লগতে সমূহীয়াভাৱে মাছ মাৰা কাৰ্যত পৰিস্ফুট হয় চহা জীৱনৰ প্ৰকৃত ছবি। মাছ পাওক-নাপাওক এনেদৰে সমূহীয়াভাৱে মাছ মাৰি তেওঁলোকে আনন্দ উপভোগ কৰে বুলি ব্যক্ত কৰে একাংশ জনজাতীয় মহিলাই। আজি দেৱানবড়ী বিলত মাছুৱৈ সকলে পুঠি, ডঁৰিকণা, খলিহনা, মিৰিকা, বৰালি, বামিৰ লগতে বিভিন্ন ধৰণৰ থলুৱা মাছ মাৰিবলৈ সক্ষম হয়।

*একাংশ জনজাতীয় মহিলাই ব্যক্ত কৰা মতে বিভিন্ন গাঁৱৰ পৰা মহিলাসকল একগোট হৈ মাছ মাৰিবলৈ অহাটো অসমৰ গ্ৰাম্য জীৱনৰ এক উল্লেখযোগ্য পৰম্পৰা। এই পৰম্পৰা ধৰি ৰখাৰ লগতে সমূহীয়াভাৱে মাছ মাৰা কাৰ্যত পৰিস্ফুট হয় চহা জীৱনৰ প্ৰকৃত ছবি। মাছ পাওক-নাপাওক এনেদৰে সমূহীয়াভাৱে মাছ মাৰি তেওঁলোকে আনন্দ উপভোগ কৰে বুলি ব্যক্ত কৰে একাংশ জনজাতীয় মহিলাই।*

# মুখ্যমন্ত্ৰীৰ বিশেষ উদ্যোগত পেঞ্চন পালে মুক্তিযোদ্ধাৰ কন্যাই

**■ 'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ ইতিবাচক প্ৰভাৱ ■ অৱশেষত ন্যায় লাভ স্বাধীনতা সংগ্ৰামীৰ পৰিয়ালৰ**

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২০ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ উদ্যোগত যোৱা ৩০টা বছৰে চৰকাৰী-প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈ অহা যোৰহাটৰ এটা সম্ভ্ৰান্ত মুক্তিযুঁজাৰু পৰিয়ালৰ অবিবাহিতা কন্যাই লাভ কৰিলে মুক্তিযুঁজাৰু পেঞ্চন। উল্লেখ্য যে যিসময়ত দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে অমৃত মহোৎসৱৰ উদ্‌যাপনৰ ব্যাপক আয়োজন চলিছে তেনে সময়তে ইয়াৰ হেজাৰী মৌজাৰ অন্তৰ্গত ৰজাহাউলি অঞ্চলৰ মুক্তিযোদ্ধা প্ৰয়াত ভোগেশ্বৰ বৰুৱাৰ অবিবাহিতা কন্যা সুবৰ্ণ বৰুৱাই প্ৰাপ্য স্বীকৃতি তথা পেঞ্চনৰ পৰা বঞ্চিত হৈ আৰ্থিক অনাটনত ভুগি দুৰ্বিষহ জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছিল। এই বিষয়ে 'দৈনিক অগ্ৰদূত'ত কেইমাহমানৰ পূৰ্বে সবিস্তাৰে এক প্ৰতিবেদন প্ৰকাশ কৰাৰ পাছতে বিষয়টো দৃষ্টিগোচৰ হয় চৰকাৰৰ। শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ক্ষিপ্ৰ প্ৰচেষ্টাত অসম চৰকাৰৰ গৃহ বিভাগে এইছ্‌এমচিএফএফপিড/১৩/২০২২/৬৪ নম্বৰ অনুমোদন-পত্ৰৰ জৰিয়তে বৃদ্ধা মহিলাগৰাকীক ৰাজ্যিক পেঞ্চন প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে নগৰৰ উপকণ্ঠ ৰজাহাউলি অঞ্চলৰ বাসিন্দা, অসমত সমবায় আন্দোলনৰ অন্যতম হোতা প্ৰয়াত ভোগেশ্বৰ বৰুৱা। বাগ্মীবৰ নীলমণি ফুকন, পুৰুষসিংহ মুকুলীধৰ বৰুৱা, দেশনেতা কুলধৰ চলিহা, জননায়ক দেবেশ্বৰ শৰ্মা আদি বৰেণ্য ব্যক্তিৰ সান্নিধ্যত ভৰ যৌৱনতে চৰকাৰী চাকৰি প্ৰত্যাখ্যান কৰি মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শৰ প্ৰতি উদ্বুদ্ধ হৈ ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰা ভোগেশ্বৰ বৰুৱাই ১৯৪৮তে যোৰহাটৰ ককিলামুখত এগ্ৰিকালচাৰেল হাব গঠন কৰাৰ লগতে গো-পালনৰ সমবায় সমিতি প্ৰতিষ্ঠা কৰি ডেকা শক্তিক স্বাৱলম্বী হ'বলৈ হাতে-কামে কৰি আদৰ্শ দেখুৱাইছিল। ১৯২১ৰ ২৮ আগষ্টত যোৰহাটৰ কাছাৰী ফ্লিল্ডত ভাৰতৰ জাতিৰ পিতা মহাত্মা গান্ধী উপস্থিত থকা সভাত ভোগেশ্বৰ বৰুৱাই ডেকাসকলক লগত লৈ গান্ধীৰ সভাত অংশগ্ৰহণ কৰি সমগ্ৰ যোৰহাট জিলাতে স্বাধীনতা আন্দোলনৰ বাবে ডেকা শক্তিক একত্ৰিত কৰিছিল। আধুনিক বালিগাঁৱৰ অন্যতম নিৰ্মাতা হিচাপে পৰিচিত সমাজপ্ৰাণ ভোগেশ্বৰ বৰুৱাই যোৰহাটত আন্দোলনৰ সমানে কৰ্মজীৱনৰ বাবে যুৱকসকলক অনুপ্ৰাণিত কৰিছিল। দেশৰ হকে আগবঢ়োৱা সেৱাৰ বাবে অসম চৰকাৰে ১৯৬৬ত ভোগেশ্বৰ বৰুৱাক ৰাজনৈতিক নিৰ্যাতিত লোকৰ পেঞ্চন প্ৰদান কৰিছিল। ১৯৬৯ত তেওঁৰ মৃত্যুৰ পাছত পত্নী কৌশল্যা বৰুৱাই সেই পেঞ্চন লাভ কৰে। ১৯৯১ত কৌশল্যা বৰুৱাৰ মৃত্যু হয়। ভাৰত চৰকাৰৰ নীতি অনুসৰি স্বাধীনতা সংগ্ৰামী পেঞ্চনাৰৰ মৃত্যুৰ পাছত যদি কোনো অবিবাহিতা কন্যা জীয়াই থাকে সেই সন্তানে পেঞ্চন লাভ কৰিব লাগে। কিন্তু ভোগেশ্বৰ বৰুৱাৰ কন্যা সুবৰ্ণ বৰুৱাই সেই সুবিধাৰ পৰা বঞ্চিত হৈ ৰ'ল। তেওঁ এগৰাকী পক্ষাঘাত ৰোগগ্ৰস্ত প্ৰতিবন্ধী মহিলা। নিজৰ শাৰীৰিক আৰু মানসিক যন্ত্ৰণাৰ মাজতো আজি ৩০টা বছৰে বাৰম্বাৰ চৰকাৰী বিষয়া, মন্ত্ৰী-বিধায়কক কাকুতি-মিনতি কৰিও আৰ্থিক উপাৰ্জন নথকা সত্তৰোৰ্ধ্বৰ মহিলাগৰাকীয়ে চৰকাৰৰ পৰা আগবঢ়োৱা পেঞ্চন লাভ কৰা নাছিল। কিন্তু শেহতীয়াকৈ 'দৈনিক অগ্ৰদূত'কে ধৰি একাংশ সংবাদ মাধ্যমত এই মহিলাগৰাকীৰ দুৰ্বিষহ জীৱন গাথা সবিস্তাৰে প্ৰকাশ পোৱাত বহু পলমকৈ হ'লেও মাতৃৰ বিয়োগৰ পাছত বন্ধ হৈ পৰা ৰাজ্য চৰকাৰৰ 'স্বতন্ত্ৰতা সেনানী ৰিলিফ ৰুল'ৰ অধীনত পেঞ্চন লাভ কৰিবলৈ সক্ষম হৈছে।

# কলিয়াবৰত বাঘৰ আতংক, আতংকিত গঞা

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২০ জুলাই ঃ** কলিয়াবৰ মহকুমাৰ আমগুৰি গাঁও পঞ্চায়তৰ ফুলগুৰি অঞ্চলত বাঘৰ আতংকই সাধাৰণ গঞা ৰাইজৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা এটা প্ৰকাণ্ড ঢেকীয়াপটীয়া বাঘে অঞ্চলটোত বিচৰণ কৰি ইতিমধ্যে গঞাৰ কে'বাটাও গো-ধন ভক্ষণ কৰি ত্ৰাসৰ সৃষ্টি কৰিছে। দিন-দুপৰতে বাঘে বিচৰণ কৰিবলৈ আৰম্ভ কৰিছে অঞ্চলটোত। মানুহৰ ঘৰৰ কাষৰ হাবিয়নিতে বাঘ বিচৰণ কৰাত এতিয়া অঞ্চলটোৰ ৰাইজ আতংকিত হৈ পৰিছে। বন বিভাগে বাঘটোক কাজিৰঙালৈ খেদি পঠিওৱাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে অঞ্চলবাসীয়ে। অঞ্চলটোৰ হৰি বাহাদুৰ ছেত্ৰী আৰু ভুৱন ৰানা নামৰ দুজন লোকৰ গো-ধন ইতিমধ্যেই ভক্ষণ কৰিছে কাজিৰঙাৰ বাঘে। উল্লেখ্য যে সঘনাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বাঘ ওলাই আহি পশুধনৰ বিস্তৰ ক্ষতিসাধন কৰি আহিছে জনসাধাৰণৰ।

APOLLO HOSPITALS CHENNAI
OBSTETRICIAN & GYNAECOLOGIST
DR. NAGASHREE U MBBS,DGO,DNB(OBG),FRM,FELLOW IN REPRODUCTIVE MED
কেৱল পৰামৰ্শৰ বাবে নগাঁৱত উপস্থিত থাকিব।
ON 30th July'2022
গৰ্ভধাৰণত হোৱা সমস্যা, সঘন গৰ্ভপাত, ইউটেৰাছ আৰু গৰ্ভাশয়ৰ টিউমাৰ, অস্বাভাৱিক ৰক্তক্ষৰণ, হৰমোনৰ চিকিৎসা আৰু অন্যান্য গাইনেকলজিকেল সমস্যাত ভোগা ৰোগীয়ে তলৰ ঠিকনাত আগতীয়াকৈ নাম পঞ্জীয়ন কৰিব পাৰে।
APOLLO HOSPITALS INFORMATION CENTRE
F.B.Lab and Diagnostic Center, K.G.Road, Fouzdarpatty.
Near Old Elphinstone Cinema Hall, Nagaon (Assam)
PH: 9435701047



# বড়ো নেতৃত্বৰ সপোন বাস্তৱায়িত কৰিবলৈ এই ক'চিঙৰ কাৰ্যসূচী লোৱা হৈছে

**■ ঢালিগাঁৱত বিটিআৰৰ ইউপিএছচি ছুপাৰ ৫০ ক'চিং কাৰ্যসূচী মুকলি প্ৰমোদ বড়োৰ**

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২০ জুলাই ঃ** প্ৰতি বছৰে বিটিআৰ অঞ্চলৰ পৰা ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া ইউপিএছচিৰ ক'চিং দিয়াৰ লক্ষ্যৰে আয়োজন কৰা কাৰ্যসূচীৰ আজি আৰম্ভ কৰা হয়। চিৰাং জিলাৰ ঢালিগাঁৱস্থিত বঙাইগাঁও শোধনাগাৰৰ শোধনাগাৰ ক্লাব প্ৰাংগণত আয়োজিত অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো মুখ্য অতিথিৰূপে উপস্থিত থাকে উদ্বোধনী অনুষ্ঠানত। অনুষ্ঠানত অংশ লৈ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয় যে বহু দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীসকলে মেধা সম্পন্ন যদিও উপযুক্ত আৰ্থিক সহায় লাভৰ পৰা বঞ্চিত হোৱাৰ বাবে নিজৰ সপোন পূৰণত ব্যৰ্থ হ'ব লগা হয়। বিটিআৰ প্ৰশাসনে আলোচনা মৰ্মে এইবাৰৰ পৰা প্ৰতি বছৰে ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। তেওঁ প্ৰকাশ কৰা মতে, পূৰ্বে নিখিল বড়ো ছাত্ৰ সন্থাই নেতৃত্ব লোৱা বাবে বহু নেতা, বুদ্ধিজীৱী লোকক লগ পাইছে। তেওঁলোকে বিটিআৰ অঞ্চলত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া, অসম প্ৰশাসনিক সেৱাৰ বিষয়াৰ অভাৱ সেয়ে এই অভাৱ দূৰ কৰিব লাগিব, বুলি কয়। বড়োৱে কয় যে বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মই বড়ো সমাজখন উন্নত কৰাৰ বাবে সপোন দেখিছিল। তেওঁৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ বিটিআৰ প্ৰশাসনে গুৰুত্ব প্ৰদান কৰিছে। তেওঁ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ ছুপাৰ ৫০ প্ৰশিক্ষণ দিবলৈ ওলাইছে। অনাগত দিনত বিটিআৰৰ পৰা ভাৰতীয় সেৱাৰ বিষয়া ওলাই আহিলে অঞ্চলটোৰ উন্নয়ন হ'ব বুলি আশা ব্যক্ত কৰে। উল্লেখ্য যে ভাৰতীয় অসামৰিক সেৱাৰ প্ৰশিক্ষণ নতুন দিল্লীত প্ৰদান কৰা হ'ব চাণক্য আইএএছ একাডেমীত। বড়োৱে লগতে জনায় আগন্তুক সময়ত ছুপাৰ ৫০ আই আইটি আৰু ছুপাৰ ৫০ মেডিকেলতো আৰম্ভ কৰিব বিটিচি প্ৰশাসনে। অনুষ্ঠানত বিটিচি মুখ্য বড়োৱে যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ আশু আৰোগ্য কামনা কৰি প্ৰাৰ্থনা জনায়।

বিটিচিৰ প্ৰধান সচিব অনুৰাগ গোৱেলে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক প্ৰশান্ত বড়ো, বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, অৰূপ কুমাৰ দে, উইলচন হাসদাই বিটিআৰ প্ৰশাসনে গ্ৰহণ কৰা ভাৰতীয় প্ৰশাসনিক সেৱাৰ ছুপাৰ ৫০ প্ৰশিক্ষণ কাৰ্যসূচী এক অনন্য কাৰ্যসূচী বুলি ভাষণত অৱগত কৰে। অনুষ্ঠানত দিল্লীৰ চাণক্য আইএএছ একাডেমীৰ প্ৰতিষ্ঠাপক সঞ্চালক এ কে মিশ্ৰ, কোকৰাঝাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লাইশ্ৰাম লাডুসিং আদিয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত চিদলীৰ বিধায়ক জয়ন্ত বসুমতাৰী, লৰেন্স ইছলাৰী, বিটিআৰৰ কে'বাজনো কাৰ্যবাহী সদস্য, পৰিষদীয় সদস্য, চিৰাঙৰ উপায়ুক্ত পি বিজয়া ভাস্কৰ ৰেড্ডীসহ ভালেসংখ্যক অভিভাৱক, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# গোৱালপাৰাৰ নলংগা পাহাৰৰ পৰা নতুন দিল্লীলৈ ২০ কুইণ্টল আনাৰস ৰপ্তানি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২০ জুলাই ঃ** গোৱালপাৰা জিলাৰ নলংগা পাহাৰত অৱস্থিত অসম কৃষি-বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প (এপাৰ্ট)ৰ অধীনৰ জিড়িৰাম এফ পি চিৰদ্বাৰা উৎপাদিত প্ৰায় ১৫০০ টা আনাৰস (২০ কুইন্টল) আজি প্ৰথমবাৰৰ বাবে বহিঃৰাজ্যলৈ ৰপ্তানি কৰা হয়। নতুন দিল্লীলৈ ৰপ্তানি কৰা প্ৰতিটো আনাৰসৰ ওজন প্ৰায় ১.৩ ৰ পৰা ১.৫ কিলোগ্ৰাম। গোৱালপাৰা জিলা কৃষি বিভাগৰ আনাৰস ৰপ্তানিৰ আৰম্ভ কাৰ্যসূচীত জিলা কৃষি বিষয়া তথা অসম কৃষি-বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ প্ৰকল্প সঞ্চালক নয়ন কুমাৰ বৰা, সহকাৰী কৃষি সঞ্চালক এ ৱাহিদ আহমেদ, জিলা কৃষি বাণিজ্য সমন্বয়ক অপূৰ্ব মজুমদাৰ, জিলা উদ্যান শস্য সমন্বয়ক আব্দুল শুকুৰ, মিডিয়া বিশেষজ্ঞ সুকন্যা মেধি প্ৰমুখ্যে জিলা কৃষি বিভাগৰ কে'বাগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰে।



উল্লেখ্য যে বৰদামাল কৃষি চক্ৰৰ অন্তৰ্গত নলংগা পাহাৰৰ ৭২ টা পৰিয়ালে প্ৰায় সাত বিঘা মাটিত সম্পূৰ্ণ প্ৰাকৃতিক পদ্ধতিৰে আনাৰস উৎপাদন কৰে। কিন্তু উপাযুক্ত বজাৰৰ অভাৱত কৃষকসকলে অতি কম দামত আনাৰস বিক্ৰী কৰিবলগীয়া হয়। এতিয়া বহিঃৰাজ্যলৈ ৰপ্তানিৰ যোগেদি কৃষকসকলে আনাৰস বিক্ৰীৰ ব্যৱস্থা কৰি লাভবান হ'ব বুলি আশা কৰা হৈছে।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

# ভাৰত বিশ্ব ৰেকৰ্ড গঢ়িলে গোৱালপাৰাৰ চাইকেলিষ্ট তনবীৰ ফিৰদৌচ হুছেইনে

**অগ্ৰদূত বাৰ্তা**



**মাটিয়া, ২০ জুলাই ঃ** গোৱালপাৰাৰ চাইকেলিষ্ট তনবীৰ ফিৰদৌচ হুছেইনে এইবাৰ ভাৰত বিশ্ব ৰেকৰ্ড গঢ়ি জিলাখনৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিলে। তথ্য মতে, গোৱালপাৰা চহৰৰ লাইলা মুছকুৰা বেগমৰ পুত্ৰ তনবীৰ ফিৰদৌচ হুছেইনে ২০২১ৰ ২২আগষ্টৰ পৰা ১০ অক্টোবৰ লৈ ৯০০ কিলোমিটাৰ চাইকেল চলোৱাৰ লগতে ৬০ দিনত ৬০ ডাল বৃক্ষৰোপণ কৰে। ভাৰতবৰ্ষৰ ভিতৰত প্ৰথমবাৰৰ বাবে চাইকেল চলোৱাৰ সমান্তৰালকৈ বৃক্ষৰোপণ কৰাৰ বাবে ভাৰত বিশ্ব ৰেকৰ্ড গঢ়িবলৈ সক্ষম হয় ফিৰদৌচ হুছেইনে। কালি অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ পৰা উক্ত ভাৰত বিশ্ব ৰেকৰ্ডৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও তেওঁ দুই হাত বান্ধি চাইকেল চলাই, অসম বুক অৱ ৰেকৰ্ড, ভাৰত বুক অৱ ৰেকৰ্ড গঢ়াৰ লগতে এছিয়ান বুক অৱ ৰেকৰ্ড গঢ়ি সুনাম কঢ়িয়াই থৈছে।

# সামান্য বৰষুণ দিলে এন্ধাৰত ডুব যায় বাহাৰঘাট অঞ্চল

**অনিয়মীয়া বিদ্যুৎ যোগানত অতিষ্ঠ গ্ৰাহক**

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২০ জুলাই ঃ** পৰিৱৰ্তনৰ শ্ল'গান দি বিগত ২০১৬ত বিজেপি মিত্ৰজোঁট প্ৰথমবাৰৰ বাবে শাসনৰ গাদীত বহিছিল। পুনৰ সেই একে শ্ল'গানৰে দ্বিতীয় বাৰৰ বাবেও শাসনৰ গাদীত বহিল বিজেপি মিত্ৰজোঁট। দুৰ্ভাগ্যজনক কথা যে নিৰ্বাচনৰ সময়ত ২৪ ঘন্টাই বিদ্যুৎ যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰৰ প্ৰতিশ্ৰুতি যেন অসাৰ হৈ পৰিল গ্ৰামাঞ্চলত। ঘন্টাৰ পাছত ঘন্টা ধৰি বিদ্যুৎ কৰ্তন কৰি ৰাইজক জীয়াতু ভোগাই আছে শক্তি বিতৰণ কোম্পানীয়ে। বিশেষকৈ নলবাৰী দুই নম্বৰ উপ-সংমণ্ডলৰ অন্তৰ্গত বাহাৰঘাট কেম্পৰ বিদ্যুৎ গ্ৰাহকসকলে দীৰ্ঘদিনৰ পৰা বিদ্যুৎ বিজুতিত যন্ত্ৰণা ভোগ কৰি আহিছে। মনকৰিবলগীয়া যে সামান্য বৰষুণ পৰিলে বাহাৰঘাট অঞ্চলৰ বিদ্যুৎ কৰ্তন কৰাটো একপ্ৰকাৰ অভ্যাসত পৰিণত হৈছে বিদ্যুৎ যোগান বিভাগৰ। উল্লেখ্য যে যোৱা ২৪ মাৰ্চত হোৱা বিধ্বংসী ধুমুহাই অঞ্চলটোত বিদ্যুতৰ তাঁৰ ছিঙি, খুঁটা ভাঙি একপ্ৰকাৰ ধ্বংসস্তুপত পৰিণত কৰিছিল। এইবোৰ জোৰা লগাই বিদ্যুৎ যোগান ধৰিছে যদিও ৰাইজে বিচৰা ধৰণে সুচল হোৱা নাই। এইক্ষেত্ৰত বৰভাগৰ কটপূহাত থকা বিদ্যুৎ উপ-আস্থানত অভিযোগ কৰিলে তেওঁলোকৰ ফোন নম্বৰটো বিজি কৰি দায়িত্ব সামৰে। তদুপৰি নলবাৰী পয়লাত থকা উপ-সংমণ্ডল বিষয়াৰ ফোনো বিজি অৱস্থাত পোৱা যায়। বিদ্যুতৰ বিষয়া-কৰ্মচাৰীৰ এনেকুৱা আচৰণৰ বাবে গ্ৰাহকসকল সময়ে সময়ে বিতুষ্ট হৈ সামাজিক মাধ্যমত ক্ষোভ প্ৰকাশ কৰিবলৈ বাধ্য হয়। ইয়াৰ উপৰি অঞ্চলটোৰ মাজেৰে সৰবৰাহ হোৱা বিদ্যুৎ পৰিবাহী তাঁৰসমূহ বিগত ১৯৭০ৰ আগৰে। যিবোৰৰ শক্তি তেনেই দুৰ্বল হৈ পৰিছে। সামান্য গছৰ ডাল এডাল পৰিলে তাঁৰ ছিঙি যোৱাৰ সম্ভাৱনা যথেষ্ট বেছি। ইতিমধ্যে কে'বাবাৰো এনেদৰে ছিঙি বিদ্যুৎ সৰবৰাহ বন্ধ হোৱাৰ উদাহৰণ আছে। আনহাতে, অঞ্চলটোত কে'বাটাও দুৰ্বল আৰু কে'বাবাৰো মেৰামতি কৰা ট্ৰেন্সফৰ্মাৰেৰে এতিয়াও বিদ্যুৎ সৰবৰাহ হৈ আছে। সেইবোৰ কেতিয়া বিকল হৈ পৰে তাৰ ঠিকনা নাই। সেয়েহে ভুক্তভোগী ৰাইজে বাহাৰঘাট অঞ্চলৰ বিদ্যুৎ যোগান নিয়মীয়া কৰাৰ বাবে বিভাগীয়া কৰ্তৃপক্ষক দাবী জনাইছে।







অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com